Dibrugarh University

দ্বিতীয় বৰ্ষ। প্ৰথম সংখ্যা। ২০২৫

নাহৰ

মাহেকীয়া ই-আলোচনী

সম্পাদক

সমীৰ ৰিমাল

শ্ৰদ্ধাঞ্জলি

জুবিন গাৰ্গ

জন্মঃ ১৮-১১-১৯৭২

মৃত্যুঃ ১৯-০৯-২০২৫

দীপক শৰ্মা

জন্মঃ ২৩-০৮-১৯৬৮

মৃত্যুঃ ০৩-১১-২০২৫

চৈয়দ চাদুল্লা

জন্মঃ ০১-০২-১৯৪৮

মৃত্যুঃ ৩০-১০-২০২৫

"নাহৰ" মাহেকীয়া ই-আলোচনী সম্পাদনা সমিতি আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তফৰ পৰা আটাইকেইগৰাকী মহান ব্যক্তিলৈ একাঁজলি অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি।

উছর্গা

অসম তথা ভাৰতৰ সংগীত আৰু সাংস্কৃতিক ক্ষেত্ৰখন চহকী কৰি তোলাত ভূমিকা আগবঢ়াই জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ বাৰ্তা বহন কৰা যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ৱ **জুবিন গাৰ্গ** ৰ

কৰকমলেষু।

আগকথা

উজনি অসমৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ইতিমধ্যে ৬০ বছৰীয়া যাত্ৰা সম্পূৰ্ণ কৰিছে।কেৱলমাত্ৰ শৈক্ষিক ক্ষেত্ৰতে নহয় সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক প্ৰতিটো ক্ষেত্ৰতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভূমিকা অপৰিসীম। বিভিন্ন জাতি-জনগোষ্ঠীৰে সমৃদ্ধ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ যুৱ প্ৰজন্মৰ বাবে অত্যন্ত আশাব্যঞ্জক।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাহেকীয়া ই-আলোচনী "নাহৰ"ৰ দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যা প্ৰকাশ কৰিবলৈ চিন্তা-চৰ্চা কৰাৰ মূল উদ্দেশ্য হৈছে বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজৰ চিন্তা-ধ্যান-ধাৰণাক সন্নিবিষ্ট কৰি ছাত্ৰ সমাজৰ মাজলৈ ইতিবাচক বাৰ্তা প্ৰেৰণ কৰা। বিশ্ববিদ্যালয়ৰ ৱেবছাইটত উপলব্ধ হোৱাকৈ প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে।আশা কৰিছোঁ আমাৰ এই প্ৰচেষ্টাক ছাত্ৰ সমাজে আঁকোৱালি লৈ অনাগত সংখ্যাৰ বাবে প্ৰেৰণা যোগাব।

শ্ৰদ্ধাৰে-
সম্পাদনা সমিতিৰ হৈ।

সমীৰ ৰিমাল
সম্পাদক, নাহৰ

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চমু বিৱৰণ

* প্ৰতিষ্ঠা - ১৯৬৫
* মূল মন্ত্ৰ - নিয়তং কুৰু কৰ্ম
* উপাচাৰ্য - ড° জিতেন হাজৰিকা
* মুঠ মাটিকালি - প্ৰায় ৫৫০ বৰ্গ কিলোমিটাৰ
* বিভাগ/কেন্দ্ৰ - ৩৪ টা
* ৱেবচাইট – dibru.ac.in
* ছাত্ৰ-ছাত্ৰী আবাসৰ সংখ্যা - ১৬ খন
* গ্ৰন্থাগাৰ নাম - লক্ষ্মীনাথ বেজবৰুৱা গ্ৰন্থাগাৰ
* সংগ্ৰহালয় নাম - মালভোগ বৰুৱা সংগ্ৰহালয়
* প্ৰেক্ষাগৃহৰ নাম - ৰংঘৰ আৰু ইন্দিৰা মিৰি প্ৰেক্ষাগৃহ
* উদ্যানৰ নাম - হিতেন্দ্ৰনাথ গোস্বামী বিজ্ঞান আৰু সাংস্কৃতিক উদ্যান
* ৰঙ্গমঞ্চৰ নাম - বিষ্ণুৰাভা ৰঙ্গমঞ্চ
* অতিথি আবাস - বিশ্ৰান্ত
* খেলপথাৰৰ নাম - ১) শ্বহীদ খৰ্গেশ্বৰ তালুদাৰ খেলপথাৰ, পুৰণা
  ২) নতুন খেলপথাৰ, জয়মতী ছাত্ৰী নিবাস
* ৰেডিঅ চেণ্টাৰ - জ্ঞানমালিনী ডিব্ৰুগড় বিশ্ববিদ্যালয়

–সম্পাদনা সমিতি–

নাহৰ/দ্বিতীয় বৰ্ষ, প্ৰথম সংখ্যা, ২০২৫

উপদেষ্টা

ড° জিতু বৰা

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

ডিব্ৰুগড় বিশ্ববিদ্যালয়

সম্পাদক

সমীৰ ৰিমাল

ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

সদস্য/সদস্যা

আশিষ ভূষণ গগৈ

ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

মাধুৰ্য্য বৰা

ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

আকাশ কলিতা

ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

সৃষ্টি গগৈ

ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়

দিম্পীমণি দও

ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়

মৌচুমী সোণোৱাল

ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়

পলাশ ফুকন

ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

চিৰঞ্জীৱ সন্দিকৈ

ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

सत्यमेव जयते

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam

দিছপুৰ
চি এম এছ. ৭/২০২৩/১৬৬৫৪
১০ কাতি, ১৪৩২ ভাস্কৰাব্দ
২৮ অক্টোবৰ, ২০২৫ ইং

শুভেচ্ছাবাণী

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাহেকীয়া ই-আলোচনীখনৰ দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যা প্ৰকাশৰ প্ৰস্তুতি চলোৱা হৈছে বুলি জানিব পাৰি মই অতিশয় আনন্দিত হৈছোঁ। আলোচনীখনৰ সৈতে জড়িত সকলোলৈ মই আন্তৰিক অভিনন্দন জনাইছোঁ।

পৰম্পৰাগত ছপা আলোচনীৰ সমান্তৰালকৈ একবিংশ শতিকাৰ সুলভ ইণ্টাৰনেটৰ যুগত ছপা আলোচনীৰ লগতে অনলাইন আলোচনী, ব্লগ, ৱেবজিন আদি মাধ্যমসমূহে সজোৰে আত্মপ্ৰকাশ কৰিছে। তুলনামূলকভাৱে নতুন যদিও এই মাধ্যমসমূহে নতুন প্ৰজন্মৰ সাহিত্যিকসকলে নিজৰ চিন্তা প্ৰকাশ কৰাৰ সুবিধা লাভ কৰিছে। নতুন ধাৰাৰ সাহিত্য সৃষ্টি, নতুন শব্দৰ ব্যৱহাৰেৰে ভাষাৰ পৰিৱৰ্তিত ৰূপক প্ৰসাৰিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। অনলাইন আলোচনীসমূহে ভাষাৰ ইতিহাস আৰু ঐতিহ্য সংৰক্ষণ কৰাতো অৰিহণা যোগায়। অনলাইন মাধ্যমৰ আলোচনীয়ে এক ভৌগলিক সীমা অতিক্ৰমী বিশ্বৰ ভিন্ন প্ৰান্তৰ পাঠকক লেখা এটা পঢ়াৰ সুবিধা প্ৰদান কৰিছে। ভাষা এটাৰ প্ৰসাৰৰ দিশতো এনে আলোচনীসমূহে যথেষ্ট সহায় কৰে। সম্প্ৰতি অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পিছত ইণ্টাৰনেটত ভাষাটো সুলভ কৰি তোলাৰ প্ৰয়োজনীয়তা বহুগুণে বৃদ্ধি পাইছে। এনে প্ৰেক্ষাপটত অনলাইন আলোচনীসমূহৰ গুৰুত্ব আৰু দায়িত্বও বহুলাংশে বাঢ়িছে।

অসমীয়া সাহিত্যলৈ শিক্ষানুষ্ঠানসমূহৰ মুখপত্ৰ বা আলোচনীসমূহে উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। এনে আলোচনীসমূহ শিক্ষানুষ্ঠান এখনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু বিশেষকৈ শিক্ষাৰ্থীসকলৰ বৌদ্ধিক কচৰৎ, সাহিত্য সাধনাৰ থলী। ইয়াৰ বুকুতে ৰোপিত হয় ভৱিষ্যতৰ একোগৰাকী গল্পকাৰ, নিবন্ধকাৰ, কবি, সমালোচক, ঔপন্যাসিক, সম্পাদকৰ বীজ। শিক্ষানুষ্ঠানত সৃষ্টিশীলতাৰ ধাৰা অক্ষুন্ন ৰখাতো অগ্ৰণী ভূমিকা লয় আলোচনীসমূহে। আশা কৰোঁ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাহিত্য-চৰ্চাৰ গৌৰৱোজ্জ্বল পৰম্পৰা অক্ষুন্ন ৰাখি আলোচনীখন বিবিধ বিষয়ক লেখাৰে সমৃদ্ধ হৈ থাকিব।

ই-আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পাওক, তাকেই কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

অধ্যাপক জিতেন হাজৰিকা
উপাচাৰ্য

ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩৯
ইমেইল ঃ vc@dibru.ac.in

শুভেচ্ছা-বাণী

অসমৰ উচ্চ শিক্ষাৰ এটি অন্যতম প্ৰাণকেন্দ্ৰ, ঐতিহ্যমণ্ডিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাই ২০২৫-২৬ বৰ্ষৰ আলোচনী সম্পাদকৰ প্ৰচেষ্টাত পূৰ্বাপৰ প্ৰকাশ পাই অহা 'নাহৰ' শীৰ্ষক মাহেকীয়া ই-অলোচনীখনৰ দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যাটি প্ৰকাশ কৰিবলৈ আগবাঢ়িছে বুলি জানিবলৈ পাই স্বাভাৱিকতে আমি আনন্দিত হৈছোঁ। অসমৰ জন-জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে সংপৃক্ত তথা প্ৰকৃতিপ্ৰেমীসকলৰ দ্বাৰাও বহুলভাৱে সমাদৃত হৈ অহা নাহৰ গছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদটিৰ শোভাবৰ্দ্ধন কৰি সমগ্ৰ পৰিৱেশটোকে অনন্য সৌন্দৰ্য সুষমা প্ৰদান কৰি আহিছে। অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ নামত এইবাৰৰ 'নাহৰ'খন উছৰ্গা কৰিব বিচৰা কাৰ্যটি এক সময়োচিত পদক্ষেপৰূপে বিবেচিত হৈছে।

আমি আশাবাদী যে ভিন্নগৰাকী লেখক-লেখিকাৰ বিবিধ ৰুচিসন্মত, মননশীল আৰু উৎকৃষ্ট মানৰ পঠনযোগ্য লেখা, অন্যান্য প্ৰাসংগিক তথ্য-পাতি, আলোকচিত্ৰ আদিৰে সুশোভিত হৈ 'নাহৰ'খন আশানুৰূপভাৱেই সমৃদ্ধ হৈ উঠিব আৰু তদনুৰূপে পাঠকৰ সমাজখনৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব।

প্ৰয়াসটিৰ সৈতে জড়িত হৈ থকা সকলোলৈকে আন্তৰিক অভিনন্দন জনাই পঢ়ুৱৈৰ সমাজখনলৈ আমি শুভ-কামনা জ্ঞাপন কৰিছোঁ।

দিনাংক ঃ ৩০ অক্টোবৰ, ২০২৪

(জিতেন হাজৰিকা)

पबित्र मार्घेरिटा
Pabitra Margherita

सत्यमेव जयते

विदेश एवं वस्त्र राज्य मंत्री
भारत सरकार
Minister of State for
External Affairs and Textiles
Government of India

শুভেচ্ছা বাণী

"মায়াবিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি
ধৰা দিলা গোপনে আহি
হিয়াৰ কোণত..."

বিগত তিনিটা দশকৰো অধিক সময় অসমৰ সবাতোকৈ প্ৰভাৱশালী, সবাতোকৈ চৰ্চিত, সবাতোকৈ জনপ্ৰিয় সাংস্কৃতিক সত্তাটোৱেই আছিল জুবিন গাৰ্গ। যোৱা ১৯ ছেপ্টেম্বৰত প্ৰতিগৰাকী অসমীয়াৰ লগতে দেশ-বিদেশৰ অযুত-অৰ্বুদ গুণমুগ্ধক শোকস্তব্ধ কৰি আমাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ অজান দেশলৈ গুচি গ'ল । এয়া আমাৰ বাবে এতিয়াও অবিশ্বাস্য, অকল্পনীয় । বিশ্বৰ ভিতৰতে বিৰল প্ৰতিভাৱান জুবিন গাৰ্গে প্ৰায় ৪০টা ভাৰতীয় ভাষাত ৩৮,০০০ৰো অধিক গীতত কণ্ঠদান কৰাৰ লগতে অভিনয়, চলচ্চিত্ৰ প্ৰযোজনা-পৰিচালনা, সংগীত পৰিচালনা, গীত ৰচনা আদিৰে নিজৰ চমু জীৱনকালত এগৰাকী 'সম্পূৰ্ণ কলাকাৰ' হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। জুবিন গাৰ্গ সদায়েই আছিল প্ৰশংসা আৰু সমালোচনাৰ উৰ্ধ্বত এক বিৰল, ক্ষণজন্মা , অতি প্ৰতিভাশালী সত্তা । তেওঁ নিজৰ জীৱনকালৰ উপৰি মৃত্যুৰ পিছতো অসমৰ পৰিধি ভাঙি সমগ্ৰ ভাৰত তথা বিশ্ব প্ৰেক্ষাপটতো সৰ্বজন সমাদৃত আৰু বন্দিত এগৰাকী অন্যতম শ্ৰেষ্ঠ অসমীয়া।

এনে এজন মহান শিল্পীক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যেৰে ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২৫-২০২৬ বৰ্ষৰ আলোচনী সম্পাদকৰ প্ৰচেষ্টাত দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যক মাহেকীয়া ই-আলোচনী " নাহৰ" ৰ প্ৰকাশৰ দিহা কৰাটো নিতান্তই প্ৰশংসনীয়।

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশ পাবলগীয়া মাহেকীয়া ই-আলোচনীখন সৰ্বাংগ সুন্দৰ হোৱাৰ লগতে পঢ়ুৱৈ সমাজৰ দ্বাৰা সমাদৃত হ'ব বুলি আশা প্ৰকাশ কৰিলোঁ।

ধন্যবাদেৰে

পবিত্ৰ মাৰ্ঘেৰিটা

Ministry of Textiles : Room No. 129, D Wing, Udyog Bhawan, New Delhi-110011
Phone : 011-23063704, 23063779 Fax : 011-23061575, E-mail : mos-textiles@gov.in
Ministry of External Affairs : 181, South Block, New Delhi-110001
Phone : 011-23017763, E-mail : mos.pm@mea.gov.in

ড° পৰমানন্দ সোনোৱাল
পঞ্জীয়ক

ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩১
ইমেইল ঃ registrar@dibru.ac.in

শুভেচ্ছা-বাণী

শিক্ষিত মানৱ সম্পদ সৃষ্টিৰে এখন সুস্থ সমাজ গঠন কৰাত অনবদ্য ভূমিকা পালন কৰি অহা ডিব্ৰুগড় বিশ্ববিদ্যালয় অসমৰ উচ্চ শিক্ষাৰ উপৰি বৌদ্ধিক জগতখনৰো অন্যতম প্ৰধান প্ৰাণকেন্দ্ৰৰূপে সুপৰিচিত। ৰাজ্যখনৰ লগতে বহিঃৰাজ্য তথা বহুকেইখন বিদেশী ৰাষ্ট্ৰৰ ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমানেও অধ্যয়ন কৰি থকা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সুবৃহৎ চৌহদটোক শাৰী শাৰী নাহৰ গছে প্ৰদান কৰি অহা মায়াময়, নান্দনিক, মন জুৰোৱা প্ৰাকৃতিক পৰিৱেশটোৰ বাবেই বিশ্ববিদ্যালখনে নাহৰৰ দেশৰূপে এক অনন্য সুকীয়া পৰিচয় লাভ কৰি আহিছে। বিশ্ববিদ্যালয়খনৰ বুকুতেই নিতৌ বাস্তৱায়িত হৈ আহিছে ভৱিষ্যতৰ ৰঙীণ স্বপ্ন দেখা বহু তৰুণ-তৰুণীৰ সোণালী সপোন। এই নাহৰৰ দেশৰ বুকুতেই সৃষ্টি হৈছে বহু গীত, কবিতা, উপন্যাস আদি। কেৱল আনুষ্ঠানিক শিক্ষাই নহয়, নাহৰৰ দেশত লাভ কৰা অন্যান্য ভিন্ন অভিজ্ঞতাবোৰৰ পৰা শিক্ষাৰ্থীসকলে জীৱন সম্পৰ্কীয় মহা মূল্যবান শিক্ষাও লাভ কৰি আহিছে। সম্প্ৰতি ভাৰ্চুৱেল পৃথিৱীখনে আমাৰ সকলোকে ইজনে সিজনৰ সৈতে সংযুক্ত হৈ থাকিবলৈ সুযোগ-সুবিধা প্ৰদান কৰিছে যদিও নাহৰৰ দেশত জীৱনৰ শিক্ষা লাভ কৰাৰ মাদকতা বা অনুভৱ সদায় সুকীয়া।

কেৱল উচ্চ শিক্ষাৰ জগতখনৰ সৈতে সম্পৃক্ত হৈ থকা জ্ঞান-বিজ্ঞানৰ ক্ষেত্ৰখনতেই নহয়, পাঠ্যক্ৰম বহিৰ্ভূত কলা-সাহিত্য, কৃষ্টি-সংস্কৃতি, ক্ৰীড়া আদি সকলো দিশতে পাৰদৰ্শিতা প্ৰদৰ্শন কৰি অহা বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকল প্ৰকৃতাৰ্থতেই ভৱিষ্যতৰ একো একোগৰাকী মূল্যবান সম্পদ। বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাই প্ৰকাশ কৰি অহা 'নাহৰ' শীৰ্ষক মাহেকীয়া ই-অলোচনীখনৰ দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যাটি প্ৰকাশৰ পথত আৰু এইবাৰৰ 'নাহৰ'খন আমাৰ প্ৰাণস্পন্দন স্বৰূপ জুবিন গাৰ্গৰ নামত উছৰ্গা কৰিব বিচৰা হৈছে বুলি জানিবলৈ পাই সঁচাকৈয়ে আমি সুখী হৈছোঁ।

আমি আশাবাদী যে উৎকৃষ্ট মানৰ পঠনযোগ্য বিবিধ লেখা, অন্যান্য প্ৰাসংগিক তথ্য-পাতি, আলোকচিত্ৰ আদিৰে সুশোভিত হৈ 'নাহৰ'খন আশানুৰূপভাৱেই পৰিপুষ্ট হৈ উঠিব আৰু পাঠকৰ সমাজখনেও প্ৰকাশটিক সাদৰেৰে আঁকোৱালি ল'ব। সংশ্লিষ্ট সকলোলৈকে আন্তৰিক অভিনন্দন জনাই পঢ়ুৱৈৰ সমাজখনলৈও আমি শুভ-কামনা জ্ঞাপন কৰিছোঁ।

দিনাংক ঃ ১১ নৱেম্বৰ, ২০২৫

(পৰমানন্দ সোনোৱাল)

শুভেচ্ছাবাণী

সাম্প্ৰতিক যুগৰ লগত খোজ মিলাই, সাম্প্ৰতিক পৰিৱেশ-পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ উদ্যোগত প্ৰকাশ পাবলগীয়া "নাহৰ" শীৰ্ষক ই-আলোচনীৰ বাবে আমাৰ ফালৰ পৰা আন্তৰিক শুভেচ্ছা। নাহৰবাসীৰ অভিজ্ঞতা, জ্ঞান, সাহিত্য চৰ্চাৰ স্থলী হৈ পৰক এই "নাহৰ"। বিশেষ মানদণ্ডৰে অগতানুগতিক চিন্তাধাৰাৰে এক ন-ৰূপ পাওঁক "নাহৰে"। আমি আশাবাদী নাহৰবাসীয়ে আলোচনীখনক নিশ্চয়কৈ আদৰি ল'ব। আলোচনীখনৰ লগত প্ৰত্যক্ষ-পৰোক্ষ ভাৱে জড়িত প্ৰত্যেকগৰাকী ব্যক্তিলৈ আৰু বিশেষভাৱে উদ্যোগ লোৱা আলোচনী সম্পাদক সমীৰ ৰিমাল লৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

-প্ৰান্তত,

সভাপতি

আশিষ ভূষণ গগৈ

ডিব্ৰুগড় বিশ্ববিদ্যালয়

স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২৫-২৬

শুভেচ্ছাবাণী

জ্ঞানৰ আলোকে, চিন্তাৰ স্পন্দনে আৰু সৃষ্টিৰ ৰসধাৰাত গঢ় লোৱা “নাহৰ” ই-আলোচনী”ৰ শুভ প্ৰকাশ উপলক্ষে মই আন্তৰিক আনন্দ প্ৰকাশ কৰিছোঁ।

আলোচনী কোনো এটা মাত্ৰ পৃষ্ঠা সন্নিৱিষ্ট গ্ৰন্থ নহয়, ই হৈছে বিশ্ববিদ্যালয় পৰিসৰৰ সৃষ্টিশীল মনৰ এক যৌথ স্পন্দন, য'ত চিন্তা, সাহিত্য, বিজ্ঞান আৰু সমাজচেতনাৰ সুৰ একে সুঁতিত গাঁথি উঠে।

এই "নাহৰ" ই-আলোচনীৰ পাতবোৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যয়নশীল আত্মাৰ জ্যোতি দূৰলৈ প্ৰসাৰিত কৰি তোলক, নতুন প্ৰজন্মক চিন্তাশীল, অনুসন্ধানী আৰু দায়িত্বশীল নাগৰিক হিচাপে প্ৰেৰণা দিয়ক, এই শুভকামনা জনাইছোঁ।

সম্পাদনা সমিতি আৰু সকলো সংশ্লিষ্টজনক মোৰ ফালৰ পৰা অভিনন্দন আৰু শুভেচ্ছা জনাইছোঁ।

মাধুৰ্য বৰা
সাধাৰণ সম্পাদক
ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা।

ধুমুহাৰ স'তে মোৰ বন্ধু যুগৰে নাচোন
ZUBEEN
GARG
কাঞ্চনজংঘা...!

সম্পাদকীয়.....

আমি সামাজিক প্ৰাণী, সমাজ আৰু পৰিয়ালৰ লগত জড়িত হৈ জীৱনৰ প্ৰতিটো সময় সুখী আৰু আনন্দদায়ক হোৱাৰ কামনা কৰোঁ। শিশু অৱস্থাৰ পৰা আমাৰ মন মগজুত জীৱনৰ সাৰ্থকতা লাভৰ সম্পৰ্কে পৰিয়ালে জ্ঞান দিয়াৰ চেষ্টা কৰে। শৈক্ষিক ক্ষেত্ৰখনত সফলতা অৰ্জন কৰা লগতে নিজকে আৰ্থিক ভাৱে সক্ষম হবলৈ দিশ-দৰ্শন কৰে। সকলোৰে সপোন থাকে এগৰাকী ভাল মানুহ হোৱাৰ, তাৰ সমানে সমাজে সন্মান কৰা, সমাজৰ প্ৰতিটো কামত জড়িত হোৱা, নিজৰ ক্ষমতা প্ৰদৰ্শন কৰা, ইত্যাদি। সময়ৰ উচ্চ-নিম্ন গতিধাৰাৰ বাবে হওক বা জীৱনৰ বিভিন্ন সময়ত আমাৰ চকুৰ সন্মুখত অহা সমস্যাৰ বাবে হওক, বহুতো কাম জীৱনৰ শেষ সময়লৈকে কৰিবলৈ সক্ষম নহওঁ। আমাৰ চিন্তাত আমাৰ ধ্যান-ধাৰণাবোৰে অনবৰতে ক্ৰিয়া কৰে, আমি মানুহ, ভাল চিন্তা কৰিব লাগিব, ভাল আচাৰ-ব্যৱহাৰ থাকিব লাগিব, আমি একোগৰাকী ভাল মানুহ হ'ব লাগিব।এনেদৰে জীৱন সময়ৰ ঢৌত উটি যায়।

আমাৰো সপোন আছিল, শৈক্ষিক ক্ষেত্ৰত জড়িত হৈ ভাল কাম কৰাৰ, ঠিক তেনে সপোন বুকুত বান্ধি ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আলোচনী সম্পাদক পদত প্ৰাৰ্থীত্ব আগবঢ়াইছিলো, বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজে আমাক আগুৱাই দিলে। যিহেতু আমাৰ সপোন আছিল নাহৰৰ দেশৰ বাবে কাম কৰাৰ, ঠিক তেনে সপোন বাস্তৱ কৰিবলৈ আমি আৰম্ভ কৰিলোঁ বিশ্ববিদ্যালয়ৰ ই-আলোচনী 'নাহৰ' প্ৰকাশৰ কাম। আমি সিদ্ধান্ত ললোঁ এইবৰ্ষৰ নাহৰ আমি আমাৰ আটাইৰে হৃদয়ত থকা, যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গ দেৱক উচৰ্গা কৰিম। শপতগ্ৰহণৰ কেৱলমাত্ৰ ৫৫ দিনত এনে এক কাম কৰিবলৈ সাহস কৰাটো আমাৰ বাবে আছিল বৃহৎ প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বান আৰু যথেষ্ট বাধাক নেওচি আমি প্ৰকাশ কৰিব লৈছোঁ 'নাহৰ'ৰ দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যা। এই যাত্ৰাত আমাৰ সতে থিয় দিয়া তথা অভিভাৱকৰ ভূমিকা পালন কৰা প্ৰত্যেক গৰাকী ব্যক্তিলৈ আমাৰ তৰফৰ পৰা সহস্ৰধ প্ৰণাম। সম্পাদক হিচাপে এইয়া মোৰ প্ৰথম কাম, আমাৰ প্ৰয়াসত যথেষ্ট ত্ৰুটি-নাটি থাকিব পাৰে, তাৰ বাবে আমি দায়ী। পাঠকে আমাক পথ-প্ৰদৰ্শন কৰি আশীৰ্বাদ প্ৰদান কৰিব, যাতে আগন্তুক দিনত অধিক উদ্যম আৰু সাহসেৰে আগবাঢ়িব পাৰোঁ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে আমাৰ চেষ্টাক আঁকোৱালি ল'ব বুলি বিশ্বাস আছে।

জয়তু ডিব্ৰুগড় বিশ্ববিদ্যালয়
জয়তু ডিব্ৰুগড় বিশ্ববিদ্যালয় ছাত্ৰ সমাজ।

-প্ৰান্তত,
সমীৰ ৰিমাল
সম্পাদক

সম্পাদনা সমিতি

উপদেষ্টা

ড জিতু বৰা

সম্পাদক

সমীৰ ৰিমাল

সদস্য

আশিষ ভূষণ গগৈ

মাধুৰ্য্য বৰা

আকাশ কলিতা

সৃষ্টি গগৈ

দিম্পীমণি দত্ত

মৌচুমী সোণোৱাল

পলাশ ফুকন

চিৰঞ্জীৱ সন্দিকৈ

"জুবিন গাৰ্গ – অসমৰ সুৰ, অসমৰ গৰ্ব।"

সূচীপত্ৰ

প্ৰবন্ধ

- জুবিন গাৰ্গঃ প্ৰিয় গায়কৰ পৰা প্ৰিয় ব্যক্তিত্বলৈ ✍দীপশিখা ৰাজবংশী/ ১৮-২০
- বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতত মানবতাবোধ, দেশপ্ৰেম, সাম্যবাদ আৰু অন্যান্য দিশৰ নান্দনিক বৈচিত্ৰ্য ✍কৰবী গগৈ/ ২১-২৬
- অসম চাহঃ গৌৰৱৰ পৰা সংকটলৈ যাত্ৰা ✍জিণ্টু দিহিঙীয়া/ ২৭-২৮
- ভূপেন হাজৰিকাৰ গীতত প্ৰেমৰ প্ৰতিফলন ✍জিণ্টু গোহাঁই/ ২৯-৩০
- জুবিন গাৰ্গঃ আকাশলংঘী শিল্পসত্তা-ইউকেলিপ্টাছ শিখৰৰ পৰা বৈ অহা সৃষ্টিৰ ব্ৰহ্মপুত্ৰ ✍সৃষ্টি গগৈ/ ৩৬-৩৮
- অসমত জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা ✍চিৰঞ্জীৱ সন্দিকৈ/ ৪১-৪৩
- ছাত্ৰজীৱন, সুৰক্ষিত ভৱিষ্যত আৰু সাংবাদিকতা ✍জোন মানসী নাথ/ ৪৬-৪৮
- মিছিং জনজাতিৰ ঐতিহ্য আৰু পৰম্পৰা ✍অনুজ ভৰালী/ ৪৯-৫১
- যুৱ প্ৰজন্মৰ দৃষ্টিত জনজাতিকৰণৰ ক্ষেত্ৰত জনগোষ্ঠীয় সংগঠনৰ কাৰ্যপন্থা কেনেধৰণৰ হোৱা উচিত ✍আকাশ কলিতা/৫৪-৬০
- মহানায়কৰ সাংগীতিক ধৰ্মপিতৃ ✍সায়ন্তন শইকীয়া/ ৭০-৭১
- Anti-Multiculturalism: Ethics of Non-Interest in a Fragmented World ✍Monoj Kumar Boruah/ ৮৮-৯২
- ড০ জুবিন গার্গনি সুংদ' জিউখৌরাং ✍Bilipang Daimary/ ৯৩-৯৪

কবিতা সংকলন

- দেউতা, নাৰৰীয়া, সি আৰু তাই ✍মাচুমী শইকীয়া/ ৯৫-৯৭

ফটো আৰু কলাৰ সমাহাৰ

বিঃদ্ৰঃ- মন কৰিব, এই আলোচনীৰ বিষয়বস্তুত লেখকসকলে প্ৰকাশ কৰা কোনো মতামতৰ বাবে "নাহৰ" ই-আলোচনীৰ সম্পাদনা সমিতি দায়ী নহয়। লেখকসকলে নিজৰ মতামত ব্যক্ত কৰিছে। লেখা আৰু প্ৰকৃত ঘটনাৰ মাজত যিকোনো সাদৃশ্য সহ-ঘটনা।

সূচীপত্ৰ

কবিতা

- নদীঃ এক জীয়া প্ৰেম ✍কাশ্মিৰী দত্ত/ ৪০
- অসমৰ গৌৰৱ ✍প্ৰেৰণা ৰয়/ ৪৪
- Life: No more a game ✍Ananya Goswami/ ৪৫
- মাজনিশাৰ নটৰাজ ✍কাব্যশ্ৰী মহন্ত/ ৫২
- শুই পৰা এটি সুৰ ✍অৰ্পণা দেৱী/ ৫৩
- হঠাতে হেৰাল এটি সুৰ ✍মৌচুমী সোনোৱাল/ ৬৮
- ফুলেশ্বৰৰ দিনবোৰ ✍সুদীপ্ত চেতিয়া/ ৬৯
- জেং বিহুৰ নাচনী ✍উপম বৈশ্য/ ৭৯
- প্ৰেমৰ দিন ✍দিম্পীমণি দত্ত/৮০
- কালস্তম্ভ ✍নীলাঞ্জনা ভট্টাচাৰ্য্য/ ৮১
- This October ✍Deepanwita Borpatragohain/ ৮৭

গ্ৰন্থ সমালোচনা

- নিৰ্বাচিত গ্ৰন্থঃ জছনাৰ ঝিটাছ, গ্ৰন্থকাৰ অৰূপা পটঙ্গীয়া কলিতা ✍গৌৰী পৰন বৰা/ ৬১-৬৫
- Echoes of the Tangkhul Soul: Unveiling Birendra Kumar Bhattacharya's "Yaruingam" ✍Porishmita Phukan/ ৬৬-৬৭

অনুবাদ

- সীমা ✍পুৰবী হাজৰিকা/ ৭২-৭৯

চুটিগল্প

- Scarlet Days ✍Smita Chakraborty/ ৩২-৩৫

চলচ্চিত্ৰ সমালোচনা

- "মন যায়" বোলছবিৰ পটভূমিত অসমঃ এক অৱলোকন ✍সাগৰিকা বুঢ়াগোহাঁই/ ৮২-৮৪
- চলচ্চিত্ৰ সমীক্ষা- "অপৰূপা"(১৯৮২) ✍বিমান দত্ত/ ৬৬-৬৭

নীলাখামৰ চিঠি

- ✍অস্মিতা/ ৩১

Nayak Creation

ডিটিপি আৰু ডিজাইন

ত্ৰিদীপ চৌধুৰী

পাঠশালা, বজালী (অসম)

দ্বিতীয় বৰ্ষ।প্ৰথম সংখ্যা।২০২৫
নাহৰ
মাহেকীয়া ই-আলোচনী
সম্পাদক
Samir Rimal

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

জুবিন গাৰ্গ: প্ৰিয় গায়কৰ পৰা প্ৰিয় ব্যক্তিত্বলৈ

দীপশিখা ৰাজবংশী
(গণিত বিভাগ,ডিব্ৰুগড় বিশ্ববিদ্যালয়)



"প্ৰীতিৰ সুবাসে ধুৱাই দিলেহি
মোৰ এই উদাসী মন
পাহৰা গীতৰ সুৰে আহি
জগালেহি যৌৱন কিয় বাৰু?
প্ৰীতিৰ সুবাসে....."

গীতৰ সুবাসেৰে প্ৰত্যেকজন অসমীয়াৰ হৃদয় জয় কৰা, তিনিটা দশকতকৈ অধিক সময় ধৰি অসমীয়া সংগীত জগতখনক সমৃদ্ধ কৰি ৰখা, প্ৰতিজন অসমীয়াৰ বুকুত শিপাই থকা সুৰীয়া সত্বাটিয়ে হৈছে জুবিন গাৰ্গ। জুবিন গাৰ্গ; কেৱল এটা নাম নহয়, তেওঁ এক বিপ্লৱ, এক আৱেগ, অসমীয়া সংগীত জগতৰ তেওঁ চেতনা আৰু অসমবাসীৰ ভাষাৰে তেওঁ, 'হাৰ্টথ্ৰ'ব' জুবিন দা।

অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰতিটো প্ৰজন্মৰ লোককে সুৰৰ মূৰ্চ্ছনাৰে আৱৰি ৰখা ব্যক্তিজনেই আছিল জুবিন গাৰ্গ। সৰুতে কোনোবাই কেতিয়াবা লগ পালে সোধা সেই 'কাৰ গান শুনি ভালপোৱা?' নাইবা পৰীক্ষাৰ প্ৰশ্নকাকতখনত 'বৰ্তমান সময়ৰ তোমাৰ এজন প্ৰিয় গায়কৰ নাম লিখা' বুলি অহা প্ৰশ্নটোৰ উত্তৰো এটাই আছিল, জুবিন গাৰ্গ। এটা কথা সঁচা যে সেই সময়ত জুবিন গাৰ্গৰ বিশাল সৃষ্টিৰাজিৰ বিষয়ে মোৰ বিশেষ ধাৰণা নাছিল। হ'লেও সেই যে 'দাগ' কথাছবিৰ 'মনলে

উভতি আহে ল'ৰালি' শীৰ্ষক গীতটিয়ে হওঁক অথবা 'মায়াবিনী', এই গীতদুটিয়ে সেই সময়ত মোক ইমানেই প্ৰভাৱিত কৰিছিল যে অনবৰতে সেই গীত দুটাকে গুণগুণাই থকাতো মোৰ অভ্যাসৰ দৰে হৈ পৰিছিল আৰু লগতে মোৰ প্ৰিয় গায়কৰ তালিকাখনৰ শীৰ্ষস্থানত এজন ব্যক্তিৰ নামেই জ্বিলিকি ৰৈছিল, জুবিন গাৰ্গ। তাৰ পাছত সেই স্থানৰ পৰা আৰু তেওঁৰ নাম কেতিয়াও আঁতৰাই নাই।এটা দুটাকৈ লাহে লাহে চিনাকি হৈছিলো তেওঁ কণ্ঠদান কৰা অন্যান্য গীতসমূহৰ সৈতে। প্ৰত্যেক দেওবাৰে দূৰদৰ্শনত সম্প্ৰচাৰিত হোৱা 'হিয়া দিয়া নিয়া', 'নায়ক', 'কন্যাদান', 'তুমি মোৰ মাথোঁ মোৰ' আদি কথাছবিৰ 'নহ'লে পৰিচয় হিয়াৰে', 'মলয়াৰ দুপাখিত', 'সোণ ৰূপেৰে', 'উল গুঠিব জানেনে', 'লহিয়ালে ৰঙা বেলি' ৰ দৰে জনপ্ৰিয় গীতসমূহে অন্য শ্ৰোতাৰ দৰে মোৰ মনতো সাঁচ বহুৱাইছিল। উল্লেখযোগ্য যে, 'ভাইমন দা' অৰ্থাৎ মুনিন বৰুৱাদেৱৰ দ্বাৰা পৰিচালিত কথাছবি 'হিয়া দিয়া নিয়া'(২০০০) ৰ জৰিয়তেই জুবিন গাৰ্গে ছবিৰ সংগীত পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰিছিল।

প্ৰাচ্য-পাশ্চাত্য আৰু উত্তৰ-পূবৰ, সুৰ-সংগীতৰ অপূৰ্ব সংমিশ্ৰণেৰে এক নতুন ধাৰাৰ সৃষ্টি কৰা জুবিন গাৰ্গে গাইছিল বিহুনাম,কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, ঝুমইৰ, নাগাৰা নাম, ঐনিতম, জিকিৰ-জাৰি আদিৰ প্ৰায় পাঁচ সহস্ৰাধিক গীত। জুবিন গাৰ্গৰ জৰিয়তে আজিৰ নৱ প্ৰজন্মই সোৱাদ পালে অসমীয়া লোকগীতৰ অমিয়া সুৰৰ। গুৰুদুজনাৰ অপূৰ্ব সৃষ্টি 'শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা', 'পাৰে পৰি হৰি', 'তেজেৰে কমলাপতি' আদি বৰগীতসমূহো জুবিন গাৰ্গে তেওঁৰ কণ্ঠৰে নিগৰাইছিল। যি জুবিনে গোৱা বৰগীত নুশুনিলে অসমীয়াৰ ৰাতি নুপুৱাই, যি জুবিনৰ বিহুগীত নহ'লে ব'হাগত অসমীয়াৰ কঁকাল নাভাগে, সেই জুবিনৰ গীতবোৰ কেৱল সুৰ আৰু শব্দৰ সমষ্টিয়ে নহয়, সেইবোৰ আমাৰ সমাজ জীৱনৰ দাপোণ। জুবিন গাৰ্গৰ গীতে কেৱল শ্ৰোতাক মোহিত কৰাই নহয়, অসমীয়া সমাজৰ গভীৰতাত শিপাই থকা বিভিন্ন দিশৰ লগত জড়িত সমস্যাসমূহো উদঙাই আহিছে।

অৱশ্যে কেৱল 'গায়ক' শব্দটিতেই সীমাবদ্ধ নাছিল প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতিভা। তেওঁ আছিল একাধাৰে গীতিকাৰ, সুৰকাৰ, বাদ্যযন্ত্ৰী, সংগীত ব্যৱস্থাপক, ৰিডম আৰু মেলডী এৰেঞ্জাৰ, লগতে এজন শব্দযন্ত্ৰীও। 'দীনবন্ধু' কথাছবিৰ ড° ভবেন্দ্ৰনাথ শইকীয়াদেৱৰ দ্বাৰা ৰচিত 'ক'ৰ এজাক সপোন যেন বৰষুণ' (কণ্ঠ: অনিন্দিতা পাল) নামৰ জনপ্ৰিয় গীতটিৰ সুৰকাৰ আছিল জুবিন গাৰ্গ। তদুপৰি হীৰুদাৰ 'গানে কি আনে', 'ফুলেৰে সজালোঁ', 'এন্ধাৰে এন্ধাৰে' আদিৰ দৰে কেইবাটাও কবিতাক তেওঁ জনপ্ৰিয় গীতলৈ ৰূপান্তৰিত কৰিছিল।

জুবিন গাৰ্গৰ অন্য এটি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছিল তেওঁৰ ভাষাজ্ঞান আৰু যিকোনো ভাষাৰ বিশুদ্ধ উচ্চাৰণ। জুবিন গাৰ্গ হৈছে এনে এজন শিল্পী যি উত্তৰ-পূবৰ প্ৰায় আটাইকেইটা ভাষা-উপভাষাত কণ্ঠদান কৰিছে। তদুপৰি সংস্কৃত, হিন্দী, পাঞ্জাৱী, বাংলা, গুজৰাটী, মাৰাঠী, তামিল, তেলুগু আদি ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তৰ ভাষাসমূহৰ গীতটো জুবিনে কণ্ঠদান কৰিছিল। তাতোকৈ প্ৰয়োজনীয় কথাটো হ'ল এইবিলাকত তেওঁৰ উচ্চাৰণ আৰু প্ৰক্ষেপণ শৈলীৰ শুদ্ধতা তথা প্ৰতিটো গীতৰেই আকাশলংঘী জনপ্ৰিয়তা।

জুবিন গাৰ্গে কৈছিল--

'মোৰ কোনো জাতি নাই,
মোৰ কোনো ধৰ্ম নাই,
মোৰ কোনো ভগৱান নাই,
মই মুক্ত ! মই কাঞ্চনজংঘা '

এৰা, জুবিন গাৰ্গৰ ব্যক্তিত্ব কাঞ্চনজংঘাৰ দৰেই ওখ আছিল। জাতি, ধৰ্ম, বৰ্ণৰ বিচাৰ নকৰি নিজকে তেওঁ বিলীন কৰি দিছিল জনতাৰ মাজত। সেয়েহে আজি তেওঁ অসমবাসীৰ বাবে কেৱল এজন গায়কেই নহয়, তেওঁ অসমীয়াৰ প্ৰাণস্বৰূপ এজন জননায়ক। জুবিন গাৰ্গ ৰাইজৰ; তেওঁ মানুহৰ শিল্পী, তেওঁ জনতাৰ শিল্পী।

কেৱল সংগীতৰ ৰাগিত মতলীয়া শিল্পী নাছিল জুবিন গাৰ্গ। তেওঁ আছিল এজন মানৱদৰদী প্ৰকৃত শিল্পী। কি কৰা নাছিল তেওঁ মানুহৰ বাবে! কেন্সাৰ, এইডছ ৰোগীৰ বাবে কাম কৰাৰ পৰা আৰম্ভ কৰি কি বানপানী, গঁড় হত্যাৰ বিৰুদ্ধে সজাগতা, সকলোতে দৌৰি ফুৰিছিল জুবিন। জুবিন গাৰ্গ আছিল প্ৰবল জাতীয়তাবাদী। অসম তথা অসমীয়া জাতিৰ দুৰ্দিনত তেওঁ উদাসীনতাৰে সুবিধাজনক দূৰত্বত অৱস্থান কৰাৰ পৰিৱৰ্তে সদায় জনতাৰ সাহস হৈ জনতাৰ কাষত থিয় দিছিল। অসমৰ, উত্তৰ-পূবৰ নৱপ্ৰজন্মক সৃজনশীল কৰি তোলাৰ আশা পুহিছিল জুবিন গাৰ্গে। মুম্বাইৰ দৰে স্বপ্ন নগৰীত নিজৰ কৰ্মজীৱন গঢ় দিয়াৰ সোণালী সুবিধা লাভ কৰাৰ পাছতো জননীক মনে প্ৰাণে ভালপোৱা শিল্পীগৰাকী অসমলৈ ঘূৰি আহি অসমৰ হকে কাম কৰিছিল। সঁচাকৈয়ে, সুৰৰ সম্ৰাট নহয়, মানুহৰ সুৰ হৈ থকাটোৱে আছিল তেওঁৰ গৌৰৱ।

ইউকেলিপ্টাছ গছৰ দৰে ওখ হ'ব খোজা, আকাশ চুব খোজা মানৱদৰদী, স্পষ্টবাদী, নিৰ্ভীক, প্ৰকৃতিপ্ৰেমী, জাতীয়তাবাদী, নিজ জন্মভূমিক গভীৰভাৱে ভালপোৱা এই শিল্পীগৰাকী আছিল ব্যতিক্ৰমী, প্ৰভাৱশালী ব্যক্তিত্বৰ অধিকাৰী। হয়, বহু ক্ষেত্ৰত তেওঁ বিতৰ্কৰো সন্মুখীন হৈছিল, কিন্তু মিছা বা অন্য কাৰণ দৰ্শাই তেওঁ সেইসমূহ ঢাকিবলৈ চেষ্টা কৰা নাছিল। হয়তো এনেবোৰ গুণৰ বাবেই কেৱল তেওঁৰ গানেই নহয়, তেওঁৰ ব্যক্তিত্বও মোৰ প্ৰিয়। কিন্তু এইখিনিতে এটা কথা দুখেৰে স্বীকাৰ কৰিবই লাগিব যে তেওঁৰ জীৱিত অৱস্থাত অসমৰ বহুসংখ্যক লোকে তেওঁক বুজিয়ে নাপালে, হয়তো কোনোবাখিনিত আমিও....আৰু সেই দোষে নিশ্চয়কৈ এতিয়া সকলোকে দহিছে। বাৰু সি যি কি নহওঁক, জুবিন গাৰ্গ অসমৰ বাবে কি আছিল বৰ্তমান সেয়া প্ৰত্যেকৰে জ্ঞাত। আমি কাক হেৰুৱালো, কি হেৰুৱালো এতিয়া হয়তো বেলেগকৈ বহলাই কোৱাৰ প্ৰয়োজন নাই। সকলোৰে মনত মাথোঁ প্ৰশ্ন আৰু প্ৰশ্ন, জুবিনবিহীন অসম এখনৰ কল্পনা জানো কৰিব পাৰি? এতিয়াৰ পৰা অসমৰ বিহুত আগৰ সেই উন্মাদনাই থাকিবনে? কেৱল বিহুৱে নহয়, অসমৰ সকলো উৎসৱেই এতিয়া উকা। অসমবাসী আজি আধৰুৱা।

জুবিন দাই গাইছিল, 'ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন'। সঁচাকৈয়ে, অনুৰাধা শৰ্মা পূজাৰী বাইদেৱে কোৱাৰ দৰে জুবিন মানেই যেন এজাক ধুমুহা। অসমবাসীক গান, ছবিৰ দৰে অনেক সম্পদ উপহাৰ দি, প্ৰতিজন অসমীয়াৰ হৃদয় ভাঙি ধুমুহাৰ দৰেই তেওঁ গ'লগৈ। কেৱল অসমৰে নহয়, সমগ্ৰ ভাৰতবৰ্ষৰে ক্ষতি জুবিন গাৰ্গৰ এই অকাল মৃত্যু। জুবিনৰ গীতেই আছিল তেওঁৰ অস্ত্ৰ,জীৱন। সেয়েহে সেই গীতৰ মাজেৰেই আমি তেওঁক সদায় অমৰ কৰি ৰাখিব লাগিব।

জুবিন দাই কোৱাৰ দৰেই তেওঁৰ যদি পুনৰজন্ম হয় তেওঁ পুনৰ জুবিন গাৰ্গ হৈয়ে জন্ম লওক, এই অসমভূমিতে জন্ম লওক। অসমখনক আকৌ জীপাল কৰি তোলক। অসমবাসীৰো ভগৱানৰ ওচৰত সেয়াই প্ৰাৰ্থনা।

জুবিন দা, হে প্ৰাণৰ শিল্পী
আহিবা...তুমি আকৌ আহিবা
অসমবাসী সদায় বৈ থাকিব তোমাৰ বাবে,
আকৌ তুমি গাবাহি....

"মায়াবিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি
ধৰা দিলা গোপনে আহি
হিয়াৰ কোণত..." ■

সহায়ক গ্ৰন্থ :
১)জুবিন গাৰ্গ গানৰ পৰা জীৱনলৈ,প্ৰথম প্ৰকাশ জানুৱাৰী ২০০৯।

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতত মানৱতাবোধ,দেশপ্ৰেম, সাম্যবাদ আৰু অন্যান্য দিশৰ নান্দনিক বৈচিত্ৰ্য

শ্ৰী কৰবী গগৈ
অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়



"আপোনালোকে মোক জীৱন শিল্পী বুলি কয়।
যদি প্ৰকৃততে মই জীৱন শিল্পী হওঁ
সেয়া ভগৱানৰ কৰুণাত নহয়,
জনতাৰ সৃজনী শক্তিতহে।"

অসমৰ সঙ্গীতৰ আকাশত সদায়েই জ্বিলিকি থকা এটি ধ্ৰুৱতৰা হৈছে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। এইগৰাকী বিশ্ববিশ্ৰুত শিল্পীয়ে সমাজ, সভ্যতা, সংস্কৃতি সকলোকে আকোঁৱালি লৈ বহুতো গীত ৰচনা কৰিছিল। তেখেতৰ গীত-সমূহত স্বদেশ প্ৰেম, মানৱতাবোধ, জীৱনৰ প্ৰতিচ্ছবি, মানুহৰ জীৱন সংগ্ৰাম, জনগোষ্ঠীয় একতা, প্ৰকৃতি প্ৰেম, ইতিহাস, ৰাজনীতি ইত্যাদি বিষয়সমূহ অনুৰণিত হয়। ভাৰতৰ সূৰ্য উঠা দেশৰ সুযোগ্য সন্তান, মাটিৰ মানুহ, অসমীয়াৰ হাড়ে-হিমজুৰে জাগি উঠা মায়াময় সুৰৰ এক অমিয়া কণ্ঠ হ'ল বিষ্ণুপ্ৰসাদ ৰাভাদেৱ। বিষ্ণুপ্ৰসাদ ৰাভা এক সামগ্ৰিক সত্তা, যি সত্তাই বৈচিত্ৰময় অসমক আৰু অসমীয়াৰ মানচিত্ৰখনকে উজ্জ্বল কৰি তুলিছিল। যি সত্তাই পাহাৰ-ভৈয়াম, জাতি-জনগোষ্ঠী নিৰ্বিশেষে সকলোকে অপূৰ্ব শব্দ চয়নেৰে, গীতৰ সুৰেৰে সমন্বয়ৰ এনাজৰীডাল কটকটীয়া কৰি চিৰযুগমীয়া কৰি ৰাখিলে। সৰ্বকালৰ শ্ৰেষ্ঠ সংগীত শিল্পী, জনতাৰ শিল্পী, বিপ্লৱী সত্তা, সৈনিক শিল্পী, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে কলা-সংস্কৃতিৰ মাজেৰে এখন সংগীতৰ জগত গঢ়িছিল।

বিষ্ণুপ্ৰসাদ ৰাভাই কৈছিল-

" 'শিল্পী' কথাষাৰ আজি কালি বৰ সহজ হৈ পৰিছে। কিন্তু শিল্পী হ'বলৈ হ'লে ঝঞ্জাবিজয়ী আত্মাৰ অধিকাৰী হ'ব লাগিব। প্ৰশান্ত মহাসাগৰত ডুব মাৰি অসংখ্য শামুক বুটলিব পৰা দুঃসাহস আৰু দুৰ্ব্বাৰ শক্তি থাকিলেহে আজি আৰ্ট'ৰ মুক্তা লাভ কৰা সম্ভৱ" এয়া আছিল বিপ্লৱী নৃত্য বিশাৰদ, সঙ্গীতজ্ঞ, সাহিত্যিক, চিত্ৰকৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ, খেলুৱৈ আৰু জনতাৰ শিল্পী কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাই এসময়ত মধ্য গুৱাহাটী বিহু সম্মিলনীত দিয়া ভাষণৰ একাংশ।

বহুমুখী প্ৰতিভা সম্পন্ন বিষ্ণু প্ৰসাদ ৰাভাৰ জন্ম হৈছিল সুদূৰ ঢাকাত- ১৯০৯ চনৰ ৩১ জানুৱাৰীত।

মানৱতাবাদৰ দৃষ্টিৰে বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতঃ

গণশিল্পী বিষ্ণু ৰাভাই সংগ্ৰাম কৰিছিল সমাজৰ দুৰ্গত জনৰ বাবে। তেওঁৰ অন্তৰাত্মাত প্ৰবাহিত হৈ আছিল এখন সাম্যবাদী সমাজ প্ৰতিষ্ঠাৰ সপোন। তেওঁৰ সপোন আছিল হালোৱা-হজুৱা, কৃষক-শ্ৰমিক, বনুৱা-মজদুৰ শ্ৰেণীক লৈ এখন নতুন সমাজ প্ৰতিষ্ঠা কৰা, য'ত মানুহৰ মাজত ধনী-দুখীয়া, উচ্চ-নীচ আদিৰ ভেদাভেদ নাথাকিব আৰু সকলোৱে সম-অধিকাৰৰ মাজেদি জীয়াই থাকিব পাৰিব। এই মহান গণ-শিল্পীগৰাকীয়ে ৰাইজকেই ৰজা পাতি, ৰাইজৰেই অধিকাৰ সাব্যস্ত কৰিবলৈ যি চিন্তা কৰিছিল, যি কৰ্ম কৰিছিল, সেয়াই মানৱপ্ৰেম আৰু দেশপ্ৰেমৰ উজ্জ্বল আদৰ্শ। দলিত জনৰ, নিঃকিন জনৰ সন্মান ঘূৰাই আনিবলৈ গীত-কবিতাৰ মাজেদি গণতান্ত্ৰিক আদৰ্শ ব্যক্ত কৰি- "
ৰাইজেই ৰজা মোৰ
প্ৰজায়েই ৰজা মোৰ
সুখেৰে পঞ্চায়তীৰাজ" —
বুলি সত্য আৰু ন্যায়ৰ পক্ষত থিয় দিছিল।

তেওঁৰ গীতৰ মহত্ত্ব, সুৰৰ লালিত্য আৰু শব্দৰ সংযোজন সঁচাই অতুলনীয়। ৰাভাৰ গীতত জন-জীৱনৰ দুখ-বেদনা, হতাশা-শোষণ আদিৰ চিত্ৰ সমুজ্জ্বল হৈ আছে। বিষ্ণু ৰাভাই ইংৰাজ শোষকৰ দাসত্বৰ পৰা মুক্তি বিচাৰি হালোৱা-হজুৱা, ডেকা-গাভৰুকে ধৰি শত-সহস্ৰজনক আকুল আহ্বান জনাইছিল-

"ভাঙ ভাঙ ভাঙ
লোহাৰ শিকলি ভাঙ
ছিঙ ছিঙ ছিঙ
দাসৰ বান্ধোন ছিঙ.."।

অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত বিষ্ণু ৰাভাৰ স্বকীয় কথা আৰু সুৰেৰে 'বিষ্ণু ৰাভা সংগীত'ৰ এটা সম্পূৰ্ণ ধাৰাৰ সৃষ্টি হ'ল।
মানুহৰ বাবে, শ্ৰমজীৱী জনতাৰ বাবে চিৰকাল সঁহাৰিৰ মাত দিয়া বিষ্ণুপ্ৰসাদ ৰাভাই সৃষ্টি কৰিছিল বিভিন্ন মানৱপ্ৰেম,দেশপ্ৰেমমূলক,সাম্যবাদী ভাৱধাৰাৰ চিৰযুগমীয়া গীত।

বিষ্ণু ৰাভাই জীৱন পৰিক্ৰমাত এখন নতুন ভাৰতবৰ্ষৰ বুকুত এখন প্ৰগতিশীল ঐক্যৱদ্ধ অসমৰ স্বপ্ন দেখিছিল নিপীড়িত-নিৰ্যাতিত কৃষক বনুৱাৰ অধিকাৰ সম্পন্ন এখন সমাজৰ। তেওঁৰ গীতৰ মাজত প্ৰকাশিত হয় মুক্তিকামী জনতাৰ অধিকাৰ সাব্যস্তৰ যাউতিযুগীয়া সুৰেৰে—
"বিপ্লৱী বীৰ অধিনায়ক হে'
দিয়া অগ্নিবাণী বিপ্লৱৰ
ভাঙা বন্দীশাল কোটি কালৰ

মুক্তি হওক নিৰ্যাতিতৰ।
তৱ দীপ্ত অনুৰাগে
নিদ্ৰা অচম্বিতে জাগে
জাগে জাগে
জাগে নিপীড়িত দল জগতৰ।।
তব শুভ আগমনে জ্বলে
ৰক্ত ভানু নৱ তালে
দোলে উৰি দোলে
ৰাঙলী পতাকা পীড়িতৰ
দলিতৰ।"

আন এটা গীতত কৃষক শক্তিক সজাগ কৰি প্ৰাপ্য অধিকাৰ বাহুৰ বলেৰে উভতাই আনিবলৈ ৰাভাদেৱে আহ্বান জনাইছে—

"ব'ল ব'ল ব'ল
কৃষক শক্তিৰ দল
অ' বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ ব'ল।
জাগ জাগ জাগ জাগ
মজদুৰ ন-জোৱান
নিৰ্যাতিত নিপীড়িত
কৃষক শক্তিমান!
তোৰ বাহুতে লুকাই আছে
অসীম শক্তিবল।
ৰণৰ শিঙা বাজে শুন ঐ
আগবাঢ়ি যাওঁ ব'ল।
কিহৰনো ভয়?
আছে অভয় বাণী দেৱতাৰ
শতৰু সউ চৌপাশে ৰয়।
ধনী জমিদাৰ
শোহে কলিজাৰ ৰঙা তেজ
প্ৰজা দুখীয়াৰ
ধ্বংস কৰ ধ্বংস কৰ
ধনীৰ অহংকাৰ।
দয়া-মায়া নকৰিবি
ক্ষমাৰ দিন যে গ'ল।
হাল কোৰ দা হাতুৰি লই
ৰণলৈ যাওঁ ব'ল।"

আন এটি গীতত নিৰ্যাতিত,দুখীয়া শ্ৰেণীৰ তেজ শুহি খোৱা ধনীক শ্ৰেণীটোক সাৰধানবাণী শুনাইছে এনেদৰে—

"দুখীয়াৰ কলিজা নিয়াৰি লৱ,
টুপি টুপি তেজ শুহি শুহি পিৱ,
ৰুকি ৰুকি মাংস চোবাই খাৱ,
কুৰুহি হাড় কেইডালো চোবাৱ!
হুঁচিয়াৰ হুঁচিয়াৰ!
ধনী মহাজন জমিদাৰ।
হুঁচিয়াৰ হুঁচিয়াৰ!
বিপ্লৱ পথৰে যাত্ৰী আমি
সৰ্বহাৰাৰ মুক্তিকামী
দৰ্প ধনীৰ আমি সংগ্ৰামী
চূৰ্ণ কৰিম— পণ আমাৰ
হুঁচিয়াৰ হুঁচিয়াৰ
ধনী মহাজন জমিদাৰ
হুঁচিয়াৰ হুঁচিয়াৰ!!
শেষ যুদ্ধৰ আমি ৰণুৱা
পৃথিৱীৰ হালোৱা বনুৱা
হ'ম বিজয়ী আমি দুখীয়া
ক'ত ৰবি ধনী এইবাৰ?
হুঁচিয়াৰ হুঁচিয়াৰ!
ধনী মহাজন জমিদাৰ
হুঁচিয়াৰ হুঁচিয়াৰ! "

ৰূপান্তৰৰ পথেদি আগবাঢ়ি দৰিদ্ৰ শোষিত শ্ৰেণীক শোষণৰ পৰা মুক্ত কৰাৰ বিপ্লৱতে ৰাভাই নিজৰ সৰ্ব্বস্ব ত্যাগ কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাক অসম উপত্যকাৰ সমগ্ৰ জাতিৰে প্ৰতিভূ আছিল বুলি ক'লে নিশ্চয় বঢ়াই কোৱা নহ'ব। তেওঁৰ গাত আছিল অসমৰ মাটিৰ গোন্ধ। অসমৰ গাঁও, পৰ্ব্বত-পাহাৰৰ লগত তেওঁৰ নিবিড় চিনাকি। কৃষক জীৱনৰ সংগী ৰাভাই যেতিয়াই কিবা সৃষ্টি কৰিছে, নাচেই হওক, গানেই হওক-তেওঁৰ লক্ষ্যস্থল আছিল অসমীয়া কৃষক সমাজ। কৃষকৰ প্ৰতি, শ্ৰমিকৰ প্ৰতি ৰাভাৰ উদ্দীপ্ত আহ্বান-

"তোৰ বাহুতে আছে লুকাই অসীম
শক্তি বল
ৰণৰ শিঙা বাজে শুন ঐ আগবাঢ়ি
যাওঁ ব'ল।
ধ্বংস কৰ ধ্বংস কৰ
ধনীৰ অহংকাৰ
দয়া-মায়া নকৰিবি
ক্ষমাৰ দিন যে গ'ল হাল-কোৰ, দা-
হাতুৰী লৈ ৰণলৈ যাওঁ ব'ল।"

প্ৰকৃতিৰ মাজেৰে প্ৰেম-বিৰহৰ ফল্গুধাৰা বোৱাই নিয়া বিষ্ণুৰাভাৰ গীতঃ

জনগণৰ বাবে গীত গোৱাৰ উপৰিও বিষ্ণুপ্ৰসাদ ৰাভাদেৱে প্ৰকৃতিৰ মাজেৰেও প্ৰেম-বিৰহৰ বৰ্ণনাৰে প্ৰাণ ঢালি বিভিন্ন গীত ৰচনা কৰিছিল।

"শুনা সেই গান
তোমাৰ হিয়াত যাৰ সুৰ
ঘুমটিত সপোন বিভোৰ
আজি জাগিব সেই সুৰ
শুনি গান ।
যি সুৰৰ মধু পৰশত
আখি মুদ খায় আৰশত
হিয়া বান্ধ খায় প্ৰণয়ত
প্ৰেম ৰসে ধুই আকুল পৰাণ।।
যি সুৰৰ মোহিনী গুণত
আহিব সৰগ সপোনত
নাচিব বহাগী তালে তালে
বুলাব ৰঙা জেতুকা ৰোল।
জোনায়ে বিলাব নিৰ্মলা
দুয়োৰে শিৰত দিব ঢালি
মেলিব প্ৰণয় শিকলি
আজি কান্দিব দুয়োকে সুৰ গান।।"

— তেওঁ প্ৰকৃতিৰ বৰ্ণনাৰে প্ৰেমৰ ৰস বোৱাই সমৃদ্ধ কৰিছিল প্ৰতিটো গীত।

"পৰজনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা ।
পুৰাবানে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা "

এই জনমত মিলন নোহোৱা প্ৰেয়সীৰ সৈতে অহা জনমত মিলন হোৱাৰ কামনা কৰি অন্তৰৰ বেদনাৰে পৰজন্মত মনৰ আশা পূৰ কৰিবনে বুলি ৰাভাদেৱৰ মন সন্দিহান হৈছে।

"মোৰ কবিতাৰ ছন্দ লাগি
স্পন্দন তোৰ জাগে নে?
কথা মালিকাৰ গন্ধ লাগি
সোণৰ সপোন ভাগে নে ?
নাচে তৰা ছন্দে ছন্দে
বিশ্বভৰা মহানন্দে
সেই উলহতে হৰষ লাগি
হিয়াত নাচোন উঠে নে?
ৰন্ধ্ৰে ৰন্ধ্ৰে তুলি সুৰ
বাজে মন বাঁহী মোৰ
সেই সুৰতেই শাঁত কৰি লৈ
পৰিবনে হিয়া জুৰ !"

—প্ৰকৃতিৰ উপমাৰে প্ৰেমৰ সৌন্দৰ্যই ৰাভাৰ গীতক অন্য মাত্ৰা প্ৰদান কৰিছে।

"লগন উকলি গ'ল
তেও যে নহ'ল কোৱা,
মনৰ কথাটি মোৰ
হিয়াৰ গুপুতে থোৱা ।
কিমান হেঙুলি উষা
কিমান জোনালি নিশা
মিছাতেই গ'ল মোৰ
কিমান গধূলি পুৱা।"

— সাঁচোতে সাঁচোতে মনৰ কথাবোৰ হিয়াৰ মাজত বৈ যোৱাৰ ক্ষোভবোৰো গীতৰ মাজেৰে প্ৰকাশ পাইছে মৃদু কোমল সুৰেৰে ।

"বিলতে হালিছে ধুনীয়া পদুমী
ফুলনিত ফুলিছে ফুল
সেই ফুলে ফুলে পখিলাই চুমিছে
সানিছে ৰেণুৰে বোল ||
ফুলৰ ডালতে গাইছে কুলিয়ে
কুউ কুউ কই |
দূৰ দূৰণিতে জুৰিটি নাচিছে
তিৰ বিৰ তিৰ বিৰ কই
নিজান বননিতে কেতেকী চৰায়ে
সুহুৰি মাৰিছে ৰ'ই |"

— ৰাভাদেৱৰ গীতত বিলৰ পদুম, বনৰ বিংহগইও মুক্তমনে গীত জুৰিছে।

"উলাহেৰে নাচি বাগি
হ'লি বিয়াকুল
তালে তালে হালি জালি
কৰিলি আকুল ।
গালতে তই বোলোৱালি
সেন্দুৰীয়া বোল
কাণতে তই আঁৰি ল'লি
সোণোৱালি দুল
খোপাতে তই গুজি ল'লি
ৰূপৰ কপৌ ফুল
ছেঁৱে ছেঁৱে হালি জালি
কৰিলি আকুল
কৰিলি বিভোল ||"

“নাহৰ ফুলে নুশুৱায়
তগৰ ফুলে শুৱাব ।
তগৰ ফুলে নুশুৱায়
কপৌ ফুলে শুৱাব ।
কপৌ ফুলে নুশুৱায়
(যদি) ঘিলা খোপাতে তোৰ,
হিয়া ফুল পাৰি দিম
(গুজি) খোপাতে তোৰ”।

— নাহৰ,তগৰ,কপৌৰে শুৱনি কৰি প্ৰেয়সীক সজাবলৈ কৰা প্ৰয়াস ৰাভাৰ গীতত সুন্দৰৰূপে প্ৰকাশিত হৈছে।

ৰাভাদেৱৰ গীতত ‘কুৰুৱা বতাহৰ’ পৰা ‘কঁহুৱা বনলৈ’, ‘মোৰ জীৱনৰ আকাশতে ইন্দ্ৰধনু গঢ়িম’ ৰ পৰা ‘লুইতৰ পাৰৰে ৰূপহী কুঁৱৰী’ লৈকে বিভিন্ন গীতেৰে নিজৰ কণ্ঠ, কথা,সুৰ তথা গীতি শৈলীৰে গীত পৰিৱেশন কৰি ৰাভাদেৱে হাজাৰ হাজাৰ জনতাক আপ্লুত কৰি হৃদয়ত আসন লৈছিল। এনে এজন মহান শিল্পীৰ সৃষ্টিয়ে অসমীয়া সংগীতক উচ্চ শিখৰলৈ উন্নীত কৰিলে।

তেখেতৰ গীতবোৰ বিষয়হীন কল্পনা নহয়, প্ৰতিটো গীতৰ মাজতে আছে একো একোটা বাৰ্তা। ৰাভাদেৱৰ সৰহভাগ গীতেই দেশপ্ৰেম আৰু বৈপ্লৱিক চেতনাৰ ফল্গুধাৰা বোৱাই আনিছে। ওপজা মাটিৰ পৰা বিশ্বখনৰ য'লৈকে ৰাভাদেৱ গৈছিল, তাৰেই আকাশ বতাহ, সমাজ সকলোকে আঁকোৱালি লৈ গীত ৰচি গৈছিল। তেওঁৰ গীতসমূহত দেশ-জাতিৰ মানুহক ভালপোৱাৰ কথা, সাম্যবাদৰ কথা,প্ৰেমৰ কথা— প্ৰকাশ পাইছে।

বিষ্ণুৰাভাৰ গীতত অসমৰ সমাজ জীৱনৰ সেইসকল ব্যক্তিৰ গুণ গৰিমা গোৱা হৈছে, যাক বাদ দি এই পৱিত্ৰ অসমভূমিৰ নক্সা আঁকিব নোৱাৰি। শংকৰদেৱক কেৱল শংকৰী যুগৰে নহয়, অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষ হিচাপে গণ্য কৰা হয়। সেয়ে গীতৰ আৰম্ভণিতে মহাপুৰুষজনাৰ নামেই লোৱা হৈছে। অসমত শংকৰদেৱৰ জন্ম নোহোৱা হ'লে হয়তো অসমৰ প্ৰতিচ্ছবিখনেই বেলেগ হ'লহেঁতেন। অসমীয়া জাতি আজি কিমান পিছ পৰি থাকিলহেঁতেন সেয়া ভাবি তল পাব নোৱাৰি। ৰাভাদেৱে তেওঁৰ চিত্ৰবিদ্যাৰে শংকৰদেৱৰ এখনি চিত্ৰ আঁকি এটি ভটিমাৰে তেওঁক শ্ৰদ্ধা জনাইছিল—

“জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম
তোহাৰি চৰণক ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম।”

তেওঁৰ গীতত শংকৰদেৱৰ গুণানুকীৰ্তন কৰিছে এইদৰে—
“গুৰু মোৰ শংকৰ
অ' গুৰু মোৰ শংকৰ
তৰিবৰে কিনো উপায়?
অ' গুৰু মোৰ শংকৰ
তৰিবৰে কিনো উপায়?
অ' গুৰু অ'
ভাটিলৈ যাবলৈ শ্ৰীশংকৰ গুৰু অ'
বালিতে বান্ধিলা পঁজা হে ৰাম ৰাম
বালিতে বান্ধিলা পঁজা।”

অসমৰ অজ্ঞান আন্ধাৰ দূৰ কৰিবলৈ জ্বলি থকা বন্তি গছিত তেল-শলিতা হৈ ৰাভাই উজ্জ্বলাই ৰাখিছে। ৰাভাৰ সৃষ্টিৰ গীতসমূহত শব্দৰ গাঁঠনি অতি সুন্দৰ, ভাবপূৰ্ণ, মধুৰ ভাষা, আশাপূৰ্ণ দৃষ্টি আৰু সুকোমল কণ্ঠৰ সুৰে আত্মা জয় কৰিব পৰা শক্তিৰ।

ৰাভাৰ গীতত দেশপ্ৰেমৰ সৌন্দৰ্যঃ

জন্মভূমিৰ প্ৰতি থকা অগাধ প্ৰেম তথা অসম মাতৃক বিশ্ব দৰবাৰলৈ লৈ যোৱা এইজনা ব্যক্তিৰ ভালেসংখ্যক গীতত দেশপ্ৰেমৰ ছবি ফুটি উঠিছে।

সমাজৰ সকলো শ্ৰেণীৰ, সকলো জাতিৰ মানুহৰ বাবে গীত গোৱা ৰাভাদেৱৰ জন্মভূমিৰ প্ৰতি আছিল অপৰিসীম শ্ৰদ্ধা। মানুহৰ মাজত একতাৰ বান্ধোন দৃঢ় কৰাৰ প্ৰচেষ্টাৰে মানুহে মানুহৰ বাবে অলপ হ'লেও চিন্তা কৰাৰ মানসেৰে

তেওঁ গীতসমূহ ৰচিছিল। ফলত স্বদেশানুৰাগৰ ছবিখনি তেখেতৰ গীতৰ মাজেৰে জিলিকি উঠিছিল। গীতিকাৰ, সুৰকাৰ, সংগীতশিল্পী ৰাভাদেৰৰ জন্মভূমিৰ প্ৰতি আছিল অপৰিসীম শ্ৰদ্ধা। অসমী আইৰ চেনেহৰ জী জয়মতীক উপস্থাপন কৰি— 'জয়া নাই,জয়া নাই' গীতটি ৰচনা কৰিছিল ।

'অ',অসমীয়া ডেকাদল ', 'নিচলা আইৰে' আদি ৰাভাৰ দেশপ্ৰেমমূলক গীত।

দেশৰ অন্যায়, হিংসা, শোষণ আদি দেখি ৰাভা যেন জ্বলি উঠিছিল। জনতাৰ কোলাহল দেখি এই অত্যাচাৰী দমনকাৰীসকলৰ বিৰুদ্ধে থিয় হৈ আশাবাদৰ পোষকতা কৰি নতুন এখন দেশ গঢ়াৰ চেষ্টাৰ ছবি ফুটি উঠিছে।দেশৰ মঙ্গলৰ স্বাৰ্থত দুই শ্ৰেণীৰ মানুহক পাঠাৰ লগত তুলনা কৰি,সেইসকলক বলি দিবলৈ কুণ্ঠাবোধ নকৰাকৈ তেওঁ কৈছিল

— "ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি সাদা
ৰাজ্যেৰ যদি মঙ্গল চাওঁ
দুইটি পাঠাই বলি দাওঁ।।"

জনতাৰ শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাঃ

ৰাভাদেৱৰ গীতে কেৱল অসমীয়াকে নহয়, বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকৰ হৃদয়ো দখল কৰিছিল। তেখেতৰ চিন্তা আৰু দৃষ্টি আছিল বিশ্বমুখী, বিশ্ব মানৱতামুখী। বিষ্ণু ৰাভা আছিল মানুহৰ শিল্পী। পৃথিৱীখন, বিশেষকৈ জন্মভূমি অসমখন তেওঁৰ শিল্পক্ষেত্ৰ আছিল। অসমৰ মাটি-পানী, গ্ৰাম্য জীৱন আৰু গ্ৰাম্য লোক-সংস্কৃতিৰ প্ৰতি তেওঁৰ আছিল সুগভীৰ শ্ৰদ্ধা, মৰম আৰু অকৃত্ৰিম ভালপোৱা। সেয়ে তেওঁ অতি কম সময়তে জনসাধাৰণৰ হিয়াৰ আমঠু হ'ব পাৰিছিল তেওঁ কৈছিল- "মানুহে মোক শিল্পী বুলি কয়, যদি মই শিল্পী হওঁ, বিধাতাৰ আশীৰ্বাদত শিল্পী হোৱা নাই, ৰাইজৰ আশীৰ্বাদততে মই শিল্পী হৈছোঁ।" জীৱনৰ শেষ মুহূৰ্তলৈকে সংগীতৰ সাধনা কৰাৰ মাজেৰেই মৃত্যুক সঁচা বুলি জ্ঞান কৰা ৰাভাদেৱৰ অমৰ কাপৰ পৰা নিগৰি ওলোৱা তলৰ গীতটি অসমৰ সংগীত জগতৰ এক অবিস্মৰণীয় গীত-

"এয়ে মোৰ শেষ গান মোৰ জীৱন নাটৰ শেষ ৰাগিনী কল্যাণ খৰমান।"

— তেওঁৰ মৃত্যুৰে অসমৰ সংগীত জগতখন এক পলকৰ বাবে স্তব্ধ হৈ যোৱাকৈ কল্যাণ খৰমানেই পেলাইছিল।

পৰজনমৰ শুভলগনত লগ পোৱাৰ আশাৰে,বৈপ্লৱিক চেতনাৰে পৰিৱৰ্তনৰ বাটে-বাটে বুৰঞ্জী কঢ়িয়াই বাট - ঘাট, নদ-নদী, পৰ্বত- পাহাৰ পাৰ হৈ অসমীয়া সাহিত্য জগতৰ এক উজ্জ্বল জ্যোতিষ্ক হৈ আকাশখন পোহৰাই তোলা এটি নামেই আছিল- কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। সংগীত জগতখনলৈ ৰাভাদেৱে আগবঢ়োৱা অৱদানক জীয়াই ৰখাৰ প্ৰয়াসেৰে চিৰউজ্জ্বল মনিষীগৰাকীৰ গীতসমূহ চৰ্চা কৰি থকাটো প্ৰত্যেকজন অসমীয়াৰ দায়িত্ব আৰু কৰ্তব্য। কোনো স্বৰলিপিৰ সাধ্য নাই একোটা গীতক জীয়াই ৰখাৰ। জীয়াই ৰাখিব গীতৰ প্ৰাসংগিকতাই, জীয়াই থাকিব মানুহৰ কণ্ঠই কণ্ঠই।সাধনা কৰি লাগিব আমি,সাধনা কৰিব লাগিব নতুন প্ৰজন্মই।

"যাউতি যুগীয়া বৰগীত অমিয়া
বনগীত সুৰীয়া বনগীত সুৰীয়া অ'
গোৱা অসমীয়া প্ৰাণ মন ভৰি
পূজাৰী অ' সুন্দৰ পূজাৰী অ'...."

ৰাভাদেৱৰ গান প্ৰত্যেকজন অসমীয়াই বুকুত কঢ়িয়াই লৈ ফুৰা আস্থা,বিশ্বাসৰ গান হওক,সুন্দৰৰ সাধনা হওক। বিশ্বদৰবাৰত জিলিকি ৰওক অমিয়া মধুৰ সুৰত,শুৱলা-সুৰীয়াক। ■

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫



“অসম চাহ: গৌৰৱৰ পৰা সংকটলৈ যাত্ৰা”

শ্ৰী জিন্টু দিহিঙীয়া
ছাত্ৰ, গণিত বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

অসম চাহ বিশ্বজুৰি পৰিচিত। “অসম চাহ” নামটো আজিৰ দিনত বৈশ্বিক বাজাৰত এক গৰ্বৰ নাম। এই শিল্পৰ সৈতে জড়িত লক্ষাধিক শ্ৰমিক, চাহ চাষী আৰু স্থানীয় ব্যৱসায়ী। কিন্তু বৰ্তমান এই গৌৰৱজনক শিল্পখন বহুমুখী সংকটৰ সন্মুখীন হৈছে। পৰিৱেশ পৰিৱৰ্তন, অৰ্থনৈতিক চেলেঞ্জ আৰু বৈদেশিক আমদানীয়ে একেদৰে এই ক্ষেত্ৰখনত গভীৰ প্ৰভাৱ পেলাইছে।

পৰিৱেশ পৰিৱৰ্তনৰ প্ৰভাৱ-

বিগত কেইবছৰ ধৰি অসমৰ চাহ বাগিচাসমূহে পৰিৱেশ পৰিৱৰ্তনৰ ভয়ানক প্ৰভাৱ ভুগি আছে। বৰষুণৰ ধৰণ সম্পূৰ্ণ ৰূপে পৰিৱৰ্তিত হৈছে। আগতে যি সময়ত বৰষুণ হ’ত সেই সময়ত বৰষুণ নোহোৱা আৰু খৰাং দেখা দিছে। পুনৰ অতিৰিক্ত বৰষুণে মাটিৰ গুণমান হ্ৰাস কৰিছে। লগতে, দিনকে দিনে উষ্ণতাৰ স্তৰ বৃদ্ধি হোৱাৰ ফলত গছৰ পাত শুকাই পৰিছে আৰু উৎপাদনৰ গুণগত মান কমি আহিছে। নতুন নতুন পোকামাকড়ৰ আক্ৰমণ চাষীক অধিক চিন্তিত কৰি তুলিছে।

অৰ্থনৈতিক সংকট-

চাহ শিল্পত উৎপাদন ব্যয় বহুগুণে বৃদ্ধি পাইছে। শ্ৰমিকৰ মজুৰি, সাৰ, কীটনাশক, বিদ্যুৎ আৰু যন্ত্ৰপাতি— সকলোতে ব্যয় বৃদ্ধি পোৱাৰ ফলত কৃষকে উৎপাদন অব্যাহত ৰাখিবলৈ বিপদত পৰিছে। কিন্তু এই ব্যয় বৃদ্ধিৰ সঙ্গতিপূৰ্ণভাৱে মুনাফা বৃদ্ধি হোৱা নাই। ফলত বহু চাহ বাগিচা আৰ্থিক সংকটত পৰিছে আৰু ক্ষুদ্ৰ চাষীৰ অবস্থা ততোধিক শোচনীয় হৈ পৰিছে।

বৈদেশিক আমদানীৰ হুমকি-

অসমৰ চাহৰ বাবে আন এটা গুৰুত্বপূৰ্ণ হুমকি হৈছে বৈদেশিক আমদানী। কেনিয়াৰ পৰা চাহ আমদানী ৪৫% বৃদ্ধি পাইছে। নিম্নমানৰ এই চাহক স্থানীয় অসমৰ প্ৰিমিয়াম চাহৰ সৈতে মিহলি কৰা হোৱাৰ অভিযোগ উঠিছে। ইয়াৰ ফলত অসম চাহৰ ব্ৰেণ্ড ইমেজ ক্ষুণ্ণ হোৱাৰ সম্ভাৱনা দেখা দিছে। বিশ্ববাজাৰত অসম চাহৰ প্ৰতিযোগিতামূলক স্থান হ্ৰাস পালে, স্থানীয় উৎপাদকসকলে অধিক ক্ষতিগ্ৰস্ত হ'ব।

সামাজিক প্ৰভাৱ-

চাহ শিল্পৰ সৈতে জড়িত আছে প্ৰায় ১০ লাখ শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়াল। এই শিল্প যদি সংকটত পৰে, তেন্তে লক্ষাধিক পৰিয়ালৰ জীৱন-জীৱিকা বিপন্ন হ'ব। শিক্ষা, স্বাস্থ্য আৰু সমাজৰ সামগ্ৰিক উন্নয়নত এই সংকট সোজাকৈ প্ৰভাৱ পেলাব। বিশেষকৈ চাহ বাগিচা শ্ৰমিকসকলৰ বাবে এই পৰিস্থিতি এক গভীৰ অনিশ্চয়তাৰ সঙ্কেত।

আগলৈ কি কৰিব লাগিব?

অসম চাহ শিল্প ৰক্ষা কৰিবলৈ একাধিক পদক্ষেপ গ্ৰহণ কৰা জৰুৰী। পৰিৱেশ-সহায়ক কৃষি ব্যৱস্থা (sustainable practices) অবলম্বন কৰি চাহ গছক অধিক সহনশীল কৰি তোলা উচিত। উন্নত প্ৰজাতিৰ চাহ গছ আৰু জৈৱ কৃষি ব্যৱস্থাৰ ব্যৱহাৰ বৃদ্ধি কৰিব লাগিব। চৰকাৰে আমদানীৰ ওপৰত কড়া নিয়ন্ত্ৰণ আৰোপ কৰি স্থানীয় উৎপাদকক সুৰক্ষা প্ৰদান কৰিব লাগিব। লগতে, বিশ্ববাজাৰত "অসম চাহ" ব্ৰেণ্ডৰ স্বকীয়তা বজাই ৰাখিবলৈ প্ৰচাৰ আৰু সুৰক্ষা দুয়োটা নিশ্চিত হ'ব লাগিব।

উপসংহাৰ-

অসমৰ গৌৰৱজনক চাহ শিল্প যদি এই সংকটৰ পৰা উদ্ধাৰ নকৰা যায়, তেন্তে ই কেৱল অৰ্থনীতিতেই নহয়, সংস্কৃতি আৰু পৰিচয়তো এক গভীৰ আঘাত হ'ব। সঠিক সময়ত সঠিক পদক্ষেপ গ্ৰহণ কৰিলে এই শিল্প পুনৰ জীৱন লাভ কৰিব পাৰে। নতুবা বিশ্বজুৰি খ্যাতি লাভ কৰা "অসম চাহ" নামটো কেৱল এটা স্মৃতি হৈ থাকিব। ■

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

ভূপেন হাজৰিকাৰ

– গীতত প্ৰেমৰ প্ৰতিফলন

জিন্টু গোহাঁই

প্ৰেমে জগত ধুনীয়া কৰে। ভূপেন হাজৰিকাৰ গীতত প্ৰতিফলিত হৈছে প্ৰেমৰ অনন্ত:সলিলা ফল্গুধাৰাৰ। কেতিয়াবা তেওঁৰ বাবে প্ৰেম হৈ পৰিছে অনন্ত সৃষ্টিৰ উৎস। আকৌ কেতিয়াবা হৈ পৰিছে যুগজোৰা বিষাদৰ হুমুনিয়াহ। বিশ্বপ্ৰেমৰ আঁত ধৰি তেওঁ জীৱন প্ৰেমৰ বঠা মেলিছিল যদিও যৌৱনৰ বলিয়া বাই আহি মূহুৰ্তে মূহুৰ্তে থকা সৰকা কৰিছিল তেওঁৰ অনুভৱক আৰু তাৰ ফলতেই আমি হলো কিছুমান যুগজয়ী গীতৰ। প্ৰেম আৰু প্ৰেমৰ স্মৃতিৰে পৰিপূৰ্ণ তেওঁৰ হৃদয়ৰ মণিকোঠা। কহুৱা কোমল তেওঁৰ অশান্ত মনক মুকুতা যেন অমূল্য সময় নষ্ট নকৰি আলফুল হাতেৰে আকোৱালি ল'বলৈ গীতিকাৰে প্ৰিয়াক অনুৰোধ কৰিছে। পুৱতি নিশাৰ সপোন হেনো ফলিয়ায়, কিন্তু চঞ্চল কোলাহলে ঘূমতি ভঙা বাবে সকলো দেখিও সেই বিশেষ ক্ষণটিয়ে যেন তেওঁ নেদেখিলে। হ'লেও গীতিকাৰে নিজৰ মনটোক পতিয়ন নিয়াব বিচাৰিছে এনেদৰে-

বলিয়া মন মোৰ কিয় উচাতন
কালিৰ সূৰুযে আনি দিব পুৱটি।

দুখ, খং, ক্ষোভ, আক্ষেপ-- এই সকলোবোৰ আছে যদিও হতাশা নাই। সেইবাবে তেওঁ কোনোদিনে হতাশাৰে ভৰা নেতিবাচক গীত লিখা নাই, চিপজৰী লোৱাৰ গীত লিখা নাই তথা পোৱা নাই।বৰং তেখেতে লিখিছে -

জীয়াই থাকি এখন সমাজ
গঢ়িবৰ মোৰ মন আছে
য'ত সোণতকৈ মানুহৰ দাম
অলপ হ'লেও বেছি

যৌৱনৰ ঢল অহাৰ লগে লগে প্ৰেমে বহুতকে শিহৰিত কৰে তথা প্ৰভাৱিত কৰে।

কিন্তু তেখেতক প্ৰেমে শিহৰিত আৰু প্ৰভাৱিত কৰা নাছিল। তেখেতে ভিক্ষাৰ পাত্ৰ হৈ কাৰো ওচৰত প্ৰেম বিচাৰি হাবাথুৰি খোৱা নাছিল, লগতে কাকো মনত আঘাত দিয়া নাছিল। সেয়েহে তেওঁ লুক ধাক নকৰাকৈ লিখিছে

সুউচ্চ পাহাৰৰ শৃংগলৈ উঠা
মই এক প্ৰেমিক অশ্বাৰোহী।
দূৰন্ত অশ্বৰ পদধ্বনিত
উন্মাদ হোৱা এক চিৰ বিদ্ৰোহী।

এনেদৰেই ভূপেন হাজৰিকাৰ গীতত প্ৰতিফলিত হৈছে প্ৰেম। প্ৰেম এক বিশেষ অনুভূতি আৰু আৱেগকেন্দ্ৰিক অভিজ্ঞতা য'ত আত্মাৰ প্ৰতি আত্মাৰ আকৰ্ষণ থাকে আৰু সেই অনুভূতি তেওঁ গীতৰ মাজেদি প্ৰকাশ কৰিছে। ■

প্ৰথমবাৰৰ বাবে মহিলা ক্ৰিকেট বিশ্বকাপ জয় কৰা ভাৰতীয় মহিলা ক্ৰিকেট দললৈ আন্তৰিক অভিনন্দন,
ফটোৰ উৎস- ষ্টাৰ স্পৰ্টছ

নীলাখামৰ চিঠি

মৰমৰ,

নিয়ৰ। উকা কাগজ খন বুকুত খামোচ মাৰি ধৰি হৃদয়ৰ নিজান কোণত থকা আৱেগ নামৰ নৈখনৰ পৰা তোমালৈ বৈ আহিছে ভালপোৱাৰ এমুঠি অনুভূতি। সেই অনুভূতি এতিয়া মোৰ মন গহ্বৰত থিতাপি লৈ ভালপোৱাৰ আলিংগনেৰে মোৰ বুকুৰ স্পন্দনত তোমাৰ স্থায়ী ঠিকনা বিচাৰিছে। উকা কাগজ খন হাতৰ মুঠিত খামুচি লৈ মোৰ হৃদয়ৰ বাগিছাত ফুলিছে এতিয়া তোমালৈ সহস্ৰাধিক আৱেগৰ ঢৌ। সেই আৱেগৰ ঢৌ মোৰ হাতৰ আঙুলিত তিৰ্-বিৰাই উকা কাগজ খন নীলাৰ আলিংগনেৰে শব্দৰ ফুল গাঁথাৰ আপ্ৰাণ চেষ্টা চলাইছে। মোৰ চৌপাশে আজি শৰতৰ সন্ধিয়াৰ সুবাস। সেই সুবাসত তোমাৰ অনুভৱে মোৰ মন আজি বৰকৈ অশান্ত কৰিছে। বাহিৰত বৰষুণৰ প্ৰত্যেকটো টোপালে তোমাৰ সুবাসৰ কথা কৈ মোৰ দেহ-মন আজি চঞ্চল কৰিছে। ভালপোৱাৰ এই অনামী অনুভৱ বুকুলৈ নামি আহি তোমাতেই জী উঠিছে, তোমাতেই প্ৰাণ পাইছে।

ভাল পোৱা নো কি? ভালপোৱাৰ নিৰ্দিষ্ট সংজ্ঞা নো কি? তুমি যদি মোক সোধা,এই প্ৰশ্নৰ উত্তৰ মোৰ ওচৰত এতিয়াও নাই। তোমাৰ প্ৰতি মোৰ এই ন-কৈ কুঁহি মেলা অনুভৱক সংজ্ঞায়িত কৰিব পৰাকৈ শব্দবোৰেও দেখোন বাট হেৰুৱায়। চাহেবপুৰাৰ বৰষুণত সিদিনা পঢ়িছিলোঁ, "প্ৰেমে সদায় অংক ভুল কৰে, কিন্তু কবিতা ভাল লেখে, জ্যামিতিৰ বাহু নিমিলে, কিন্তু তাৰ ওপৰতে এটা ঘৰ সাজে,এই একো নজনাকৈ, ভুল কৰি, অনিয়ম কৰি, নিবিচৰাকৈ যেতিয়া ভাল লাগে, সেয়াই প্ৰেম"। তোমাৰ প্ৰতি মোৰ বুকুত প্ৰাণ পাই উঠা ভালপোৱাও ঠিক এনেকুৱাই। একো নজনাকৈয়ে, নিবিচৰাকৈয়ে ভালপোৱা নামৰ এই অবুজ সাঁথৰ সাঁথৰ লগা যেন অনুভৱ মোৰ সত্ত্বাত জী উঠিল। মোৰ উশাহ, মোৰ প্ৰতিটো স্পন্দন এতিয়া তোমাৰ নামত।

শুনা ..... নাহৰৰ দেশত সেইদিনা তোমাক প্ৰথম দেখিছিলোঁ। এক অবুজ অনুভৱে চাৰিওফালে বাট আগুচি ধৰিছিল। শুই থকা নতুন অনুভৱে মোৰ হৃদয় দুৱাৰত জোৰকৈ টোকৰ মাৰিছিল। এই সুকীয়া অনুভৱটোৰ সৈতে মোৰ বিবেকৰ অঘোষিত ৰণ চলিছিল। বিবেকৰ সৈতে যুঁজ কৰি মোৰ মনৰ অনুভৱ জয়ী হৈছিল। নিতাল মাৰি শুই থকা ভালপোৱাৰ বতাহ জাক বলিয়া হৈছিল সেইদিনা। প্ৰতিটো পল, প্ৰতিটো অনুপলত তোমাৰ ঠিকনা বিচাৰিছিলোঁ। তোমাৰ পৰশত, তোমাৰ স্পৰ্শত প্ৰাণ পাই উঠা নাহৰ দেশৰ প্ৰতিটো বাটে মোক তোমাৰ সন্ধান দিছিল। নাজানো ,এই অনুভৱ কেতিয়া চিৰযুগমীয়া হৈ মোক মোৰ পৰা লৈ গৈছিল তোমাৰ ওচৰলৈ।

বাৰু, এয়া বাদ। জানো, তোমাৰ হৃদয়ত এতিয়া অনেক ভাৱৰ বুৰ-বুৰণি। হাজাৰ প্ৰশ্নই তোমাক মোৰ দৰেই বিব্ৰত কৰিছে। ধুৰলি-কুঁৱলীকৈ দেখা এটা চাৱনিয়ে আনিব পাৰে নে হৃদয়লৈ ভালপোৱাৰ জোঁৱাৰ? এষাৰি মাতে জগাই তুলিব পাৰে নে ভাল পোৱাৰ স্নেহানুভূতি? এই হাজাৰ প্ৰশ্নই মোক বাধা দিছিল। মোৰ অনুভৱৰ অভিব্যক্তি কৰিবলৈ বাৰে বাৰে মই থমকি ৰৈছিলোঁ তোমাৰ আগত, নিজৰ আগত। এয়া জানো ভালপোৱা? মোৰ চঞ্চলময় যৌৱনত শিহৰণ তুলিব পৰাকৈ এয়া সঁচাকৈয়ে এক ভালপোৱা। মোৰ দেহ-মনত মলয়াৰ প্ৰশান্তিৰ বতাহ কঢ়িয়াই আনিব পৰাকৈ ই সঁচাই ভালপোৱা। মোৰ সপোন সাগৰত তোল পাৰ লগাই এই ঐকান্তিক অনুভৱ তোমালৈ বোৱাই আনিব পৰাকৈ সঁচাই ভালপোৱা। জানা,মাজনিশা মই বাৰে বাৰে সাৰ পাই উঠিছোঁ। যৌৱনৰ বলিয়া বানত তচ্-নচ্ হৈ তোমাক লৈ দেখা সেউজীয়া সপোনবোৰৰ সৈতে কবিতা লিখিবলৈ আৰম্ভ কৰিছোঁ। পাৰ ভঙা আৱেগবোৰক ভেটা দিব নোৱাৰি তোমাৰ সুবাসতেই বাৰে বাৰে জী উঠিছোঁ। উন্মাদ অনুভৱৰ বৰষুণজাকত তিতি বুৰি মোৰ অনেক নিদ্ৰাবিহীন ৰাতিতো সিঁচি দিব পাৰিছোঁ ভালপোৱাৰ এছাটি বতাহ। ভাল পোৱাৰ এই উমাল পৰশেই বাৰে বাৰে মোক লৈ গৈছে তোমাৰ ওচৰলৈ নি:শব্দে, নিস্তব্ধতাৰে।

এটা কথা তোমাক কোৱাই নাই। আজিকালি সমনীয়া বোৰে তোমাৰ নাম লৈ মোক বৰকৈ আমনি কৰে। তোমাৰ নামৰ মৃদু উচ্চাৰণত কৃষ্ণ চূড়াৰ ফুলৰ দৰে গাল তেজবুলীয়া হোৱা দেখি সিহঁতে খিল্-খিল্ কৈ হাঁহে। মই বাধা নিদিওঁ। এতিয়া মাথোঁ মই ৰৈ আছোঁ তোমালৈ। তোমাৰ উত্তৰলৈ।

সপোন বোৰ এদিন আমাৰ হ'ব। ভাল পোৱা বোৰো একান্তই আমাৰ হ'ব। ৰ'দোজ্বল পুৱা আহিবা এদিন। পাহাৰৰ দাঁতিত নতুবা নদীৰ পাৰৰ একান্ত নিৰ্জনতাত আমি এদিন লগ হম। আমাৰ ভাল পোৱা বোৰ ভগাই ল'ম।

শেষত, তুমিতো নাজানা এই প্ৰেয়সীৰ উপন্যাস কিমান প্ৰিয়! ভাল পোৱা বাক্য শাৰী তোমালৈ বুলি উনুকিয়াই যাওঁ, শুনা

"মই নাজানো এই অনন্ত যাত্ৰাৰ
শেষ ক্ষণটোৰ কথা,
তোমাৰ পিছত মই
নে মোৰ পিছত তুমি...
পৃথিৱীৰ বাবে মানুহ
নে মানুহৰ বাবে পৃথিৱী
এতিয়াই মোক উত্তৰ নালাগে
মোক মাথোঁ দি যোৱা তোমাৰ বিশ্বাস
সংকট কালত খামুচি ধৰিম তোমাক।"

দেখিছা নে শব্দবোৰ ক্ৰমাৎ অভিমানী হৈ পৰিছে। তোমাৰ বুকুৰ স্পন্দনত মোৰ উশাহৰ বাৰে বাৰে ঠিকনা বিচাৰিছে। শূণ্যতাৰ বুকুতো তোমাৰেই সন্ধান বিচাৰিছে। আজিলৈ সামৰোঁ। ভালে আছোঁ মই, ভালে থাকা তুমি।

প্ৰান্তত
তোমাৰ অনুভৱত সুবাসিত হৃদয় যাৰ
তোমাৰ অস্মিতা।

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

SCARLET DAYS

Smita Chakraborty,
PG 3rd semester, Department of English.

"Where are you all ? I have already reached. Come fast, you will miss the beautiful sunset in the heart of palasha and deodar…come soon…"

Whenever this spring eves, my heart goes back to him, his thoughts, our higher secondary days, my first love… The bastard teak is brimming with new buds, each of whom resemble the beaks of parrot chicklings.

The full bloom bastard teak or *palasha* tree within coming days will blossom itself in red adorns. Meghan, you know these scarlet blossoms this year are same back to when I had met you. How winsome yet outré our life is, isn't it! We intrigue it to be something, while it ends out like chalk and cheese. This school campus has not changed a bit. In the womb of deodar, the thriving red *palasha*, and pink and white bougainvillea make the campus in the spring an illusionary landscape. The cooking cuckoo, the smell of blooming jasmine and roses as well as the buds of mango pampered by the *bordoisila* makes me reminiscence all our old memories. How beautiful those days were isn't it ...

19th February, 2016 it was. It was the turn of our class for library duties. So, I was assigned for data management for a week. The library was not usually a crowded place, especially during the late February afternoon, when the bunch of students were either engaged in sports, or chitchatting after classes. The mid-days used to be warm compared to morning with cold breeze brewing since dusk. Our campus was fashioned in green carpet of all plants and trees bearing new leaves. Amongst the greens, some old and red leaves shown bright with the dwindling rays. The red bricks of the buildings shinned bright with the sun making its bed. Finishing all the upgradation task, basking in the noon sun, I eating my tangerine, when I saw a pile of books suddenly being stationed in my desk. Betwixt the books, a honey skin was sparkling in the fading hues of sun. An enthusiast pair of almond eyes were clemently peeping at me.

"No! only two books at a time." "Can I please burrow them all ? I will return them within this week." "You shall not finish them all in a week but if you please you can read them all here" *"Okay, fine."*, he said grumpily. And after that Meghan was the constant face for a week. He was a keen reader of biology and history books. He had a handsome face, and an athletic built. Though being in twelfth standard and a NEET aspirant, he was a sports savant too, especially engaging in basketball and athletics. We used to discuss historical fictions at times and in no time were acquaintances.

March came in full fervour and my life had its spring season too. Our institution wore the smell of fleshly bloomed jasmines, orchids, ironwoods and wax flowers. The red floors were embedded in fallen *palasha* and bougainvillea. Like the red *palasha,* my heart too was in full blossom. I never knew when but I had fallen for my senior Meghan. I had decided to gift him a painting of the library and the *palasha*tree near it and ask him out...

"Sahitya ! you are yet so punctual.", called out Achintya. Asha, his finance, Roy along with Shayari had accompanied him. We all were classmates in S.R.M residential school in Nameri during our HS days. It was our school reunion and we all were meeting each other after years. *"How fast we grew up isn't it?"*, Roy sighed. *"Time is that flowing stream which waits for none" "How are you Sahitya ? You have made a good name all over the state as a veterinary doctor"*, added Asha. *"No... its nothing of that sort. I just wanted to work for the those living beings who cannot voice out their miseries like us. Just a small step to make their make their life beautiful." "Do you still draw" "Not as usual as then but once in a week for sure."*

With our tittle-tattle, as we were moving towards our old classrooms, my eyes caught the topper's board. *Meghan Choudhury – 2016 (Science).* Meghan was the topper for the *year* 2016 and that very year had achieved a seat in a top medical institute of the country. "Sahitya, do you remember Meghan Dada, your first love? How deeply you armoured him secretly. You were so passionate that you even painted for him...", whispered Shayari. I kept mum. Inside a voice

echoed you still love him, Sahitya. How behind closed doors, I wished to see him. But he is nowhere... however the serene spring breeze flowing around was crying aloud, *I am always there by you!* All of us reached the auditorium decorated on the theme of seasons- Spring, Summer, Autumn and Winter. Almost all passing batches of last twenty years had gathered. The sky was starlit with humans but maybe the brightest of star was behind the clouds.

It was the summer of 2022. I was a trainee vet working in a civil hospital. Summer was typically warm with soaring temperatures. I was posted in Digha then. Despite the heating, the beaches were always crowded particularly by the couples. The dusk sky with the falling hues and rising tides was a sight to crave for ! The cascade of blue waves shown at moon light with warm June heat and scintillating sky was something at Digha that people gathered for. On one such eventide, when the moon had half shone in the purple sky, I was traipsing whimsically after my shift when I stumbled upon a wheel chair. A similar face was glaring in the wanning moon. But I could not believe my vision. *"Sahitya ! what a pleasant surprise." "Meghan dada, How are you?" "As good as before..."* And then the whole evening had passed with small talks about school days. These old days chatting made me remember that March of 2016 when I had completed the painting but could not give it to him, not for I lack courage but as he already had his lady luck. Heartbroken, I had thrown the canvas, but only to be procured by Shayari. She submitted it with my name in the inter-school exhibition where it had won the first prize. She later surprised me with the prize and then I had to spill the beans of my metaphorical disease.

Meghan dada had joined as the new resident doctor in our hospital. During one of the late-night shifts when there were few cases, while dining together, Meghan blew the gaff about his condition. He was the victim of ragging back in his graduating days. Since he had complaint about the ragging conditions of his hostel, the culprits were expelled when found proofs. As an act of revenge, on one evening while returning to the mess, he was pitifully run over by a speeding car. By prayers, he was alive but was paralysed for lifetime. The ones guilty were never caught because of their influential background. With great dedication and hard work, he had completed his MBBS.

Over days, our bond grew stronger. We went on beach strolling, late night walks, dinners and ice-cream treats whenever we had leisure time though it was unusual. Our hospital too like our school had *palasha* trees. We used to eat our lunches at the shadow of the orchard and gossip about our school days. On one such eve, I was sitting there alone waiting for him when I received a call from his friend that Meghan was hospitalised due to over strain. As I reached his cabin, I found him completing his practical dismissing all the concern of the nurses. Assuring the nurse, I volunteered to complete his turn of tasks. Though, he objected by I was not ready to listen and eventually he had to give in. Slowly our bond begun to grew stronger...

As our reunion proceedings were steady, came for the turn of speeches. It was the end of the ceremony. The last speech was by our vice-principal.

Dear Alumni, Faculty, and Friends,

As we bring this memorable reunion to a close, I am filled with a deep sense of gratitude and pride. Today has been a beautiful celebration of our shared history, the friendships that have stood the test of time, and the incredible journeys that each of you has embarked upon since leaving these halls.... Your stories of success, resilience, and growth are the true legacy of our

institution. It has been a joy to reconnect, reminisce, and reflect on the moments that have shaped us. As we part ways once again, I hope you carry with you the warmth and camaraderie of this gathering. May it serve as a reminder that no matter where life takes us, we are forever connected by the experiences we shared here. At the end, I request all to pray few minutes for the salvation of Meghan Choudhury, our topper from 2016 batch. Last December, he had left for his journey in heavenly abode. May his soul rests in peace.

The last words of the speech were a thunder stroke to many present there, especially to ones from 2016 and 2017 batches. But I was not shocked for I knew he and his memories always reside in my core. My friends seeing me has guessed that I knew everything and hence were more bewildered. "When did you know and what had happened? Sahitya please say to us", pleaded they...

It was the September of 2023. My and Meghan's bond had grown stronger. I had completed my MBBS and we had moved in the same condo. Though we formally never shared our enunciations, but our connection was not like before. Also, Meghan's condition has worsened from before due to working long shifts. He was to undergo an essential surgery but the survival chances were marginal. But I was all hopeful. That autumn was the most aesthetic and breathtaking one. From collecting *xewali* flowers to siting near the Durga idol to lighting Diwali diyas, we had the best time.

December 2023 was decided for Meghan's surgery. I had full hopes that Meghan's zeal for life and unuttered feelings for life would never bring him back. The *palasha* trees in the winter were naked with brown leaves lying all around. But was astonishing that only one leaf sticking to it as if it was abiding all the cold gust and drooping temperature. And one day the last leaf was broken off by the gust of storm...

"Do you still love him, Sahitya?", enquired Roy. I evaded it and went towards the library station near the *palasha* tree. Somewhere a voice echoed within myself

"I do and probably would always do. My love was not the like the scarlet days of life – sunny once and dark on the other day. Nor is it liking the scarlet blossoms of spring to be wiped by winter. My love was like that memory of scarlet palasha blossom that binds heart, that cheers mind, that reminds of good days, that motivates, that teaches to love..."

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

জুবিন গাৰ্গঃ আকাশলংঘী শিল্পসত্তা-ইউকেলিপ্টাছ শিখৰৰ পৰা বৈ অহা সৃষ্টিৰ ব্ৰহ্মপুত্ৰ......

সৃষ্টি গগৈ
ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়

"ইউকেলিপ্টাছ গছৰ দৰে ওখ হ'ব খোজো মই- এই বাক্যশাৰীয়ে জুবিন গাৰ্গ নামৰ শিল্পীজনৰ সমস্ত সৃষ্টিশীল সত্তাৰ এক চিৰন্তন আৰু অদম্য অভিলাষ দাঙি ধৰে। ইউকেলিপ্টাছৰ দৰে বিশাল উচ্চতা, স্থিৰতা আৰু সুদূৰপ্ৰসাৰী ব্যাপ্তি তেওঁৰ শিল্পসত্তাৰ প্ৰতিটো স্তৰতে নিহিত হৈ আছিল, যাৰ ফলস্বৰূপে তেওঁৰ সৃষ্টিকৰ্মসমূহ এক ব্ৰহ্মপুত্ৰৰ দৰেই গভীৰ আৰু প্ৰৱাহমান। জুবিন গাৰ্গ কেৱল এজন কণ্ঠশিল্পী নাছিল; তেওঁ আছিল অসমীয়া সাংস্কৃতিক পথাৰত বিদ্ৰোহ আৰু নৱজাগৰণৰ বীজ সিঁচি যোৱা এজন কৰ্মী, যাৰ প্ৰতিভাই এটা সম্পূৰ্ণ প্ৰজন্মক মোহিত কৰিছিল।

জুবিনৰ শিল্প-জীৱন আছিল এক বহুমুখী সাধনা। ১৯৯০-ৰ দশকৰ আৰম্ভণিতে তেওঁ যেতিয়া 'অনামিকা' বা 'মায়া'ৰ দৰে এলবামসমূহৰ জন্ম দিছিল, তেতিয়া তেওঁ অসমীয়া শ্ৰোতাৰ হৃদয়ত এটি নতুন সংগীত-সুৰৰ ব্ৰহ্মপুত্ৰৰ সৃষ্টি কৰিছিল। তেওঁৰ কণ্ঠত থকা ৰ'কৰ কঁপনি আৰু পপৰ চঞ্চলতাই পৰম্পৰাগত সুৰৰ স্থবিৰতাক ভাঙি পেলাইছিল। তেওঁৰ কণ্ঠস্বৰ আছিল এক যুগ-সন্ধিৰ প্ৰতিধ্বনি- য'ত একাধাৰে গভীৰ বিষাদ, যুৱকৰ প্ৰেমৰ উন্মাদনা আৰু এক সামাজিক চেতনাৰ তীক্ষ্ণতা বিৰাজ কৰিছিল। তেওঁৰ সৃষ্টিৰাজি আছিল সেই ইউকেলিপ্টাছ গছজোপাৰ দৰেই-যাৰ শিপা অসমৰ মাটিৰ গভীৰলৈকে সোমাই গৈছিল, কিন্তু ইয়াৰ ডাল-পাতে আকাশৰ বিশালতাক স্পৰ্শ কৰিছিল।

তেওঁৰ সৃষ্টিশীল উচ্চাকাংক্ষা কেৱল গীততে সীমাৱদ্ধ নাথাকিল; তেওঁ নিজৰ দৃষ্টি চলচ্চিত্ৰৰ দৃশ্যকাব্যলৈ প্ৰসাৰিত কৰিছিল। 'মিছন চাইনা' বা 'কাঞ্চনজংঘা'ৰ দৰে ছবিত তেওঁৰ পৰিচালনা আৰু প্ৰযোজনা আছিল এক সাংস্কৃতিক দুঃসাহস। তেওঁ সাহস কৰিছিল বৃহৎ বাজেট, মানসম্পন্ন প্ৰযুক্তি আৰু কাহিনীৰ গভীৰতাক লৈ কাম কৰিবলৈ, যাৰ জৰিয়তে অসমীয়া চলচ্চিত্ৰই আঞ্চলিকতাৰ কোঁহৰ পৰা ওলাই আহিছিল। ই আছিল তেওঁৰ ইউকেলিপ্টাছ সদৃশ প্ৰয়াস, যিয়ে নিজৰ সৃষ্টিৰ জৰিয়তে সাংস্কৃতিক উচ্চতা লাভ কৰিব বিচাৰিছিল।

বিদ্ৰোহৰ অগ্নিস্ফুলিংগ আৰু সমাজ-সচেতনতাৰ তৰংগ-

জুবিন গাৰ্গৰ এই আকাশলংঘী শিল্পসত্তাৰ আটাইতকৈ শক্তিশালী ভেটি আছিল তেওঁৰ বিপ্লৱী সত্তা। তেওঁৰ সুৰ আৰু কথা আছিল কেৱল মনোৰঞ্জনৰ আহিলা নহয়, ই আছিল সমাজত বিৰাজ কৰা ভণ্ডামি আৰু অন্যায়ৰ বিৰুদ্ধে এক তীক্ষ্ণ ব্যংগ। তেওঁৰ কণ্ঠস্বৰ কেৱল ৰোমাণ্টিক গীতৰ বাবেই নহয়, বৰঞ্চ গণ-আন্দোলনৰ ৰণহুংকাৰ হিচাপেও ব্যৱহৃত হৈছিল।

জুবিনক কেৱল মঞ্চৰ বাবে সৃষ্টি কৰা এজন তাৰকা হিচাপে গণ্য কৰা নাযায়; তেওঁ আছিল ৰাজপথৰ শিল্পী। ৰাজনৈতিক স্থবিৰতা বা সামাজিক অসাম্যই দেখা দিলে তেওঁ কেতিয়াও নিজৰ জনপ্ৰিয়তাৰ আৱৰণত নিজকে লুকুৱাই ৰখা নাছিল। তেওঁৰ স্পষ্টবাদী আৰু অকুতোভয় স্থিতিয়ে বহু সময়ত বিতৰ্কৰ সৃষ্টি কৰিছিল যদিও তেওঁ সদায় জনতাৰ পক্ষত থিয় দিছিল। তেওঁৰ উক্তি "ৰাজনীতি নকৰিবা বন্ধু!"- এই বাক্যশাৰীয়ে যেন তেওঁৰ নিজৰেই জীৱনক এক

ব্যতিক্ৰমী অৰ্থ দিছিল; তেওঁ কোনো আনুষ্ঠানিক ৰাজনীতি নকৰিলেও, নিজৰ শিল্পৰ জৰিয়তে তেওঁ সামাজিক পৰিৱৰ্তনৰ সক্ৰিয় ৰাজনীতি কৰি গৈছিল।

বহুমুখী প্ৰতিভাৰ নিৰ্মোহ প্ৰকাশ আৰু লোকসংস্কৃতিৰ প্ৰাণ-

জুবিন গাৰ্গৰ সৃষ্টিশীলতাৰ এই ব্ৰহ্মপুত্ৰ কেৱল আধুনিকতাৰ উপকূলতে সীমাবদ্ধ নাছিল, বৰঞ্চ তেওঁৰ প্ৰতিভা লোক-সংস্কৃতিৰ গভীৰতালৈকে প্ৰৱেশ কৰিছিল। তেওঁ নিজৰ গীতত পুৰণি অসমীয়া লোকগীতৰ সুৰ, বনগীতৰ আৱেগ আৰু বিহুৰ ছন্দক এক নতুন পপ শৈলীৰে সজাইছিল। এই মিশ্ৰণে তেওঁৰ সৃষ্টিৰাজিক এক অপূৰ্ব সময়-চেতনা প্ৰদান কৰিছিল-যি একেসময়তে অতীতৰ সোঁৱৰণি আৰু ভৱিষ্যতৰ দিশনিৰ্দেশক।

তেওঁৰ সৃষ্টিৰাজীৰ আন এক উল্লেখনীয় দিশ হ'ল তেওঁৰ বহুভাষিক চেতনা। ৪০ টাতকৈও অধিক ভাষাত কণ্ঠদান কৰি তেওঁ প্ৰমাণ কৰিছিল যে শিল্পৰ কোনো ভৌগোলিক সীমা নাই। হিন্দী ছবি 'গেংষ্টাৰ'ৰ 'য়া আলী' গীতটো আছিল তেওঁৰ সেই বিশ্বজনীনতাৰ প্ৰতীক; যিয়ে তেওঁক অসমীয়া আইকনৰ পৰা ভাৰতীয় সংগীতৰ তাৰকালৈ ৰূপান্তৰিত কৰিছিল। কিন্তু তেওঁ য'তেই খ্যাতি লাভনকৰক কিয়, তেওঁৰ আত্মাৰ গভীৰতাত সদায় অসমীয়া গ্ৰাম্য জীৱন আৰু নৈসৰ্গিক প্ৰকৃতিৰ ছাঁ পৰিছিল। তেওঁৰ গীতত আছিল সেউজীয়া পথাৰৰ কোমলতা আৰু পাহাৰৰ দৃঢ়তাৰ নিৰ্মোহ প্ৰকাশ।

জুবিনৰ সৃষ্টিৰ এই বিশালতা আৰু গভীৰতাৰ বাবেই তেওঁক কেৱল গায়ক বুলি ক'লে ভুল হ'ব। তেওঁ আছিল এজন বহুবাদ্যযন্ত্ৰী, এজন সুসংগঠিত সমাজ-কৰ্মী আৰু এজন স্বপ্নাতুৰ পৰিচালক। তেওঁৰ এই সকলোবোৰ ভূমিকাই তেওঁৰ সৃষ্টিক এক সামূহিক মাত্ৰা দিছিল, যিয়ে অসমীয়া সংস্কৃতিত এক অটল আৰু আকাশলংঘী প্ৰতিচ্ছায়া এৰি গৈছে। তেওঁৰ জীৱনৰ দৰ্শন আছিল এক অবিৰত প্ৰবাহিত ধাৰা, যি সদায় উচ্চতালৈ উধাবলৈ যত্ন কৰিছিল। ■

মৌচুমী সোণোৱাল
স্নাতক তৃতীয় ষাণ্মাসিক

নদী:এক জীয়া প্ৰেম

কাশ্মিৰী দত্ত।
স্নাতকোত্তৰ তৃতীয় ষান্মাসিক,সমাজতত্ব বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়।



ৰৈ যোৱাৰ ভয়ত বৈ যায় নদী,
নদী থমকিলেই বিষাদ।
এৰা,মৰাঁসুতি হোৱাৰ ভয়ত নদীও কঁপি উঠে!
ইমান প্ৰশান্তি
অথচ
ইমান উগ্ৰ, ইমান স্বাভিমান।
নদীৰো যে ইমান বিষাদ তুমি অনুমান কৰিছা?
অনুমান কৰিছা, বুকুত ভৰ কঢ়িয়াই
নিতাল মাৰি অহৰহ বৈ থকা নদীৰ সাহ।
আৰু মই কও দুখ কেৱল মোৰ সহচৰ।
এইয়া চোৱা নদীয়ে হাঁহিছে মোক,
ঠাট্টা-মস্কৰাৰে মোক মোহাৰি পেলাইছে।
এই পল তেনেই অসহজ।
সহজ নহয় মই মোক উদঙাই দিয়াও।

বেলি লহিয়ালে,
মই মোৰ বাটে খোজ ল'লো,
বুকুতে কথাৰ পাহাৰ এখন মাত্ৰ লৈ আনিলো!
কথাৰ নদী এখন বৈ যায় বুকুয়েদি,
বুকুয়ে বুজে শোকৰ ভৰ,
নদীয়েও বুজে বুকুৰ বেথা
নদীক নুবুজে আনে,
নদীয়ে বুজে আনক।
নদী মোৰ পৰম আপোন
মোৰ অশান্ত মনৰ ঔষধ নদী।
সকলো সামৰি জী থকাৰ উপদেশ নদী,
সকলো আজুঁৰি ক্ষান্ত নোহোৱা আকোঁৰগোজ নদী।
নদী প্ৰেম,নদী চেনেহ, নদী আদৰ।
বিষাদ মেৰিয়াই প্ৰাণোচ্ছল নদী
জীৱনৰ দৰেই গতিময় নদী।

অসমীয়া জাতীয় জীৱনত

মহাপুৰুষীয়া পৰম্পৰা

চিৰঞ্জীৱ সন্দিকৈ
ছাত্ৰ, ৰাজনীতি বিজ্ঞান বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়।

'সংহতি এটা ধোৱাচাঙত সাঁচি থ'ব পৰা নাইবা শৰাইত থাপিব পৰা পদাৰ্থ নহয়। ই এটা প্ৰক্ৰিয়া। অতীজতো নানা দন-খৰিয়ালৰ মাজতে অসমৰ বিভিন্ন গোষ্ঠীয়ে একেলগে জীয়াই থকাৰ ৰীতি এটা উদ্ভাৱন কৰি লৈছিল। আজিৰ যুগ আৰু পৰিৱেশৰ উপযোগীকে জাতীয় ঐক্যৰ ভিত্তি আমি বচিব লাগিব। শিক্ষা, প্ৰচাৰ আৰু অনুশীলনৰ জৰিয়তে অনবৰত সেই ভিত্তি সবল কৰিব লাগিব।তাৰ লগে-লগে আন এক সংগ্ৰামৰ জৰিয়তে অন্যায় ক্ষমতালোলুপ ঠেক সাম্প্ৰদায়িকতা অতিক্ৰম কৰি যাব লাগিব। 'ড' হীৰেন গোহাঁই (অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, হীৰেন গোহাঁই ৰচনাৱলী, পৃঃ নঃ ৫৯১)

সাম্প্ৰতিক অসমৰ শৈক্ষিক, সামাজিক, ৰাজনৈতিক তথা সাংস্কৃতিক পৰিৱেশত ড' হীৰেন গোহাঁইৰ নাম উল্লেখনীয়। ড° গোহাঁই অসমীয়া আৰু ইংৰাজী সাহিত্যৰ এগৰাকী সু-প্ৰতিষ্ঠিত সমালোচক হোৱাৰ লগতে এগৰাকী কবি, সাহিত্যিক, সাংবাদিক, শিক্ষক তথা সমাজ বিজ্ঞানী। ১৯৩৯ চনত অসমৰ গোলাঘাটত জন্মগ্ৰহণ কৰা গোঁ হাইদেৱে এগৰাকী কৃতী ছাত্ৰ হিচাপে কটন কলেজ, গুৱাহাটী বিশ্ববিদ্যালয়, দিল্লী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল আৰু কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা পি. এইচ. ডি. উপাধি লাভ কৰে। সম্ভৱতঃ অধিক গ্ৰন্থ ৰচনা কৰা হীৰেন গোহাঁইদেৱে ৰাজনৈতিক ক্ষেত্ৰতো সক্ৰিয়তাৰে কাম কৰিছিল। আঞ্চলিকতাবাদী ৰাজনৈতিক দৰ্শনক তেওঁ এক জনমুখী আৰু গণতান্ত্ৰিক ৰূপ প্ৰদান কৰিবলৈ অহৰহ চেষ্টা কৰি আহিছে। তেওঁৰ গঠনাত্মক সমালোচনা আৰু সু-তীক্ষ্ণ চিন্তা-চৰ্চাই অসমৰ জাতীয় জীৱনৰ বহুকেইটা দিশত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে আৰু বৰ্তমান সময়তো তেওঁৰ ব্যক্তিত্বই অসমৰ বৌদ্ধিক মহল তথা সাধাৰণ লোকৰ মাজত বিশেষ স্থান অধিকাৰ কৰিছে। অসমীয়া সাহিত্য জগতলৈ নব্য এংলো-আমেৰিকান সমালোচনা পদ্ধতি (Anglo-American New Criticism ideas and method) কঢ়িয়াই অনাত হীৰেন গোঁহাইদেৱৰভূমিকা প্ৰণিধানযোগ্য।

'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ওপৰত ৰচিত কেইখনমান লেখত ল'বলগীয়া গ্ৰন্থৰ ভিতৰত অন্যতম, য'ত লেখকে শংকৰদেৱক ঐতিহাসিক ব্যক্তি হিচাপে লৈ সুসংহত আৰু সু-পৰিকল্পিতভাৱে বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি অধ্যয়ন কৰাৰ চেষ্টা কৰিছে। প্ৰায়বোৰ গ্ৰন্থতে আমি লক্ষ্য কৰোঁ যে শংকৰদেৱক মূলত এক ঐশ্বৰিক সত্বাৰূপে প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে তেওঁৰ বাবে আৱেগপ্ৰৱণ লিখনিৰ পয়োভৰ ঘটে। নিঃসন্দেহে শংকৰদেৱ এগৰাকী মহামানৱ আছিল, তেওঁৰ দৰে বিৰল প্ৰতিভাই ইতিহাসত বাৰে বাৰে ভূমুকি নামাৰে। কিন্তু মহাপুৰুষজনাক ইতিহাসৰ উৰ্দ্ধত তুলি দিয়াৰ ফলত তেওঁৰ ব্যক্তিত্বৰ অধ্যয়নৰ ক্ষেত্ৰত এক সীমাবদ্ধতাহে আনি দিয়া হয় যেন ভাব হয়। এই ক্ষেত্ৰত হীৰেন গোঁ হাইদেৱৰ এই গ্ৰন্থখন কিছু ব্যতিক্ৰম বুলি বিবেচিত হ'ব পাৰে। য'ত গোহাঁয়ে মহাপুৰুষ শংকৰদেৱে প্ৰৱৰ্তন কৰা দৰ্শন তথা মহাপুৰুষীয়া ধৰ্মৰ আৰ্থ-সামাজিক দিশসমূহ বিশ্লেষণ কৰি এক বিশদ আৰু সুস্পষ্ট আলোচনা আগবঢ়াইছে। ইয়াৰ লগতে অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰাৰ ফলত সৃষ্টি হোৱা ইতিবাচক তথা নেতিবাচক প্ৰভাৱসমূহো আলোচনা কৰিছে। গ্ৰন্থখনত অসমত বৈষ্ণৱ আন্দোলনৰ ইতিহাসৰ পটভূমি, ভক্তিবাদৰ ইতিহাসৰ বিভিন্ন পৰ্যায়সমূহ, বৈষ্ণৱ ধৰ্মৰ সামাজিক-সাংস্কৃতিক ভূমিকা আদিৰ বিষয়েও সুন্দৰকৈ বিৱৰণ প্ৰদান কৰা হৈছে। লেখকে মহাপুৰুষজনাৰ সাংস্কৃতিক অৱদানবোৰতকৈ মহাপুৰুষীয়া ধৰ্মই কঢ়িয়াই অনা মনোগত পৰিবৰ্তন তথা ৰাজনৈতিক-আৰ্থসামাজিক দিশটোক অধিক গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হয়। বিশেষকৈ মহাপুৰুগীয়াহ পৰম্পৰাই সৃষ্টি কৰা গণতান্ত্ৰিক ভাৱধাৰা, পৰোক্ষ সমাজবাদ, এখন নতুন সমাজ গঠনৰ সম্ভাৱনীয়তা আদিৰ বিষয়ে গোহাঁইদেৱে বিশ্লেষণ আগবঢ়াইছে।

উল্লেখ্য যে গ্ৰন্থখনত ব্যৱহৃত তথ্য, ভাষাশৈলী আৰু প্ৰকাশভংগীমা কিছু কঠিন যেন অনুভৱ হয়। ইয়াৰ দ্বাৰা এয়া অনুমান কৰিব পাৰি যে লেখকে গ্ৰন্থখনি সাধাৰণ পাঠকক আগত ৰাখি লিখাতকৈ কিছু মননশীল আৰু বিদ্যায়তনিকভাৱে আগৰণুৱা লোকৰ বাবেহে ৰচনা কৰিছিল। আমি দেখিবলৈ পাওঁ যে গ্ৰন্থখনত বহুতো ঐতিহাসিক তথ্য, উদ্ধৃতি আদি ব্যৱহাৰ কৰা হৈছে, যিবোৰ এজন ইতিহাসৰ ভাল জ্ঞান থকা ব্যক্তিয়েহে সহজে অনুধাৱন কৰিব পাৰিব। দ্বিতীয়তে, সম্পূৰ্ণৰূপে শংকৰদেৱক অধ্যয়ন নকৰাকৈ এই গ্ৰন্থ অধ্যয়ন কৰাজনৰ বাবে ই দুৰ্বোধ্য হৈ উঠিব। তদুপৰি, গ্ৰন্থখনত উল্লেখ থকা ভক্তিবাদক বুজিবলৈ সমগ্ৰ সৰ্বভাৰতীয় প্ৰেক্ষাপটৰ ভক্তি আন্দোলনৰ ইতিহাস জনাটো অতি জৰুৰী আৰু তাৰ লগতে অসমৰ সামাজিক, ৰাজনৈতিক

ইতিহাসো পঢ়ুৱৈজনে জানিব লাগিব। গ্ৰন্থখনত শংকৰদেৱৰ ব্যক্তিত্ব কিম্বা ধৰ্মীয় দৰ্শনৰ সলনি শংকৰদেৱৰ প্ৰবৰ্তন কৰা ধৰ্ম-সংস্কৃতিয়ে অসমীয়া সমাজত পৰৱৰ্তী কালত কেনেদৰে প্ৰভাৱ পেলাইছে সেই বিষয়ে আলোচনা কৰিছে, গতিকে ইয়াক এক সমাজতাত্ত্বিক আলোচনা বুলিও অভিহিত কৰিব পাৰি। গোহাঁইদেৱে অৰ্থনীতি তথা বেপাৰ বাণিজ্যই কেনেধৰণে সমাজ পৰিৱৰ্তন আৰু ধৰ্মীয় অথবা পৰম্পৰাগত চিন্তা-চৰ্চাৰ বিকাশ ঘটাত প্ৰভাৱ বিস্তাৰ কৰে সেই বিষয়েও সুন্দৰ ব্যাখ্যা আগবঢ়াইছে। তেওঁ গ্ৰন্থখনৰ জৰিয়তে প্ৰাচীন কামৰূপৰ ধৰ্ম সম্পৰ্কেও পাঠকক জনাব সুবিধা কৰি দিছে আৰু ইয়াৰ লগতে প্ৰতিবাদী ব্ৰাহ্মণ্যবাদৰ ধাৰা এটাও যে অস্তিত্বত আছিল সেই কথা যুক্তি সহকাৰে প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে। কেনে এক সমাজত বৈষ্ণববাদ বিকাশ হ'ব পাৰে, কি পৰিস্থিতিত আৰু কোনবোৰ কাৰকে অসমত শংকৰী বৈষ্ণৱ আন্দোলনত ইন্ধন যোগালে আৰু কিয় পৰৱৰ্তী সময়ত বৈষ্ণৱ আন্দোলনত কু-তত্বই প্ৰবেশ কৰিলে আৰু আশা কৰা মতে ই সফলকামী নহ'ল এই সকলোবোৰৰ সম্পৰ্কে লেখকে বিজ্ঞানসম্মত বিৱৰণ আগবঢ়াইছে। কিন্তু এই কথাও স্বীকাৰ্য যে লেখকে মাৰ্ক্সবাদী আৰু সাম্যবাদী ভাৱধাৰাৰে যি ইতিহাস বিশ্লেষণ কৰিব বিচাৰিছে সেয়া সম্পূৰ্ণ সত্য নহ'বও পাৰে আৰু বহুলোকৰ মনঃপুতও নহ'ব পাৰে । তদুপৰি পণ্য অৰ্থনীতি, উৎপাদন আদি বিষয়ৰ লগতে গণতন্ত্ৰ, সমাজবাদ, সাম্য আদি তুলনামূলকভাৱে নতুন ভাৱধাৰাক মধ্যযুগীয় পৰম্পৰা এটাৰ বিশ্লেষণৰ ক্ষেত্ৰত কিমান প্ৰযোজ্য বা লাভজনক সেয়া বুজাটো অলপ কঠিন। ড° হীৰেন গোহাঁইৰ দৰে বিৰাট প্ৰতিভাক সমালোচনা কৰাৰ ধৃষ্টতা মোৰ দৰে সাবাৰণ ছাত্ৰ বা পাঠকৰ নাই। কিন্তু গোহাইদেৱে এই ক্ষেত্ৰত নিজেই কৈছে 'এই কামৰ বাবে মোৰ সঁজুলিৰ অভাব। যদিও সাধ্যানুসাৰে নতুন চিন্তা কৰিবলৈ মই চেষ্টা কৰিছো। মই বুৰঞ্জীবিদো নহওঁ আৰু বৈষ্ণৱ ধৰ্মৰ ওপৰত বিশেষজ্ঞও নহওঁ। 'অসমৰ বাণীকান্ত কাকতি বেণুধৰ শৰ্মা আদি বহু প্ৰসিদ্ধ মনীষী আৰু গৱেষকে আবিষ্কাৰ কৰা সমলকে আমি ব্যবহাৰ কৰিছোঁ।' (ড° হীৰেন গোহাঁই ৰচনাৱলী পৃঃনং ৫৯৩)

এজন সাধাৰণ পাঠকৰ দৃষ্টিভংগীৰে মোৰ মন্তব্য এয়ে যে' অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা' গ্ৰন্থখন শংকৰদেৱে চৰ্চা আৰু শাকৰদেৱে প্ৰচাৰ কৰা ধৰ্ম, সংস্কৃতিক বৈজ্ঞানিকভাৱে উদাৰ দৃষ্টিভংগীৰে অধ্যয়ন কৰাৰ ক্ষেত্ৰত এক বাটকটীয়া হ'ব পাৰে। সেইবাবেই হয়তো এই গ্ৰন্থখনে ১৯৮৯ চনত সাহিত্য অকাডেমী পুৰস্কাৰেৰেও সন্মানিত হৈছিল। অৱশ্যে এই ক্ষুদ্ৰ কলেবৰৰ গ্ৰন্থখনত শংকৰী পৰম্পৰাৰ সকলোবোৰ কথা লেখকে সামৰিব পৰাটো সম্ভৱ নাছিল বাবেই ১৯৯১ চনত ইয়াৰ দ্বিতীয় খণ্ডও প্ৰকাশ কৰা হৈছিল। মোৰ মানত শংকৰদেৱ অধ্যয়নৰ বিশালতাৰ কোনো সীমা নাই, হীৰেন গোহাঁইৰ দৰে ব্যক্তিৰ পদাংক অনুসৰণ কৰি আমি এই ক্ষেত্ৰত আগুৱাই যাব লাগিব। সকলো ব্যক্তিয়েই শংকৰদেৱ আৰু মহাপুৰুষীয়া পৰম্পৰাক নিজৰ ব্যক্তিগত দৃষ্টিভংগীৰে বিশ্লেষণ কৰিব পাৰে । এই ক্ষেত্ৰত মাত্ৰ আমি উদাৰ, বিজ্ঞানসন্মত আৰু এটা গণতান্ত্ৰিক পথ অৱলম্বন কৰাৰ প্ৰয়োজন । হীৰেন গোহাঁইৰ এই গ্ৰন্থখনে উক্ত কথাটোকে প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছে। সদৌ শেষত গ্ৰন্থখনৰ এক উদ্ধৃতিৰে সামৰণি মাৰিব খুজিছো 'নিশ্চয় এখন গণতান্ত্ৰিক, প্ৰগতিশীল আৰু জ্ঞান আভাৰে আলোকিত সমাজ ৰচনাত অতীত কৃতী আৰু মহান লোকসকলৰ পৰা আমি প্ৰেৰণা পাম। কিন্তু আমি নিজেও একান্ত মনে অতীতৰ অন্ধবিশ্বাস আক কেতবোৰ সংকীৰ্ণতাৰ পৰা মুক্ত হ'বলৈ সংকল্প কৰিলেহে সেই প্ৰেৰণা ফলপ্ৰসু হ'ব। পুনৰ বৈষম্য আৰু শোষণৰ সুবিধা বিচাৰি সংহতি, সৃষ্টি কৰা নাযায়। বৈজ্ঞানিক অধ্যয়ন সেয়ে নৈতিক দৃষ্টিতো অগ্ৰসৰ।' ■

কবিতা

অসমৰ গৌৰৱ

প্ৰেৰণা ৰয়
ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়

অসমীয়া সংগীত জগতৰ তুমি গৌৰৱ জুবিন,
তোমাকে চাই পাৰ কৰিছিল অসমীয়াই নিজৰ শৈশৱ দিন।
তোমাৰ গানে দিলে মোক মনৰ শান্তি,
মোৰ মনত জ্বলালে এক উজ্জ্বল বন্তি।
হঠাতে এজাক ধুমুহাই সকলো চুৰ মাৰ কৰিলে,
শুনিলো আমাৰ অসমৰ গৌৰৱে নিজদেহ ত্যাগ কৰিলে।
বুকুখন যেন থমকি ৰ'ল, ভৰি তলৰ মাটি নোহোৱা হ'ল।
আজি তুমি নাই আমাৰ মাজত,
কিন্তু তোমালৈ প্ৰেম আঁজীৱন থাকিব অসমীয়াৰ মনত।
যিদৰে গানৰ কথা ৰচিলা,
সেই গানৰ ভাষাতে মৃত্যুক সাৱটিলা।
সাগৰৰ বুকুতে যাপিলা নিজৰ জীৱন,
চিৰদিনৰ বাবে বন্ধ কৰিলা দুই নয়ন।
তোমাকে হেৰুৱাই গোটেই অসমে কান্দিছে,
মৌনতা, অশ্ৰু বিষাদৰ গীত বুকুতে বাজিছে।
তোমাৰ অবিহনে জীৱন আধৰুৱা,
তোমাৰ অবিহনে অসমীয়া সংগীত আধৰুৱা।
উকা হৈ ৰ'ল তুমি বহা চকীখন,
বিষাদেৰে ভৰি পৰিল আজি অসমখন।
গুচি গলা তুমি এক অচিন দেশলৈ,
সকলো এৰি মৰমৰ ভগ্নীৰ ওচৰলৈ।
এতিয়া ধৰণীত তোমাৰ দেহ নাথাকে,
থাকিব মাথোঁ স্মৃতি আৰু এক আশা।
মধুৰ গীতৰ শান্তি যে আৰু নাপাম,
কোৱাছোন কেনেকৈ বাৰু নিজকে নিচুকাম?
আহিবা তুমি এদিন পুনৰ ঘুৰি,
অপেক্ষা কৰিম তোমাৰ প্ৰত্যেক ঘড়ী।



নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

Life : No more a game

Ananya Goswami
PG 1st sem
Department of English

Life, a wandering zone,
In the wheel of a tandem,
Where it's named with their visions —
A journey for someone, or a destiny.
Alas ! This uncertainty is questioned :
Is this really a procession ?
In the abode of happiness,
You may find "Life is a game."
A game in tandem by two wheelers,
One will be you, the other shall be
Someone, you know very dear.
Argh ! This is the game.
Life is a game,
You lose, if you fail,
Where the winner will be someone,
You know very dear.
The game starts within you, and
In every pebbles you came across.
Argh ! The vitality is slowly vanished,
This game is so tiring.
Now, it's a desire for a life, filled with
The shadow of :
Love, loyalty and laughter.
I miss this, you too, right ?
So, no more to let life be a game.

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

ছাত্ৰজীৱন,সুৰক্ষিত ভৱিষ্যত আৰু সাংবাদিকতা

জোন মানসী নাথ
ছাত্ৰী, সাংবাদিকতা ও গণসংযোগ অধ্যয়ন কেন্দ্ৰ,
ডিব্ৰুগড় বিশ্ববিদ্যালয়

সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন বিষয়ৰ এগৰাকী ছাত্ৰী হিচাপে প্ৰায়ে সন্মুখীন হৈ অহা এটি প্ৰশ্ন," সাংবাদিক হ'বলৈও ইমান টকা-পইছা খৰচ কৰি এই বিষয়টো পঢ়িব লাগেনে?" বৰ্তমান সময়ত বহু ছাত্ৰ ছাত্ৰীয়ে এই প্ৰশ্নৰ সন্মুখীন হয়। আমাৰ সমাজৰ প্ৰায় সংখ্যক ব্যক্তিৰ মনত উত্থাপন হোৱা প্ৰশ্নটো হ'ল যে সাংবাদিকতাৰ বিষয়টো পঢ়ি চৰকাৰী চাকৰি লাভ কৰিব পাৰি নে? যদি নোৱাৰি তেন্তে সাংবাদিক হ'বলৈয়ে এই বিষয়টো পঢ়াৰ প্ৰয়োজন কি? এনে বহু প্ৰশ্নৰ উত্তৰ বিচাৰি নাপাই বহু ছাত্ৰ ছাত্ৰীয়ে ইচ্ছা থকাৰ স্বত্বেও সুৰক্ষিত ভৱিষ্যতৰ শংকাত বিষয়টোৰ পৰা আঁতৰি আহিবলগীয়া হয়, যিটো অতিকে দুৰ্ভাগ্যজনক। এখন সুস্থ সমাজ গঢ় দিবলৈ আমি আমাৰ সমাজত প্ৰচলিত প্ৰতিটো জীৱিকাৰ বিষয়ে সাম্যক জ্ঞান গোটাবই লাগিব। সাংবাদিকতাৰ ক্ষেত্ৰখনত মোৰ অভিজ্ঞতা অথবা সামান্যতম জ্ঞানৰ পৰিসৰৰ পৰা ক'বলৈ গ'লে প্ৰথমেই উল্লেখ কৰিব বিচাৰোঁ যে সাংবাদিকতা এটা এনেকুৱা বিষয় যিটো বিষয়ত কেৱলমাত্ৰ পাঠ্যক্ৰমৰ জ্ঞান খিনিয়েই যথেষ্ট নহয় ।

এইটো এনেকুৱা এটা বিষয় যি পৰিসৰ বিহীন। এই ক্ষেত্ৰখনত আন্ত:ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ পৰা আঞ্চলিক পৰ্য্যায়ৰ প্ৰতিটো মূহুৰ্তৰ গুৰুত্বপূৰ্ণ বিষয়বস্তু (update) প্ৰয়োজনীয়। সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, ভূগোল, পৰিৱেশ অধ্যয়ন, বিজ্ঞান আদি প্ৰতিটো বিষয়ৰ সাম্যক জ্ঞানেৰে ভৰপূৰ এটা বিষয় হৈছে সাংবাদিকতা, যিটো বিষয় কেৱল এখন বা দুখন কিতাপৰ জৰিয়তে পঢ়ি শেষ কৰিব নোৱাৰি। অৱশ্যে সাংবাদিক হ'বলৈ সাংবাদিকতা বিষয় পঢ়াটো বাধ্যতামূলক নহয়।

Journalism And Mass Communication ৰ ডিগ্ৰী নোলোৱাকৈও বহু সাংবাদিকে বহু জ্ঞান অৰ্জন কৰি এই ক্ষেত্ৰখনত কাম কৰি আহিছে। কিন্তু এটা সুৰক্ষিত জীৱনৰ প্ৰতি লক্ষ্য ৰাখি আমি সাংবাদিকতা বিষয়টোত আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰাটো প্ৰয়োজন। যেতিয়া আমি আমাৰ নিজৰ ভালপোৱা কামসমূহৰ মাজেৰে আৰ্থিক ভাৱে সুৰক্ষিত ভৱিষ্যত এটা গঢ়িব পাৰোঁ তাতকৈ ভাল লগা বিষয় হয়টো আন একোৱেই হ'ব নোৱাৰে আৰু সেই জীৱনটো গঢ়াৰ পথত প্ৰয়োজন হোৱা বস্তুটোৱেই হৈছে "ডিগ্ৰী"। আজিৰ যুগত আমি বিচাৰিলেও এটা কথা নুই কৰিব নোৱাৰো যে যিকোনো ক্ষেত্ৰতেই নিজক ভালদৰে নিয়োজিত কৰিবলৈ প্ৰথমেই লাগিব "শিক্ষা" অথবা "ডিগ্ৰী"। এটা সময় আছিল যেতিয়া সাংবাদিকতাৰ ক্ষেত্ৰখনত প্ৰতিযোগিতা নাছিল, সাংবাদিকতা পঢ়িবলৈ সঠিক সুবিধা নাছিল কিন্তু আজিৰ যুগত প্ৰতিযোগীৰ সংখ্যাৰ লগতে শিক্ষা গ্ৰহণ কৰিবলৈ প্ৰতিষ্ঠানৰ সংখ্যা দুয়োটাই সুলভ। পূৰ্বৰ সময়ত (প্ৰায় ৮০ ৰ পৰা ৯০ দশকত বিশেষকৈ অসমৰ প্ৰেক্ষাপটত)সাংবাদিকতা কিছু সংখ্যকৰ বাবে আছিল নিচা কিন্তু বৰ্তমান নিচাৰ লগতে পেছাগত ভাবেও বহু নৱ প্ৰজন্মই এই পথত নিয়োজিত হৈছে। অৱশ্যে বহু সংখ্যক বিশিষ্ট সংবাদকৰ্মী আছে যিসকলে কোনো ডিগ্ৰী নোহোৱাকৈ সংবাদ সেৱা আগবঢ়াই আহিছে, হয়টো তেওঁলোকৰ জ্ঞানৰ পৰিসৰ এই পাঠ্যক্ৰমৰ পৰিসৰতকৈ বহু গুনেই বেছি। সেইসকল

সংবাদকৰ্মীৰ উদাহৰণ আমি প্ৰায়েই শুনিবলৈ পাওঁ। কিন্তু তেওঁলোকৰ সময়ত এই বিষয়টোত আনুষ্ঠানিক শিক্ষা লাভৰ সুবিধা একেবাৰেই তাকৰ আছিল। যাৰ বাবে ইচ্ছা থকাৰ স্বত্বেও বহু সংবাদকৰ্মীয়ে হয়টো এই বিষয়টোত শিক্ষা গ্ৰহণ কৰিব পৰা নাছিল। কিন্তু তাৰ মাজতেই এনে বহু সংবাদকৰ্মী আছে যিসকলে সেই যুগতেই সাংবাদিকতাৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰি থৈছে। এইক্ষেত্ৰত সাংবাদিকতা বিষয়টো অধ্যয়ন কৰাৰ আন এটা কাৰক হৈছে চাকৰি। এই ক্ষেত্ৰ খনত চৰকাৰী চাকৰি লাভ কৰিবৰ বাবেও বহু প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত হয়, যি পৰীক্ষা দিবলৈ সাংবাদিকতাৰ নিৰ্দিষ্ট ডিগ্ৰী থকাটো বাধ্যতামূলক (চৰকাৰৰ জনসংযোগ বিভাগ, অধ্যাপক, অধ্যাপিকা আদি বিভিন্ন চৰকাৰী বিভাগ)। ইয়াৰ লগতে যিকোনো চৰকাৰী বেচৰকাৰী প্ৰতিষ্ঠানত গ্ৰাফিক্স ডিজাইনাৰ , ভিডিও এডিটৰ, কণ্টেন্ত ৰাইটাৰ, ৱেব ডিজাইনাৰ, ফটোজাৰ্ণেলিষ্ট, এংকৰ, ৰিপোৰ্টাৰ, ৰেডিঅ' জাৰ্ণেলিষ্ট (RJ) আদি বহু বিষয়ত নিজকে নিয়োজিত কৰিব পাৰে (দূৰদৰ্শন অথবা আকাশবাণী কেন্দ্ৰটো নিয়োজিত হ'ব পাৰে)। অৱশ্যে এই সকলোবোৰ পদত নিজকে নিয়োজিত কৰিবলৈ হ'লে নিজস্ব কলা অথবা টেলেণ্ট থকাটো নিতান্তই প্ৰয়োজন। বহু ক্ষেত্ৰত কোৱা হয় যে সাংবাদিকতাৰ বাস্তৱিক ক্ষেত্ৰখন পাঠ্যক্ৰমৰ সৈতে যথেষ্ট অমিল যিটো একেবাৰে নোহোৱা নহয়। সেই বাস্তৱিয়তা আৰু পাঠ্যক্ৰম দুয়োটা বিষয় সমসাময়িক ভাৱে বুজি উঠিব পৰাটোৱেই হৈছে আটাইটকৈ ডাঙৰ প্ৰত্যাহ্বান। কিন্তু সেই প্ৰত্যাহ্বান নেওচি আগুৱাই যোৱাৰ পথতেই যেন লুকাই আছে জীৱনৰ প্ৰাপ্তি।

এই প্ৰাপ্তিৰ পথত ধাৱমান হ'ববিচৰা প্ৰত্যেক ছাত্ৰ ছাত্ৰীয়েই বিষয়টো ভালদৰে বুজি লৈহে আগবঢ়া উচিত । অৱশ্যে এই বিষয়টোৰ ওপৰত বিভিন্ন অভিজ্ঞ ব্যক্তিৰ জৰিয়তে কেৰিয়াৰ কাউন্সিলিঙৰ ব্যৱস্থা কৰাটো বৰ্তমান সময়ত ছাত্ৰ ছাত্ৰী সকলৰ বাবে নিত্যান্তই দৰকাৰী। ■

"প্ৰেম স্বৰ্গৰ দৰে, কিন্তু ই নৰকৰ দৰে আঘাত দিবও পাৰেঁ।

-শ্বাৰ'ন ষ্টোন

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫



মিছিং জনজাতিৰ ঐতিহ্য আৰু পৰম্পৰা।

অনুজ ভৰালী
স্নাতকোত্তৰ সংযুক্ত মহলা প্ৰথম ষাণ্মাসিক
অসমীয়া বিভাগ

অসম ভূমিৰ অগভীৰ জংঘল, পাহাৰ আৰু নদীৰ মাজেৰে বাগৰি থকা এক সৰু, গম্ভীৰ জনজাতি—মিচিং। তেওঁলোকৰ জীৱন এক ধীৰ, সেউজীয়া সুৰৰ দৰে, য'ত প্ৰকৃতি আৰু মানুহৰ অন্তৰংগ সংযোগে এক সৃষ্টিশীল একতা গঢ়ি তোলে। পাহাৰৰ বতাহে যেন তেওঁলোকৰ আকাশ-চুম্বী সেউজী কাব্য গঢ়ে, নদীৰ সোঁতেৰে বৈ থকা জলধ্বনিয়ে তেওঁলোকৰ হৃদয়ৰ স্পন্দনক সুৰ দান কৰে, আৰু জংঘলৰ নীৰৱতা, গছ-গছনিৰ ছাঁয়ে তেওঁলোকৰ দৈনন্দিন জীৱনক এক ধীৰ আৰু আধ্যাত্মিক ছাঁ দান কৰে। মিচিং জনসাহিত্য কেতিয়া আৰু ক'ৰ পৰা জন্ম হ'ল তাক সঠিককৈ কোৱা কঠিন। কিন্তু এই কথা সত্য যে মিচিং গাঁৱ সমুহৰ মানুহৰ মুখত পৰম্পৰাগতভাৱে চলি অহা এক প্ৰকাৰৰ সাহিত্যই হ'ল মিচিং জনসাহিত্য। তেনে জনসাহিত্যৰ ভিতৰত ঐনিতম অন্যতম। য'ত অতীত স্মৃতি, প্ৰেম বিৰহ বন্ধুত্বৰ অনুভৱে প্ৰাণ পাই জী উঠে। ঐনিতমে তেওঁলোকৰ জীৱনত সদায় শ্বাস ৰং যোগাই। উৎসৱ, নৃত্য, গান, ধৰ্মীয় আচাৰ—প্ৰতিটো কৰ্মে তেওঁলোকৰ আত্মাত প্ৰকৃতিৰ সৈতে এক অদৃশ্য বন্ধন স্থাপন কৰে। প্ৰতিটো দৃষ্টিভংগী, প্ৰতিটো আচাৰ যেন কাব্যিক ধ্বনিৰ দৰে, সমাজক সংহত কৰি ৰাখে। মিচিং জনজাতিৰ বিশ্বাস আৰু সামাজিক নিয়মসমূহ জীৱনক নিখুঁত আবৃত্তিত ৰাখে; যেন এটি সুসজ্জিত পৰম্পৰাৰ মাজেৰে প্ৰতি নতুন প্ৰজন্মক আধ্যাত্মিক আৰু নৈতিক দিশে গঢ়ি তোলে। তেওঁলোকৰ জীৱনশৈলী আমাৰ

আলি আয়ে লৃগাং
মিচিংসকলৰ এক পৰম্পৰাগত উৎসৱ

(বি:দ্ৰ :- উক্ত প্ৰবন্ধটো যুগুত কৰোতে বিভিন্ন প্ৰবন্ধ, গ্ৰন্থ, অনলাইন সমল আৰু ব্যক্তিৰ সহায় লোৱা হৈছে।)

মনৰ ভিতৰত এক অদ্ভুত বিস্ময় জন্মায়। সৰলতা, একতা, পৰস্পৰীয় মৰ্যাদা, প্ৰকৃতিৰ সৈতে সহমিলন—এই সকলোবোৰে মিচিংজনৰ ঐনিতমক এক বিশেষ আভা প্ৰদান কৰে। তেওঁলোকৰ দৈনন্দিন কৰ্ম আৰু সামাজিক আচাৰ যেন জীৱনৰ গভীৰ পাঠ; প্ৰতিটো পদক্ষেপ, প্ৰতিটো উদযাপন এক অদৃশ্য শিক্ষাৰ অৰ্থ বহন কৰে। মিচিং জনজাতিৰ ঐতিহ্যৰ মাজত এক ধীৰ, নীৰৱ শক্তি থাকে, যি সমাজক সংহত ৰাখে আৰু ব্যক্তিৰ আত্মাক গভীৰভাৱে স্পৰ্শ কৰে। তেওঁলোকৰ উৎসৱ-প্ৰথা, নৃত্য-গীত, আৰু পৰম্পৰা আমাৰ মনত এক প্ৰকৃতিময় কাব্যৰ সুৰ মেলায়। এই জনজাতিৰ জীৱন আৰু সংস্কৃতি কেৱল ইতিহাস নহয়; ই আজিও আমাৰ চিন্তাধাৰা, সমাজ আৰু সাংস্কৃতিক পৰিসৰত এক গুৰুত্বপূৰ্ণ প্ৰতিধ্বনি হিচাপে ৰৈ আছে। মিচিং জনজাতিৰ ঐনিতমৰ এই গম্ভীৰ, সেউজীয়া জগতত ভ্ৰমণ কৰাটো যেন সময়ৰ সাগৰত ভাহি থকা অনুভূতি। প্ৰতিটো আচাৰ, প্ৰতিটো উৎসৱ, প্ৰতিটো শব্দ, প্ৰতিটো পদক্ষেপ — এই সকলোবোৰে জীৱনৰ গভীৰতা আৰু মৰ্যাদা প্ৰকাশ কৰে। আৰু এই গভীৰতা, এই মনোৰম সুৰ যেন আমাৰ মনক সজাগ কৰি দিয়ে, আমাৰ মনৰ ভাৱনাত এক চিৰস্থায়ী প্ৰতিধ্বনি সৃষ্টি কৰে। ঐনিতমৰ উৎপত্তি কেতিয়া হৈছিল সেয়া কোৱাটো অতি কঠিন। কিন্তু মানুহৰ মুখে মুখে বাগৰি আহি বৰ্তমানৰ ৰূপ পাইছেহি। সময়ে সময়ে ইয়াৰ ভাৱ, ভাষা, সুৰ সলনি হৈছে। বিভিন্ন ঘটনা আৰু পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱত ইয়াৰ বিষয়বস্তু সমৃদ্ধ হৈছে। অইনিঃতমসমূহ দুটি পংক্তিত বিভক্ত। প্ৰথম পংক্তিত সাধাৰণতে প্ৰকৃতিৰ নৈসৰ্গিক ৰূপৰ বৰ্ণনা আৰু দ্বিতীয় পংক্তিত প্ৰকৃতিৰ সতে চহা কবি বা গায়ক-গায়িকাৰ ব্যক্তিগত জীৱনৰ তুলনা বা উপমা। অইনিঃতমৰ প্ৰথম পংক্তিত যি বিৱৰণ দিয়া হয় দ্বিতীয় পংক্তিত ব্যক্তিগত জীৱনৰ উপমাৰে প্ৰথম পংক্তিৰ নেতিবাচক বা ইতিবাচক ইঙ্গিত বহন কৰে। অৱশ্যে সকলো অইনিঃতমেই যে এই লক্ষণৰ ধৰাবন্ধা ৰীতিত আৱদ্ধ সেয়া নহয়, ইয়াৰ ব্যতিক্ৰমো দেখা যায়। ঐনিতমৰ এটা স্বকীয় সুৰ বিদ্যমান। অইনিঃতমৰ আৰম্ভণি সদায় উচ্চ গ্ৰামত হৈ ধীৰে ধীৰে ক্ৰমে সুদাৰা আৰু উদাৰা গ্ৰামলৈ অৱৰোহণ কৰে। গীতৰ দুই পংক্তিৰ মাজডোখৰত উদাৰা আৰু সুদাৰা গ্ৰামৰ অৱৰোহন এক অদ্ভুত ছন্দেৰে বিস্তাৰিত হয়। তাৰপৰা মুদাৰা গ্ৰামত সুৰৰ যাত্ৰা সমাপ্ত হয়, যেন মনৰ গভীৰতাৰ পৰা মুক্তি লাভ কৰা এক শান্ত সাগৰৰ ঢৌ। এই সুৰৰ গঠনত সা, ৰে, গা, মা, পা, ধা—এই ছয়টা স্বৰৰ ব্যৱহাৰ এক বিশেষ নিয়মত দেখা যায়। প্ৰতিটো স্বৰে নিজৰ উচ্চতা আৰু গভীৰতাৰ সৈতে সুৰক জীৱন্ত কৰি তোলে, আৰু মিলি এক বিচিত্ৰ, সৃজনশীল, আৰু মনোমোহা সঙ্গীতৰ সৃষ্টি কৰে। এই পাঁচোটা স্বৰৰ অৱলম্বনত অইনিঃতমৰ বহু সুৰ ৰচিত হৈছে, যিবোৰ সময়ে সময়ে পুৰণি স্মৃতিৰ সৈতে পাহৰণিৰ গৰ্ভত বিলীন হৈ যায়। অইনিঃতমৰ এই সুৰসমূহ কেৱল সংগীত নহয়, সেয়া

এক অতীতৰ সোঁৱৰণি, অনুভূতিৰ প্ৰতিফলন। প্ৰতিবছৰে নতুন সৃষ্টি হোৱা এই সুৰবোৰে আমাৰ মন আৰু হৃদয়ক সংবেদী কৰি তোলে, আৰু জীৱনৰ প্ৰতিটো ক্ষণক সঙ্গীতময় কৰি ৰাখে। জীৱনৰ প্ৰতিটো ক্ষণক সঙ্গীতময় কৰি ৰখা এই লোকগীতৰ ভাষা কথিত আৰু প্ৰচলিত ভাষাৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াত দুৰ্বোধ্য শব্দৰ প্ৰয়োগ নঘটে সেয়ে ঐনিতমৰ ভাষাক সৰ্বজনৰ ভাষা বুলিও ক'ব পাৰি। মিচিং ভাষা এক অতি জটিল আৰু জীৱন্ত ভাষা। ইয়াৰ ভিতৰত বহুতো উপভাষা বিদ্যমান, আৰু প্ৰতিটো উপভাষাই একেটা অৰ্থক বহুবিধ ৰূপত প্ৰকাশ কৰে। কথাবোৰ কেবল অৰ্থৰ সীমাত অৱৰুদ্ধ নাথাকে; প্ৰতিটো শব্দৰ উচ্চাৰণ উপভাষাগত ধ্বনিৰ তাৰতম্যৰ সৈতে মিলি এক অদ্ভুত ছন্দত প্ৰৱাহিত হয়। এই ধ্বনিৰ তাৰতম্যৰ বাবে একেই শব্দ অঞ্চল-ভিত্তিক ভিন্ন ধৰণে অনুভৱ কৰা হয়। অইনিঃতম গাঁৱতো এই বৈশিষ্ট্য স্পষ্টভাৱে দেখা যায়। অঞ্চল বিশেষৰ গায়কে যি ধৰণে গায়, সেই উপভাষাৰ শব্দ আৰু সুৰ অইনিঃতমত প্ৰধান স্থান গ্ৰহণ কৰে। যেনেকৈ পানীয়ে পাত্ৰৰ আকৃতি অনুসৰি নিজৰ ৰূপ ধৰে, ঠিক তেনেকৈ অঞ্চল বিশেষৰ গায়কৰ স্বৰ, ছন্দ আৰু উচ্চাৰণৰ নিখুঁত মিলন অইনিঃতমৰ ভাষাক ৰূপ প্ৰদান কৰে। কেতিয়াবা সেই উচ্চাৰণ কোমল বতাহৰ দৰে হৃদয়ত উৰা মাৰে, কেতিয়াবা নদীৰ ঢৌৰ দৰে মৃদু ধ্বনিৰ সৈতে মনৰ গভীৰতা স্পৰ্শ কৰে। প্ৰতিটো শব্দৰ মাজেৰে যেন অতীতৰ স্মৃতি, গাঁওবাসীৰ জীৱনৰ ছন্দ আৰু প্ৰকৃতিৰ সুৰ একেলগে গাঁথিত হয়। অইনিঃতমৰ ভাষা সদায় জীৱন্ত, সুৰময়, বৰ্ণময়, আৰু অঞ্চলিক বৈচিত্ৰ্যৰ এক দীঘল প্ৰতিফলন হৈ ৰয়। অইনিঃতমত দুটা পংক্তি বা শাৰী থাকে। প্ৰতিটো পংক্তি চৌধ্যটা অক্ষৰৰ সমষ্টি, যাক ছন্দ আৰু সুৰৰ দৃষ্টিকোণৰ পৰা সূক্ষ্মভাৱে বিভক্ত কৰা হয়। এই চৌধ্যটা অক্ষৰক ৭+৭ হিচাপে দুটা পৰ্বতত ভাগ কৰিব পাৰি। প্ৰথম সাতোটা অক্ষৰত এক যতি বা উপচ্ছেদ থাকে, যি সুৰৰ আৰম্ভণি আৰু ছন্দৰ মূল নিৰ্দেশনা প্ৰদান কৰে। পৰৱৰ্তী সপ্ত-সাতোটা অক্ষৰত আন এক যতি বা উপচ্ছেদ থাকে, আৰু শেষ সপ্ত-অক্ষৰৰ শেষত পূৰ্ণ যতি বা ছেদৰ দ্বাৰা পংক্তি সম্পূৰ্ণ ৰূপ লাভ কৰে। এইভাৱে প্ৰতিটো পংক্তি যেন নিজেই এক সুৰময় একক, যি নিৰ্দিষ্ট ছন্দৰ নিয়ম অনুসৰি গঠিত।

মূল অইনিঃতম গোৱাৰ পিছত, কেতিয়াবা মূলৰ লগত সংগতি ৰাখি দুটা পংক্তি একেলগে গোৱা হয়। এই ধৰণৰ সংযুক্ত পংক্তিক অইকলি বুলি কোৱা হয়। অইকলিৰ পংক্তিসমূহৰ সজ্জা মূল অইনিঃতমৰ দৰে একে ধৰণৰ হয়; সুৰ, ছন্দ আৰু যতিৰ নিৰ্দিষ্ট বিন্যাসে মূল অইনিঃতমৰ ছন্দক অক্ষুণ্ণ ৰাখে।

উদাহৰণস্বৰূপে:

গান্ধী বাবুক তপইচা বাৰত চাদিন লী গাঙী।
অইঙয়িক্ তপইচা অকুম, বমনা দনামী।।

মিচিংসকলৰ ঐনিতম হৈছে কেৱল সামাজিক আচাৰ-ব্যৱহাৰ বা ধৰ্মীয় অনুষ্ঠানৰ এক সঙ্কলন নহয়, বৰঞ্চ ই তেওঁলোকৰ চিন্তা-চেতনা, জীৱনশৈলী আৰু সামাজিক পৰিচয়ৰ এক অন্তৰ্নিহিত প্ৰতিফলন। প্ৰত্যেক পংক্তি, প্ৰত্যেক উৎসৱ, আৰু প্ৰত্যেক প্ৰথাই তেওঁলোকৰ অতীতৰ সৈতে জড়িত, য'ত প্ৰজন্মৰ পৰম্পৰা আৰু শিক্ষাই ধাৰাবাহিকতাৰে সংৰক্ষিত হৈ আছে। এই ঐনিতমই তেওঁলোকক কেৱল ব্যক্তিগত পৰিচয়ৰ সঙ্গী নোহোৱাকৈ, সামূহিক চিন্তা আৰু সামাজিক বন্ধনকো দৃঢ় কৰে। আধুনিকতাৰ প্ৰবাহত, মিচিংসকলৰ জীৱনলৈ বাহ্যিক প্ৰভাৱ আৰু নতুন ধাৰাৰ সংযোগ ঘটিছে। নতুন প্ৰযুক্তি, শিক্ষা, আৰু নগৰ জীৱনৰ স্পন্দনে কিছু পৰিমাণে পৰম্পৰাক অৱহেলা কৰিব ধৰিছে। তথাপি, ঐনিতমৰ মূল ভাব আৰু সামাজিক শৃংখলাৰ শক্তি আজিও অটুট আছে। উৎসৱ, গীত, নৃত্য, আৰু ধৰ্মীয় আচাৰবোৰে তেওঁলোকৰ মানসিকতা, আধ্যাত্মিকতা আৰু পৰম্পৰাগত জ্ঞানক প্ৰজন্মপৰা প্ৰজন্মলৈ সঁচাকৈয়ে সংযোগ কৰি ৰাখিছে। ■

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

মাজনিশাৰ নটৰাজ

কাব্যশ্ৰী মহন্ত

জিলি নাই,জোনাকো নাই
এতিয়া মাজনিশা
কাৰোবাৰ নিটাল নিমাত নিদ্ৰা
কাৰোবাৰ সাৰ নাপাম যেন অনুভূতিৰ স্বপ্নৰ নীলা
ঝুন ঝুন পায়েলত উচপ খোৱা মোৰ হিয়া
মৰহা চকুত অকণমান পানী পালেই জী উঠিমযেন
কৰা মোৰ দেহা
এহ্,থৈ দে,আৰু নালাগে
আইৰ দিনৰ ফটাকঠাৰ তলত জাৰ নলগা
দেহটো এনেই পেলাই দে
কচম' পলিটান চহৰৰ
ভিন্ন সূৰী গানবোৰৰ সুৰ সলাই দে
শুনা বোৰ নুশুনা কৰি,সুৰবোৰ বেসুৰা কৰি দলিয়াই
দে,ডলাত বৌতিয়ে চাউল জৰাৰ দৰেই
টোপনি লাগে,টোপনি লাগে
আমাৰে মইনা শুবৰে বুলি নিচুকাব
আইৰ বুকুত মুখগুজি জিৰাবলৈ সেই দিন নাহিব
থৈ দে,থৈ দে
জাৰি জোকাৰি বচাখিনি লগত
মিতিৰালি কৰি দে ,সাঁচি থ বাকীখিনি,
আকৌ এদিন সাৰে থকা নিশালৈ
পাগুলিবলৈ বুলি..
ক' ৰবাত বাজিছে দেহ উঠা বাদ্য
ভগা হিয়াত জী উঠিছে হজমহীন বিষাদৰ তাণ্ডৱ
আস্ ! কষ্ট
মন' টনাছৰ নায়ক হৈ জীয়াই থকাৰ কষ্ট
আশা ভঙ্গৰ নিদাৰুণত

দেবাৰুণৰ অভিনয় কৰাৰ কষ্ট
শুন তইও শুন, মোৰ মাতাল কথা
দি যা তইও দুটামান ঠাট্টা ৰ ৰসগোল্লা
তহঁতৰ দৃষ্টিত মোৰ মগজু বিকৃতি
নালাগে, নিবিচাৰোঁ শিল্পীৰ স্বীকৃতি
অলিয়ে-গলিয়ে সুৰ বিয়পালো,
ভাৰতনাট্যম কিম্বা ওজাপালিৰ
ভঙ্গীয়ে মঞ্চ কঁপালো
নাই নেদেখিলি তহঁতে
শিল্পী পেঞ্চন ৰ টকালৈ লোভৰ দৃষ্টি খোঁচৰিলি
মোৰ অঙ্গে পতঙ্গে মাতালৰ ভাওনা দেখিলি
ইন্দ্ৰ সভাৰ অপ্সৰা,মেনকা কিম্বা উৰ্বসী সজালি
এহ্ আৰু আগ নবঢ়াও
থৈ দে,তহঁতবোৰ শুই দে,
নিশাটো মোৰ বাবে এৰি দে
পায়েলযোৰ পিন্ধি ললো
মাজনিশাৰ নটৰাজ ৰ ঝুনঝুননিত
কালিকালগা বুলি দুৱাৰ বন্ধ কৰিলোঁ!!

শুই পৰা এটি সুৰ...

অপৰ্ণা দেৱী
স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক
ইংৰাজী বিভাগ

এটি চিৰসেউজ সুৰ,
এটি সুৰীয়া আৱেগ।
এখনি কেতিয়াও নাভাগৰা
অন্তহীন সাগৰ,
এটি জীৱন যেন লগা গীত।
অসমীয়াৰ হিয়াৰ আমঠু,
প্ৰাণ দায়িনী এক শক্তি
"জুবিন"।
যি নিঃস্বাৰ্থ,
যাৰ কোনো জাতি,
ধৰ্ম নাই,
এক মুক্ত সত্ত্বা।
যি আকাশৰ দৰে
বিশাল হৃদয়ৰ গৰাকী,
সাগৰৰ গভীৰতাৰ দৰেই
যি নিভাঁজ।
হাঁহি এটি পিন্ধি লোৱা এটি ৰং,
শেষ নোহোৱা এটি
অবিৰাম স্পন্দন।
শালিকী পুৱাৰ এজাক
মিঠা ৰ'দ,
এটি আপোন সুৰীয়া হাঁহি।
জীৱন যেন লগা জুবিন।
যি অদ্বিতীয়, অবিস্মৰণীয়, অমৰ।।

যুৱ প্ৰজন্মৰ দৃষ্টিত জনজাতিকৰণৰ ক্ষেত্ৰত জনগোষ্ঠীয় সংগঠনৰ কাৰ্যপন্থা কেনেধৰণৰ হোৱা উচিত।

আকাশ কলিতা,
দ্বিতীয় ষান্মাষিক
ডিব্ৰুগড় বিশ্ববিদ্যালয়।

অধ্যাপক সঞ্জীৱ বৰুৱাই তেওঁৰ Durable Disorder শীৰ্ষক গ্ৰন্থখনত কৈছিল,"Assam is home to a diverse range of indigenous tribes, each with its distinct cultural identity, language, and traditions."। সঁচাকৈয়ে উত্তৰ-পূৰ্বাঞ্চল জনগোষ্ঠীয়, নৃতাত্বিক অধ্যয়নৰ বাবে সম্পদৰ ভঁৰাল।অসমৰ ভূমি বিভিন্ন জাতি-জনগোষ্ঠীৰ খনি স্বৰূপ। অতীতৰ পৰাই অসমত বিভিন্ন জনগোষ্ঠী সমিলমিলেৰে বসবাস কৰি আহিছে। নৃগোষ্ঠী বা জনগোষ্ঠী হৈছে এক আদিম সত্তা, যাৰ অস্তিত্ব আছে স্মৰণাতীত কালৰে পৰা। তাৰ বিপৰীতে জাতি অথবা জাতিসত্তা হৈছে পুঁজিবাদৰ যুগৰ এক আধুনিক ধাৰণা। ই এক পশ্চিমীয়া ধাৰণাও। ইউৰোপৰ দেশবোৰত বুৰ্জোৱা গণতান্ত্ৰিক আন্দোলনৰ প্ৰক্ৰিয়াত জাতিবোৰ গঠিত হৈছিল। কিন্তু ভাৰতৰ দৰে উপনিবেশিক/অৰ্ধ-ঔপনিবেশিক আৰু

সামন্তবাদী/অৰ্ধসামন্তবাদী দেশত আধুনিক ধৰণৰ জাতি গঠনৰ কামৰ এতিয়াও সামৰনি পৰা নাই।

ভাৰতৰ সংবিধানে পৰিস্কাৰকৈ কয় যে যিকোনো জনগোষ্ঠীক অনুসূচীত জনজাতি (Scheduled Tribe - ST) হিচাপে স্বীকৃতি দিয়া হ'ব পাৰে, যদি সেই গোষ্ঠীয়ে কিছুমান নিৰ্দিষ্ট মানদণ্ড পূৰণ কৰে। সংবিধানৰ ৩৪২ নং অনুচ্ছেদই এই দিশত নিৰ্দেশনা দিয়ে। জনজাতিকৰণ কোনোৰূপে কেৱল ৰাজনৈতিক সুবিধাৰ প্ৰয়াস নহয়; ই হৈছে সাংস্কৃতিক, ঐতিহাসিক আৰু অৰ্থনৈতিক অধিকাৰৰ স্বীকৃতি বিচৰা এক ন্যায়পূৰ্ণ আন্দোলন।এই আন্দোলনত যুৱ প্ৰজন্মৰ ভূমিকা দুটা দিশত গুৰুত্বপূৰ্ণ — প্ৰথম, তথ্যভিত্তিক আন্দোলন আগবঢ়োৱা; দ্বিতীয়, গণসচেতনতা গঢ়ি তোলা। বিশেষকৈ অসমৰ চুতীয়া, আহোম, কোঁচ-ৰাজবংশী, মৰাণ, মটক আৰু চাহ-জনগোষ্ঠী আদিয়ে বহু বছৰ ধৰি এই দাবী আগবঢ়াইছে। ড° বি.আৰ. আম্বেদকাৰে কৈছিল, *"সংৰক্ষণ হৈছে পিছপৰা শ্ৰেণীসমূহক সমতাৰ মঞ্চলৈ অনাৰ একমাত্ৰ উপায়।"* এই দৃষ্টিকোণৰ পৰা, যুৱ সমাজে তথ্য, যুক্তি, আৰু সংগঠনৰ জৰিয়তে জাতিগত অধিকাৰৰ প্ৰয়াস আগবঢ়াব লাগিব।

সংবিধান আৰু জনজাতিকৰণ: নৈতিক আৰু আইনী পটভূমি:-

সংবিধানৰ ৩৪২ নং অনুচ্ছেদৰ বৈশিষ্ট্য-

৩৪২ নং অনুচ্ছেদত ৰাষ্ট্ৰপতিৰ দ্বাৰা ঘোষণা আৰু সংসদৰ অনুমোদনেৰে জনজাতিসকলক অনুসুচিত জনগোষ্ঠী (ST) হিচাপে স্বীকৃতি দিয়া হয়। এই স্বীকৃতি লাভ কৰিলে বিভিন্ন সুবিধা, যেনে — সংৰক্ষণ (শিক্ষা, চাকৰি, ৰাজনীতি), উন্নয়ন প্ৰকল্প, সাংস্কৃতিক সংৰক্ষণ আদিৰ বাবে সুৰক্ষা লাভ কৰে। এই অনুচ্ছেদৰ অধীনত কিছুমান মানদণ্ড নিৰ্ধাৰিত হৈছে: *আদিম চাৰিত্ৰিক বৈশিষ্ট্য, ভৌগোলিক বিচ্ছিন্নতা, স্বকীয় সংস্কৃতি, বৃহৎ সমাজৰ সৈতে সংকোচ আৰু অৰ্থনৈতিক অনগ্ৰসৰতা।*

এই মানদণ্ড অসমবাসী বহু গোষ্ঠীয়ে পূৰণ কৰে। তথাপিও তেওঁলোকে এতিয়ালৈ জনজাতিৰ স্বীকৃতি লাভ কৰা নাই। ইয়াত জনগোষ্ঠীয় সংগঠনৰ সচেতনতা আৰু যুৱ প্ৰজন্মৰ উৎসাহৰ অভাৱ অন্যতম কাৰক।জনজাতিকৰণক বহু সময়তে "বৈষম্যমূলক সুবিধা বিচৰা" বুলি অপবাদ দিয়া হয়। কিন্তু এই অভিযোগৰ প্ৰতিবাদত ড° এ.পি.জে. আব্দুল কালামে কৈছিল —“ন্যায়পূৰ্ণ সমাজ গঠন কৰিবলৈ হ’লে প্ৰতিটো সম্প্ৰদায়ৰ স্বীকৃতি আৰু উন্নয়ন অতি প্ৰয়োজন।” অতএব, জনজাতিকৰণ কোনো এক বিশেষ গোটৰ লাভৰ চেষ্টা নহয়; ই হৈছে ঐতিহাসিক অন্যায়ৰ পুনৰ সংশোধন।

অসমৰ দাবীদাৰ জনগোষ্ঠীসমূহ আৰু তেওঁলোকৰ ঐতিহাসিক পটভূমিঃ

বিশিষ্ট সমাজবিজ্ঞানী সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈছিল, *“অসমৰ জনজাতিসমূহৰ সংস্কৃতি আৰু ইতিহাস ভাৰতীয় সভ্যতাৰ এক অবিচ্ছেদ্য অংগ।”* অসমৰো জনজাতিসমূহৰ এক ঐতিহাসিক ভূমিকা আছে। প্ৰতিটো জনজাতিয়ে ৰাজনৈতিক প্ৰেক্ষাপটত খেলুৱৈৰ ভূমিকা পালন কৰিছিল। তলত প্ৰতিটো জনজাতিৰ বিষয়ে কিছু আলোচনা কৰা হ'ল।

কোঁচ-ৰাজবংশী জনগোষ্ঠী অসমৰ এটি প্ৰাচীন আৰু সাংস্কৃতিকভাৱে সমৃদ্ধ জনগোষ্ঠী। ইতিহাসত দেখা যায় যে এই জনগোষ্ঠী কামতা ৰাজ্যৰ অধিপতি আছিল, যি এক সময়ত উত্তৰ-পূব ভাৰতৰ এটা শক্তিশালী ৰাজনৈতিক একক হিচাপে বিবেচিত হৈছিল। কামতা ৰাজ্যৰ ৰাজধানী আছিল কোচ হাজো আৰু কোচ বিহাৰ ; তাত শাসন কৰিছিল নীলাধ্বজধ ,বিশ্বসিংহ, নৰনাৰায়ণ আদি কোঁচ ৰাজাধিৰাজসকলে। তেওঁলোকৰ এই শাসন প্ৰথাই এই গোটটোক পৃথক ৰাজনৈতিক সংগঠন হিচাপে চিনাক্ত কৰে। ভাষাগতভাৱে, কোঁচ-ৰাজবংশীসকল কমতাপুৰী ভাষা ব্যৱহাৰ কৰে, যাৰ মূল আৰু গঠন বিশেষকৈ বড়ো-কছাৰী ভাষাগোষ্ঠীৰ লগত সাদৃশ্যযুক্ত। এই ভাষাগত আৰু সাংস্কৃতিক বৈশিষ্ট্যসমূহ তেওঁলোকক অসমীয়া মূল ধাৰাৰ পৰা এক বিশেষ পৃথকতা দিয়ে, যি জনজাতি স্বীকৃতিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মানদণ্ড।

১৯৯৬ চনত ভাৰত চৰকাৰে এক অধ্যাদেশ জাৰি কৰি কোঁচ-ৰাজবংশীক অনুসুচিত জনগোষ্ঠীৰ তালিকাত অন্তৰ্ভুক্ত কৰিছিল, যদিও এই অন্তৰ্ভুক্তি অস্থায়ী আৰু অঞ্চলভিত্তিক আছিল। তাৰ পিছৰ পৰাই এই জনগোষ্ঠীয়ে স্থায়ীভাৱে অনুসুচিত জনজাতি স্বীকৃতি লাভৰ বাবে আন্দোলন, গৱেষণা, আৰু ৰাজনৈতিক আলোচনাৰ জৰিয়তে নিজৰ দাবী আগবঢ়াই আহিছে। ইতিহাস, ভাষা, আৰু ৰাজনৈতিক সংগঠনৰ ভিত্তিত, কোঁচ-ৰাজবংশীসকলৰ জনজাতিকৰণৰ দাবী এক ন্যায়সঙ্গত আৰু তথ্যভিত্তিক প্ৰচেষ্টা হিচাপে বিবেচনা কৰিব পৰা যায়।

চুতীয়া জনগোষ্ঠী অসমৰ এটি ঐতিহাসিকভাৱে প্ৰাচীন আৰু সাংস্কৃতিকভাৱে বিশেষকৈ শক্তিশালী জনগোষ্ঠী। ই ১৩শ শতিকাৰ পৰা ১৬শ শতিকালৈকে অসমত পৃথক আৰু স্বতন্ত্ৰ ৰাজত্ব গঠন কৰিছিল। চুতীয়া ৰাজ্যৰ মূল অঞ্চল আছিল পুৰ্বাঞ্চলৰ সদিয়া, মৰাণ, আৰু ধেমাজি অঞ্চল, য'ত তেওঁলোকৰ ৰাজধানী আছিল ৰত্নপুৰ। এই ৰাজত্বৰ সময়ছোৱাত চুতীয়াসকলে আঞ্চলিক ৰাজনীতি, ধৰ্ম-সংস্কৃতি, আৰু অৰ্থনীতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ধৰ্ম আৰু সংস্কৃতিৰ ক্ষেত্ৰত চুতীয়াসকলৰ নিজস্ব পৰিচয় আছে। তেওঁলোকে মূলত শিৱ উপাসক আছিল, আৰু শিৱমন্দিৰ স্থাপন আৰু উপাসনাৰ ক্ষেত্ৰত বিস্তৃত কীৰ্তি থকা দেখা যায়। বহুতো শিৱমন্দিৰ, যেনে বুঢ়ী গোঁসাইৰ দেউল, তাম্ৰেশ্বৰী দেউল, চুতীয়া ৰাজত্বৰ সময়ৰ নিদৰ্শন। ঈশ্বৰ বিশ্বাস আৰু ৰীতিনীতিৰ ক্ষেত্ৰত তেওঁলোকৰ ধৰ্মীয় পৰিচয় সজাগ আৰু স্বতন্ত্ৰ আছিল।

তাঁত শিল্পতো চুতীয়াসকলে নিজৰ পৃথকতা প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ মাজত বিশেষকৈ পট-মুগা বস্ত্ৰ, নান্দনিক নিপুণতা, আৰু ঐতিহ্যগত বস্ত্ৰালংকাৰ ব্যৱহাৰ প্ৰচলিত আছিল। ইয়াৰ ফলত তেওঁলোকৰ সাংস্কৃতিক পৰিচয় আৰু জীৱনযাপন অন্য জনগোষ্ঠীৰ পৰা স্বতন্ত্ৰ ৰূপত গঢ় লৈছিল। চুতীয়া জনগোষ্ঠীৰ ইতিহাসৰ বিৱৰণ চুতীয়া বুৰঞ্জী, Edward Gait ৰ "A History of Assam", আৰু অন্যান্য ঐতিহাসিক গ্ৰন্থসমূহত বিস্তৃতভাৱে দৃষ্টিগোচৰ হয়। Gait-এ উল্লেখ কৰিছে যে চুতীয়া ৰাজত্ব আছিল টাই-শ্যান মূলৰ এজন শক্তিশালী ৰাজনৈতিক গঠন, যিয়ে আহোমসকলৰ আগমনপূৰ্বে সমগ্ৰ উত্তৰ-পূব অসমৰ এক বিস্তৃত অংশত আধিপত্য বিস্তাৰ কৰিছিল। ১৬শ শতিকাৰ পিছত আহোম-চুতীয়া সংঘৰ্ষৰ ফলত এই ৰাজত্ব লোপ পায়, কিন্তু জনগোষ্ঠী হিচাপে চুতীয়াসকলে নিজৰ ভাষা, ধৰ্ম, পৰম্পৰা আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰি আহিছে। ইতিহাস, ভাষা, ধৰ্ম, সংস্কৃতি, আৰু আৰ্হিক পৰিচয়ৰ আধাৰত চুতীয়া জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী সম্পূৰ্ণৰূপে বৈজ্ঞানিক, ঐতিহাসিক আৰু সাংবিধানিক দিশৰ পৰা যুক্তিসংগত বুলি বিবেচনা কৰিব পৰা যায়।

চাহ জনগোষ্ঠী হৈছে অসমৰ এক বৃহৎ জনগোষ্ঠী, যাৰ উৎপত্তি ব্ৰিটিছ উপনিবেশিক যুগত চাহ বাগিচাত কৰ্মত নিযুক্ত কৰ্মচাৰী হিচাপে অসমলৈ অনা বিভিন্ন আদিবাসী গোটসমূহৰ পৰা হৈছে। এই গোটৰ ভিতৰত সাঁওতাল, ওঁৰাৱ, মুণ্ডা, খাৰিয়া, গোণ্ড, কোৰ্কু, পৰুৱা, আদিবাসী আদিৰ পৰা আহি থকা প্ৰায় ৯৭টা উপ-গোষ্ঠীৰ সমন্বয় দেখা যায়।

তেওঁলোকৰ মাজৰ ২৬টা উপ-গোষ্ঠী ইতিমধ্যে ভাৰতৰ বিভিন্ন ৰাজ্যত ST হিচাপে স্বীকৃত, যেনে ঝাড়খণ্ড, উড়িষ্যা, ছত্তিশগড় আদিত। কিন্তু অসমত তেওঁলোকে এই স্বীকৃতি লাভ নকৰাত, তেখেতসকল আৰ্থ-সামাজিক, শিক্ষাগত, আৰু ৰাজনৈতিক দিশত পৰ্যাপ্ত সুযোগ-সুবিধাৰ পৰা বঞ্চিত হৈ আছে।

আহোম সম্প্ৰদায় অসমৰ ইতিহাসত এক অত্যন্ত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। এই জনগোষ্ঠীৰ উৎস টাই-শ্যান পৰিয়াল, যি দক্ষিণ-পূব এছিয়াৰ অঞ্চল (বিশেষকৈ বৰ্তমানৰ থাইলেণ্ড, ম্যানমাৰ)ৰ সৈতে সংযুক্ত। ১২২৮ চনত চাও-লুং চুকাফা নামৰ আহোম নেতা অসমৰ পৰা প্ৰৱেশ কৰি আসমত নিজস্ব ৰাজ্য প্ৰতিষ্ঠা কৰে। তাৰপৰা আৰম্ভ হৈ আহোমসকলে প্ৰায় ৬০০ বছৰৰ অধিক সময় ধৰি অসমৰ বৃহৎ অংশত ৰাজত্ব কৰিছিল। এই শাসনকালত তেওঁলোকে অসমত এটা সুসংগঠিত প্ৰশাসনিক কাঠামো, শক্তিশালী সামৰিক ব্যৱস্থা, আৰু সাংগঠনিক সামাজিক শৃংখলা গঢ়ি তুলিছিল।

আহোমসকলৰ ভাষা, খাদ্যাভ্যাস, ধৰ্মীয় আচাৰ-ব্যৱহাৰ আৰু জীৱনশৈলী অন্যান্য জনগোষ্ঠীৰ পৰা আলাদা আছিল। তেওঁলোকৰ প্ৰাচীন ভাষা টাই আহোম, যাৰ নিজস্ব লিপি আছিল, যদিও বৰ্তমান এই ভাষা প্ৰায় লুপ্ত হোৱাৰ মুখামুখি। খাদ্যৰ ক্ষেত্ৰত চাউল, মাছ, হাঁহ-মাংস, আৰু পিঠা-পনীয়া জাতীয় খাদ্যবস্তুৰ প্ৰাধান্য আছিল, আৰু কিছু খাদ্য তৈয়াৰত তেওঁলোকে বাঁহ, পাত, আৰু প্ৰাকৃতিক সামগ্ৰী ব্যৱহাৰ

কৰিছিল। ধৰ্মীয় দিশৰ ক্ষেত্ৰত আহোমসকলে মূলত অ্যানিমিজম আৰু পূৰ্বপুৰুষ উপাসনা (মে-ডাম-মে-ফি) চৰ্চা কৰিছিল, যি ভাৰতীয় মূল ধৰ্মসমূহৰ পৰা পৃথক। পিছলৈ তেওঁলোকৰ একাংশে হিন্দুধৰ্ম গ্ৰহণ কৰিলে যদিও, আহোম পৰম্পৰাগত ধৰ্মীয় প্ৰথা আৰু উৎসৱসমূহ (যেনে মে-ডাম-মে-ফি, চাউ-লুং উৎসৱ) আজিও বহু মৰ্মগত ৰূপত জীৱন্ত। আহোমসকলৰ শাসনকালত অসমত সিচাঁই, কৃষি, পাট-মুগা, তালপাতৰ দলিল, আৰু কুঁহিপাতৰ সঞ্চয়ৰ দৰে উন্নত ব্যৱস্থা প্ৰচলন পাইছিল। তেওঁলোকে অসমীয়া ভাষা আৰু সংস্কৃতিৰ সৈতে সুসঙ্গতি ৰক্ষা কৰি অসমীয়াত্বৰ গঠনত এক বিশাল ভূমিকা লৈছিল। এই সকলো বৈশিষ্ট্যৰে ভিত্তিত আহোম জনগোষ্ঠীয়ে সংবিধানিক ৩৪২ অনুচ্ছেদত উল্লিখিত অনুসুচিত জনজাতি মানদণ্ড পূৰণ কৰে।

মৰাণ আৰু মটক সম্প্ৰদায় অসমৰ এটি প্ৰাচীন আৰু সাংস্কৃতিকভাৱে গুৰুত্বপূৰ্ণ জনগোষ্ঠী। ইতিহাস অনুসৰি, এই গোষ্ঠীসমূহ উত্তৰ-পূব অসমত অৱস্থিত “বেংমৰা” নামৰ এক স্বাধীন ৰাজ্যৰ অংশ আছিল, যি প্ৰাক-আহোম যুগৰ পৰা ৰাজনৈতিক দিশত সক্ৰিয় আছিল। মটকসকলে ১৮শ শতিকাৰ আৰম্ভণিত স্বতন্ত্ৰ “মটক ৰাজ্য” প্ৰতিষ্ঠা কৰিছিল, যাৰ অন্তৰ্গত ৰাজা স্বৰ্গদেউ সৰ্বনন্দ সিংহ আৰু ৰজা কৃষ্ণসিংহৰ ৰাজত্ব ইতিহাসত উল্লিখিত। এই শাসন ব্যৱস্থাই তেওঁলোকৰ পৃথক ৰাজনৈতিক চেতনাৰ পৰিচয় দিয়ে।

সাংস্কৃতিক দিশৰ পৰাও মৰাণ-মটক জনগোষ্ঠী বৌদ্ধ ধৰ্ম আৰু স্থানীয় পৰম্পৰাগত ধৰ্মবিশ্বাস অনুসৰণ কৰিছিল। তেওঁলোকৰ ধৰ্মীয় আচাৰ-ব্যৱহাৰ আৰু উৎসৱ, যেনে ভক্তি আন্দোলনৰ সৈতে সংযোগ থকা পূজা-পদ্ধতি, লোক-উৎসৱ, আৰু পূৰ্বপুৰুষ উপাসনা, তেওঁলোকৰ নিজস্ব ধৰ্মীয় স্বকীয়তা প্ৰতিফলিত কৰে। বৌদ্ধমতৰে প্ৰভাৱিত হলেও, এই জনগোষ্ঠী স্থানীয় ধৰ্মীয় উপাদানৰ সৈতে এই বিশ্বাসৰ সংমিশ্ৰণ ঘটাই নিজৰ এক অনন্য ধৰ্মীয় পৰিচয় গঢ়ি তুলিছে।নৃতাত্ত্বিকভাৱে এই গোষ্ঠীসমূহ অসমীয়া-টাই গোটৰ অংশ, যি ভাষা, খাদ্যাভ্যাস, আৱাস-শৈলী, আৰু সামাজিক সংগঠনৰ ক্ষেত্ৰত অসমৰ আদিবাসী জনজাতিসকলৰ সৈতে অধিক মিল থকা দেখা যায়। মৰাণ-মটকসকলৰ ভাষাত বড়ো-কছাৰী আৰু টাই-আহোম ভাষাৰ প্ৰভাৱ পৰিলক্ষিত হয়, আৰু তেওঁলোকৰ পৰম্পৰাগত পোছাক, লোকনৃত্য, সংগীত, তথা বৰ্ণনা-কথন প্ৰথা জনজাতিক সংস্কৃতিৰ মূল উপাদানৰ সৈতে সম্পৰ্কিত।

এই সকলো দিশ বিবেচনা কৰিলে, মৰাণ-মটক সম্প্ৰদায়ে সংবিধানৰ ৩৪২ নং অনুচ্ছেদত উল্লিখিত অনুসুচিত জনজাতি স্বীকৃতিৰ মানদণ্ড—স্বকীয় সংস্কৃতি, ভৌগোলিক বিচ্ছিন্নতা, আৰু অৰ্থনৈতিক অনগ্ৰসৰতা—পূৰণ কৰে। সেয়ে, তেওঁলোকৰ জনজাতিকৰণৰ দাবী ঐতিহাসিক, নৃতাত্ত্বিক, আৰু সাংস্কৃতিকভাৱে সুদৃঢ় আৰু ন্যায়সংগত।

জনজাতিকৰণৰ ক্ষেত্ৰত যুৱ প্ৰজন্ম আৰু ছাত্ৰ সংগঠনৰ ভূমিকাঃ

জনজাতিকৰণৰ দাবী সফল কৰাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকা নিৰ্ণায়ক হৈ উঠিছে। এই দাবী কেৱল আবেগৰ ওপৰত নহয়, ঐতিহাসিক আৰু বৈজ্ঞানিক গৱেষণাৰ ভিত্তিত মজবুত কৰি তোলা যুৱ সমাজৰ অন্যতম দায়িত্ব। সেয়ে প্ৰথমতে গৱেষণামূলক দৃষ্টিভংগী গ্ৰহণ কৰাটো অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ বাবে ইতিহাস, লোকসংস্কৃতি, ভাষাতত্ব, আৰু জিন-গৱেষণা (genetic studies)ৰ পৰা সংগৃহীত তথ্যসমূহ প্ৰমাণ হিচাপে আগবঢ়াব লাগিব। প্ৰাচীন শিলালিপি, তাম্ৰলিপি, ভূ-নথি, বুৰঞ্জী, বংশাৱলী, আৰু

লোকসাহিত্যৰ পুথিগত বা মৌখিক ৰূপত সংগ্ৰহ কৰা উপাদানসমূহৰ অধ্যয়নে জনগোষ্ঠীসমূহৰ মৌলিকত্ব প্ৰতিষ্ঠা কৰিব পাৰে। উদাহৰণস্বৰূপে, চুতীয়া বুৰঞ্জী, আহোম বাখ্যান, অথবা কোঁচ-কছাৰী ভাষাৰ সংগ্ৰহ এক গৱেষণাৰ উৎস হিচাপে ব্যৱহাৰ কৰিব পাৰি। ড° বি. আৰ. অম্বেদকাৰে যুক্তিৰে কৈছিল, *"ইতিহাস আৰু তথ্যৰ ভিত্তিতহে ন্যায় দাবী কৰিব পাৰি"*, যি কথাষাৰ আজিৰ যুৱ প্ৰজন্মৰ বাবে দিশ-নিৰ্দেশক।

গৱেষণাৰ বাহিৰেও, সংগঠন আৰু নেতৃত্বৰ ক্ষেত্ৰতো যুৱ সমাজে আগবাঢ়ি আহিব লাগিব। বৰ্তমান সময়ত চুতীয়া যুৱ সন্মিলন,সদৌ অসম চুতীয়া ছাত্ৰ সন্থা, সদৌ টাই আহোম ছাত্ৰ সন্থা, সদৌ মৰাণ ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰ সন্থা, সদৌ অসম চাহ জনগোষ্ঠী ছাত্ৰ সন্থা আদি সংগঠনসমূহ নিজৰ নিজৰ জনজাতি বাবে অনুসুচিত জনজাতিৰ স্বীকৃতিৰ বাবে অহৰহ প্ৰচেষ্টা চলায় আহিছে। কিন্তু ৰাজপথ আন্দোলন, প্ৰতিবাদেই ইয়াৰ একমাত্ৰ উপায় হোৱা উচিত নহয়।সমাজত এক সুসংহত চৰ্চা গঢ়ি তুলিবলৈ সকলো জনজাতিৰ যুৱ যৌথ সংগঠন বা অঞ্চলভিত্তিক যুৱ সংগঠন গঠন কৰাটো সময়ৰ দাবী। এই সংগঠনে ছাত্ৰ, গৱেষক, শিক্ষয়িত্ৰী, আৰু চিন্তাশীল নাগৰিকসকলক সংযুক্ত কৰি আন্দোলনক শক্তি যোগাব পাৰে। অনুসুচিত জনজাতি দাবীলৈ সজাগতা সৃষ্টি কৰাৰ বাবে চেমিনাৰ, কনভেনচন, তথ্যচিত্ৰ প্ৰদৰ্শনী, আৰু বুদ্ধিজীৱী বিতৰ্ক আয়োজন কৰিব লাগিব, য'ত ৰাজনৈতিক আৰু শৈক্ষিক ক্ষেত্ৰৰ ব্যক্তিসকলৰ অংশগ্ৰহণ নিশ্চিত কৰা হ'ব। এনেধৰণৰ কাৰ্যকলাপে সমাজত যুক্তিসম্পন্ন আলোচনাৰ বাতাবৰণ সৃষ্টি কৰি, জনজাতিকৰণৰ দাবী প্ৰতি সহানুভূতিশীল দৃষ্টিভংগী গঢ়ি তুলিব পাৰে। সেয়ে, যুৱ সমাজৰ সংগঠিত চিন্তা, গৱেষণাশীল মনোভাব, আৰু দৃষ্টিভংগীৰ পৰিৱৰ্তনেই এই দাবী সফল কৰাৰ মূল চাবিকাঠি।

জনজাতিকৰণৰ দাবীক অধিক শক্তিশালী আৰু সংগঠিত ৰূপত আগবঢ়াবলৈ আন্তঃসম্প্ৰদায়িক সংহতিৰ গুৰুত্ব অপৰিসীম। অসমত অনুসুচিত জনজাতি স্বীকৃতিৰ দাবী কৰা কোঁচ-ৰাজবংশী, মৰাণ, মটক, চুতীয়া, আহোম, আৰু চাহ-জনগোষ্ঠী আদি বিভিন্ন গোটে "অসম জনজাতি সন্মিলন"ৰ দৰে এক ছাতিৰ তলত সংগঠিত হ'লে এই দাবীৰ ৰাজনৈতিক প্ৰভাৱ বহুগুণে বৃদ্ধি পাব। এই ধৰণৰ মৰ্চা গঠনৰ জৰিয়তে কেৱল কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰৰ ওপৰত চাপ সৃষ্টি হ'ব নহয়, লগতে সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰতো এক ঐক্যবদ্ধ জনমত গঢ়ি উঠিব। উল্লেখযোগ্য যে, এই সংহতি বজাই ৰাখোঁতে প্ৰত্যেক গোটে নিজৰ ভাষা, সংস্কৃতি, আৰু ইতিহাসৰ পৃথক স্বত্বা অক্ষুণ্ণ ৰাখি চলিব পাৰে। সংহতিৰ অৰ্থ একতাৰ মাজত একঘেঁহা হোৱাটো নহয়; ই একে উদ্দেশ্যৰ বাবে পৃথক স্বত্বাৰ স্বীকৃতিৰে সংগঠিত আগবাঢ়ি যোৱা এক সামাজিক-ৰাজনৈতিক প্ৰয়াস। সেয়েহে, যুৱ প্ৰজন্মই আন্তঃসম্প্ৰদায়িক সম্প্ৰীতি আৰু সহযোগিতাৰ মডেল আগবঢ়াই এনে এখন সংলগ্ন আৰু সহমতভিত্তিক আন্দোলনৰ নেতৃত্ব দিয়াটো সময়ৰ প্ৰয়োজন।

জনজাতিকৰণৰ দাবী সফল কৰাৰ ক্ষেত্ৰত সংগঠনৰ কৌশলগত আৰু দৃষ্টিভংগীভিত্তিক পদক্ষেপ গ্ৰহণ কৰাটো অত্যন্ত প্ৰয়োজন। এই ক্ষেত্ৰত ৰাজনৈতিক চাপ সৃষ্টি এক মুখ্য কৌশল হিচাপে বিবেচিত। ২০২৪ চনৰ অসম চৰকাৰৰ অনুসুচিত জনজাতি প্ৰমাণপত্ৰ নীতি অনুসৰি, যিসকল জনগোষ্ঠীয়ে স্বীকৃতি বিচাৰে, তেওঁলোকে সংগঠিতভাৱে এই নীতিৰ চুক্তিসমূহ অনুসৰণ কৰি দাবী আগবঢ়াব লাগিব। এই নীতিত সংগ্ৰহীত তথ্য, পৰম্পৰা, সামাজিক-অৱস্থান, আৰু সাংস্কৃতিক স্বকীয়তাৰ ভিত্তিত দাবী দাখিলৰ কথা উল্লেখ আছে। সংগঠনে উচিতভাৱে অসম বিধানসভাৰ বিধায়কসকলক আৰু লোকসভা-ৰাজ্যসভাৰ সাংসদসকলক তেওঁলোকৰ সাংবিধানিক দায়িত্বৰ কথা স্মৰণ কৰাই, কেন্দ্ৰীয় চৰকাৰৰ ওপৰত দাবী অনুমোদনৰ ক্ষেত্ৰত চাপ সৃষ্টি কৰিব পাৰে। কাৰণ, সংবিধানৰ ৩৪২ নং অনুচ্ছেদ অনুসৰি, অনুসুচিত জনজাতি স্বীকৃতি দিয়াৰ ক্ষমতা ৰাষ্ট্ৰপতিৰ থাকিলেও, সেই প্ৰস্তাৱ ৰাজ্য চৰকাৰৰ পৰামৰ্শ আৰু তথ্যৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে সংগঠনে উপযুক্ত তথ্য, লোকসমৰ্থন, আৰু গণচাপৰ জৰিয়তে এই প্ৰস্তাৱ

আগবঢ়াব লাগে। এই পথৰ জৰিয়তে দাবী আইনীভাৱে সমৰ্থনযোগ্য আৰু ৰাজনৈতিকভাৱে গম্ভীৰ ৰূপ ল'ব পাৰে।

জনজাতিকৰণৰ দাবী সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত জনসমৰ্থন আদায় কৰাৰ বাবে সামাজিক মাধ্যম এক শক্তিশালী হাতিয়াৰ হিচাপে পৰিগণিত হৈছে। আজিৰ যুগত ইউটিউব, ইনষ্টাগ্ৰাম, ফেচবুক আদিৰ জৰিয়তে প্ৰতিটো জনগোষ্ঠীয়ে নিজৰ সাংস্কৃতিক পৰম্পৰা, নৃত্য, ধৰ্মীয় আচাৰ-বিচাৰ, উৎসৱ ইত্যাদিক বিশ্বমঞ্চত উপস্থাপন কৰিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে, আহোম জনগোষ্ঠীৰ মে-ডাম-মে-ফি, যি পিতৃ-পিতামহক সোঁৱৰাৰ এক ঐতিহাসিক আচাৰ, বা মৰাণ জনগোষ্ঠীৰ কুলাবুঢ়ী নৃত্য, যি কৃষিজীৱনৰ সৈতে জড়িত—এইসকল সাংস্কৃতিক অভিব্যক্তি ছ'চিয়েল মিডিয়াত দৃষ্টিনন্দন ভাৱে ছাঁৰ পালে, জনমত গঢ়িবলৈ বিশেষ সহায় হব পাৰে। এই ধৰণৰ প্ৰচাৰৰ জৰিয়তে সম্প্ৰদায়ৰ স্বকীয়তা প্ৰমাণ কৰাৰ লগতে, বহিঃসম্প্ৰদায়ৰ লোকৰ মাজতো সহানুভূতি আৰু সমৰ্থন বৃদ্ধি পায়। লগতে, গাঁৱৰ পৰা মহানগৰলৈ যুৱ প্ৰজন্ম এইসকল তথ্য চিত্ৰ, গীত, নৃত্যচিত্ৰৰ জৰিয়তে আন্দোলনৰ এক সাংস্কৃতিক পক্ষ আগবঢ়াই, দাবীটোক কৌশলগতভাৱে জনপ্ৰিয় কৰি তুলিব পাৰে। এইক্ষেত্ৰত মহাত্মা গান্ধীৰ বাণী— "সংগঠিত হৈ যুক্তিৰে যুঁজ দিলেহে অধিকাৰ আদায় কৰিব পাৰি"এই ক্ষেত্ৰত অতি প্ৰাসংগিক। সেয়েহে, সামাজিক মাধ্যমত যুক্তিৰে সাজি সাংস্কৃতিক সম্প্ৰচাৰৰ মাধ্যমত এই দাবী আগবঢ়াব লাগে।

জনজাতিকৰণৰ দাবীকে এটা বৌদ্ধিক আৰু গৱেষণামূলক দিশৰ পৰা মজবুত কৰা উদ্দেশ্যে শিক্ষামূলক সচেতনতা বৃদ্ধি কৰাটো অতি প্ৰয়োজন। এই সন্দৰ্ভত, ৰাজ্যৰ বিভিন্ন বিশ্ববিদ্যালয়, গৱেষণা প্ৰতিষ্ঠান আৰু সমাজবিজ্ঞান বিভাগসমূহৰ সহায়ত "অসমৰ জনজাতি: ইতিহাস আৰু অধিকাৰ" শীৰ্ষক আন্তঃবিশ্ববিদ্যালয় গৱেষণা প্ৰতিযোগিতা আয়োজন কৰিব পাৰি। এই ধৰণৰ অনুষ্ঠানৰ জৰিয়তে যুৱ ছাত্ৰ-ছাত্ৰী, গৱেষক আৰু বুদ্ধিজীৱী সমাজৰ মাজত বিষয়টোৰ ওপৰত গভীৰ আলোচনা, দলিল-প্ৰমাণভিত্তিক পৰ্যালোচনা, আৰু আন্তঃসম্প্ৰদায়িক বুজাবুজি সম্ভৱ হয়। লগতে, National Commission for Scheduled Tribes (NCST), নৃতত্ব আৰু ইতিহাস বিভাগসমূহৰ সহযোগত তৰ্ক-বিতৰ্ক, আলোচনা চক্ৰ, আৰু ৱৰ্কশ্বপৰ আয়োজন কৰিব পাৰি। এইসকল শিক্ষামূলক কাৰ্যসূচী দাবীটোক বিজ্ঞানভিত্তিক আৰু তথ্যসমৃদ্ধ কৰি তোলে নহয়, সংগঠনৰ ওপৰত লোকবিশ্বাসও বৃদ্ধি কৰে। এনে এক পৰিৱেশত জনজাতিকৰণৰ প্ৰয়োজনীয়তা এক প্ৰজন্মৰ পৰা আন প্ৰজন্মলৈ যুক্তিৰে পৰিস্ফুট হ'ব পাৰে।

জনজাতিকৰণৰ দাবী আগবঢ়োৱাৰ পথত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান দেখা দিয়ে, যাৰ ভিতৰত ৰাজনৈতিক বিৰোধিতা আৰু আইনী জটিলতা দুটা প্ৰধান। প্ৰথমতে, কিছু বিদ্যমান অনুসুচিত জনজাতি গোট—যেনে বড়ো, মিছিং আদি—এই আশংকা প্ৰকাশ কৰিছে যে নতুন জনগোষ্ঠী তালিকাত অন্তৰ্ভুক্ত হ'লে সংৰক্ষণ কোটাত ভাগ কমি যাব, যাৰ ফলত তেওঁলোকৰ অধিকাৰ হ্ৰাস পোৱাৰ সম্ভাৱনা থাকিব পাৰে। এই সন্দৰ্ভত সমাধান হিচাপে পৃথক সংৰক্ষণ কোটা (sub-quota under ST) প্ৰণয়ন কৰাৰ আৰু জনসংখ্যাৰ আধাৰত জনজাতি ভিন্নীকৰণ নীতি প্ৰয়োগ কৰাৰ দাবী আগবঢ়াব লাগে, যাতে সকলোৱে নিজৰ অধিকাৰৰ উপযুক্ত অংশ লাভ কৰিব পাৰে।

দ্বিতীয়তে, আইনগত দিশৰ পৰা NCST (National Commission for Scheduled Tribes)-ৰ অনুমোদন বাধ্যতামূলক। সংবিধানৰ ৩৪২ নং অনুচ্ছেদৰ অধীনত জনজাতিকৰণৰ বাবে স্থায়ী বসতি, পৰম্পৰাগত ধৰ্ম-সংস্কৃতি, সামাজিক নিয়ম-নীতি আদি প্ৰমাণপত্ৰৰ মানদণ্ড অতিক্ৰম কৰা এক জটিল প্ৰক্ৰিয়া। ইয়াৰ সমাধানৰ বাবে NCST-ৰ সৈতে পদ্ধতিগত পৰামৰ্শৰ উপৰি, আইনী বিশেষজ্ঞ, নৃতত্ত্ববিদ, আৰু ইতিহাসবিদৰ সমন্বয়ে এক দল গঠন কৰি সকলো তথ্য বৈজ্ঞানিকভাৱে সংগ্ৰহ আৰু উপস্থাপন কৰিব লাগে। এই পৰিপ্ৰেক্ষিতত জৱাহৰলাল নেহৰুৰ বাণী— *"যি জাতিয়ে নিজৰ ইতিহাস নাজানে, সি ভৱিষ্যত গঢ়িব নোৱাৰে"* প্ৰাসংগিকতা লাভ কৰে। সেয়েহে,

ইতিহাস, পৰম্পৰা আৰু প্ৰমাণৰ মজবুত আধাৰত দাবী আগবঢ়াই আইনী প্ৰতিবন্ধকতা সফলতাৰে অতিক্ৰম কৰিব পাৰি।

ড° ভূপেন হাজৰিকাৰ এই গম্ভীৰ বাণী— *“অসমৰ প্ৰতিটো জনগোষ্ঠীয়ে ইয়াৰ মাটিৰ ৰং, সংস্কৃতিৰ গোন্ধ লৈ আছে।* এই ঐতিহ্য ৰক্ষা কৰাটো আমাৰ কৰ্তব্য”—ৰ আধাৰত জনজাতিকৰণৰ দাবীক কেৱল এখন ৰাজনৈতিক বা আইনী আন্দোলন হিচাপে নহয়, বৰঞ্চ সাংস্কৃতিক অধিকাৰ আৰু আত্মপৰিচয়ৰ সংগ্ৰাম হিচাপে বিবেচনা কৰিব লাগে। এই দাবী সংবিধানিক ৩৪২ নং অনুচ্ছেদৰ অধীনত এক ন্যায়সঙ্গত আৰু বৈজ্ঞানিকভাৱে সন্মানজনক স্থান বিচৰা প্ৰচেষ্টা, যিয়ে অসমক এখন বাস্তৱিক জনজাতীয় ৰাজ্য ৰূপে পৰিগণিত কৰাৰ দিশে আগবাঢ়ায়। এই লক্ষ্য সফল কৰিবলৈ জনগোষ্ঠীয় সংগঠনে ঐক্যবদ্ধ নেতৃত্ব, তথ্যভিত্তিক যুক্তি, সাংস্কৃতিক প্ৰচাৰ আৰু গণসংলাপৰ মাধ্যমে সমাজৰ সকলো স্তৰলৈ প্ৰভাৱ বিস্তাৰ কৰিব লাগিব। বিশেষকৈ যুৱ প্ৰজন্মই গৱেষণা, সংগঠন, আৰু প্ৰযুক্তিমূলক কৌশলৰ জৰিয়তে এই আন্দোলনৰ নেতৃত্ব ল’লে, এই দাবী আগন্তুক দিনত অধিক যুক্তিসংগত, জনভিত্তিক আৰু সফল হ’ব পাৰে। জনজাতিকৰণ একতাৰ পৰা উদ্ভূত, তথ্যেৰে সমৃদ্ধ, আৰু ন্যায়বোধেৰে চালিত এক পূৰ্ণাংগ সামাজিক ন্যায়ৰ আৰ্হি হ’ব লাগিব। ■

তথ্য উৎস

১.Census of India, 1901 (Bengal Province Report)
২.A History of Assam – Edward Gait
৩.National Commission for Scheduled Tribes (NCST) Guidelines
৪.Assam Government’s ST Certificate Policy, 2024
৫.Constituent Assembly Debates (Dr. B.R. Ambedkar, 1949)
৬.Assamese Ethnographic Research Journals (2020–24)
৭.Assam Legislative Assembly Reports on Ethnic Affairs
৮.অসমীয়া জাতি গঠন প্ৰক্ৰিয়া, ড° দেৱব্ৰত শৰ্মা।
৯.Durable Disorder: Understanding the Politics of Northeast India,Sanjib Boruah

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

নিৰ্বাচিত গ্ৰন্থ: জছনাৰ ঝিটাছ

গ্ৰন্থকাৰ: অৰূপা পটঙ্গীয়া কলিতা

শ্ৰী গৌৰী পৱন বৰা
বিভাগ: পদাৰ্থ বিজ্ঞান বিভাগ

গ্ৰন্থখন নিৰ্বাচন কৰাৰ কাৰণ- মই চাহগছ,চাহবাগান আৰু চাহ জনজাতিৰ প্ৰতি সদায় আকৰ্ষণ অনুভৱ কৰি আহিছোঁ কেইমাহমানৰ আগতে মূল্কৰাজ আনন্দৰ উপন্যাস "Two Leaves and a Bud" পঢ়াৰ পাছত চাহ বাগিচাৰ ভিতৰৰ কাহিনীবোৰ বিতংকৈ জানিবলৈ অধিক আগ্ৰহী হৈছিলোঁ তাৰোপৰি অৰূপা পটঙ্গীয়া কলিতা বাইদেউৰ লিখনশৈলীয়ে মোক সততে অনুপ্ৰাণিত কৰি আহিছে৷তাৰ পৰিপ্ৰেক্ষিততেই সমালোচনাৰ বাবে নিৰ্বাচন কৰিছোঁ "জছনাৰ ঝিটাছ" উপন্যাসখন৷

"জছনাৰ ঝিটাছ"(অৰ্থাৎ জোনাকৰ আছাৰকনি) চাহ বাগিছাৰ সংগ্ৰামী জীৱনৰ প্ৰত্যেকটো দিশ প্ৰতিফলিত হোৱা এক নিকা,স্বচ্ছ দাপোন। উপন্যাসখনিৰ মূল বিষয়বস্তু হৈছে চাহ বাগিচাৰ স্বাধীনতা সংগ্ৰামী নাৰী দুৰ্গী ভূমিজৰ দুখ-দুৰ্দশাৰে ভৰা কৰুণ জীৱন সংগ্ৰাম আৰু তাৰ লগতে ঔপনিবেশিক শাসনৰ কৰালগ্ৰাসত পৰি জীৱনৰ সুধা হেৰুৱাই পেলোৱা নিপীড়িত,শোষিত চাহ জনজাতীয় লোকসকলৰ মৰ্মস্পৰ্শী ইতিহাস। লেখিকাৰ ভাষাৰে-"যদিও দুৰ্গী এক সঁচা চৰিত্ৰ,দুৰ্গীৰ চাৰিওকাষৰ মানুহবোৰৰো বাস্তৱত শিপা প্ৰোথিত হৈ আছে।...দুৰ্গীৰ জীৱন-জগত মই হৃদয়ত ধাৰণ কৰিছিলোঁ,জন্ম হৈছিল 'জছনাৰ ঝিটাছ'।"

অসমলৈ ব্ৰিটিছ আহি ইয়াত চাহবাগিচা আৰম্ভ কৰাৰ কথাৰে গ্ৰন্থখনৰ কাহিনীটো আগবাঢ়িছে।চাহবাগানত কাম কৰিবৰ বাবে ব্ৰিটিছসকলে

সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত অসমীয়া সাহিত্যৰ এগৰাকী শক্তিশালী, প্ৰথিতযশা সাহিত্যিক অৰূপা পটঙ্গীয়া কলিতাৰ উপন্যাস "জছনাৰ ঝিটাছ"-ৰ প্ৰথম প্ৰকাশ হৈছিল ২০22 চনৰ মাৰ্চ মাহত ।প্ৰকাশক- চন্দ্ৰ প্ৰকাশ, পানবজাৰ, গুৱাহাটী-১। মুদ্ৰক- এ. এছ. ৰেব প্ৰচেছ, কালাপাহাৰ, গুৱাহাটী-১৬। ISBN: 978-81- 244-0 671-7 । কিতাপখনৰ মূল্য ৪৬০.০০ টকা আৰু পৃষ্ঠা সংখ্যা ৪৮০। উপন্যাসখন উৎসৰ্গা কৰা হৈছে অসমৰ স্বনামধন্য সাহিত্যিক নিৰুপমা বৰগোহাঞিৰ কৰকমলত।

দিয়াৰ কথা কৈ অসমলৈ লৈ আনে।এই মানুহখিনিৰ মাজতে আছিল ঝাৰখণ্ডৰ চোটনাগপুৰৰ পৰা দুৰ্গী ভূমিজ আৰু তাইৰ স্বামী দচাৰু।ইয়াতে ব্ৰিটিছৰ ধূৰ্ত চৰিত্ৰৰ উমান পোৱা যায়,বুজিব পৰা যায় নিজৰ প্ৰয়োজনৰ খাতিৰত কিমান তললৈ যাব পাৰিছিল বগা ছালৰ লোকসকল।

"চাহাবৰ শেন চকু পৰিল আদিবাসী শ্ৰমজীৱী মানুহখিনিৰ ওপৰত। চাহাবৰ সিয়ান চৰকাৰে এই পৰিশ্ৰমী শ্ৰমিকখিনিক অধিকাৰ কৰ্তন কৰি, কৃত্ৰিম দুৰ্ভিক্ষ সৃষ্টি কৰি, আৰকাঠিয়াৰ হতুৱাই ৰঙীন সপোনৰ মায়াজাল বিস্তাৰ কৰি বান্ধি পেলালে।... বেছিভাগ এই আদিবাসী মূলৰ শ্ৰমিকখিনিক অনা হ'ল অসমৰ চাহ বাগিচাবোৰলৈ।..." (পৃষ্ঠা-৩১)

উপন্যাসখনৰ আৰম্ভণিতেই ব্ৰিটিছৰ ক'লা অধ্যায়,নৃশংসতাৰ ছবিবোৰ স্পষ্টভাবে ফুটি উঠিছে।

"হাইজা লগা বেমাৰী মানুহকেইটাক হাবিখনতে এৰি ষ্টিমাৰে ভোঁ ভোঁ শব্দ কৰি আকৌ নদীত যাবলৈ আৰম্ভ কৰিলে। ভয়ানক হাবিখনৰ পৰা আধামৰা মানুহকিটাই চিঞৰি থাকিল। জাহাজত থকা মানুহবোৰে ভয়তে চুপ মাৰিলে।..." (পৃষ্ঠা-১৫)

আৰ্থিকভাৱে তেনেই জুৰুলা আদিবাসী লোকসকলক চক্ৰান্ত কৰি সুদূৰৰ পৰা অসমলৈ আহিবলৈ বাধ্য কৰাৰ বৰ্ণনাই মূল্কৰাজ আনন্দৰ বিশ্ববিখ্যাত উপন্যাস "Two Leaves and a Bud"- লৈ মনত পেলায়, য'ত বৰ্ণিত হৈছে পাঞ্জাৱৰ পৰা গংগু প্ৰমুখ্যে আন দৰিদ্ৰ কৃষকসকলক স্বচ্ছল জীৱনৰ সপোন দেখুৱাই চাহ বাগিচাত কাম কৰিবলৈ অসমলৈ অনাৰ হৃদয় বিদাৰক কাহিনী। একেদৰে, এই মানুহবোৰক গৰু-ছাগলী লদাদী জাহাজত উঠাই অনা, আধামৰা বেমাৰী মানুহবোৰক জাহাজৰ পৰা বালিচৰলৈ দলিয়াই দিয়া,তাৰে দুটামান মানুহ পানীত পৰাৰ পাছত ঘৰিয়ালে ছিঙি টুকুৰা-টুকুৰা কৰা আদি মৰ্মন্তুদ দৃশ্যবোৰে আমাক মনত পেলাই Harriet Beecher Stowe - ৰ উপন্যাস "Uncle Tom's Cabin" - লৈও।

ব্ৰিটিছ চাহাবৰ নিৰ্দেশত হাড়ভঙা পৰিশ্ৰমেৰে আদিবাসী মানুহখিনিয়ে অটব্য অৰণ্য ভাঙি একোখন চাহবাগিছা গঢ়ি তুলিছিল। দিনটো অপৰিসীম কষ্ট কৰাৰ পাছতো এই খাটিখোৱা লোকসকলে বাঁহীৰ সুৰত, মাদলৰ শব্দত,ঝুমুৰৰ ছন্দত ৰং-তামাচাৰে জীয়াই থাকিবলৈ শিকিছিল।বিভিন্ন ঠাইৰ পৰা অহা মানুহখিনিক আত্মীয়তাৰে বান্ধি ৰাখিছে 'একেই ৰ'দে পোৰা ছাল,পৰিশ্ৰমে মেদহীন কৰি ৰখা দেহা, বুকুৰে কুলাই-পাচিয়ে নধৰা দুখ,ভগা সপোনৰ টুকুৰা'-ই। গান গাই,নাচি-বাগি অচিন দেশত আহি,অচিন বতাহ পানীক আপোন কৰি ল'বলৈ চেষ্টা কৰিছে দুৰ্গীয়েও।

"ইইটা হামৰ আপন দেশ। এহি দেশ মে হামৰ ছ'ৱা-পুতা হতেই। হিয়ামে ৰহতেই। হামো হিয়ামে মৰবই।"(পৃষ্ঠা- ৬২)

আন বহুতৰ দৰেই দুৰ্গী-দচাৰুৰ সংসাৰতো কাজিয়া লাগিছিল,মনোমালিন্য হৈছিল। এবাৰ কাজিয়া লাগি খঙতে দচাৰু ঘৰৰ পৰা ওলাই যায়। তাক বিচাৰি নাপাই উন্মাদ হয় দুৰ্গী। তাইও বিচাৰে তীৰন্দাজ গিৰিয়েকক মৰমেৰে আবৰি ৰাখিবলৈ।

"আৰু নকয়, তাক একো কথাই নকয়। কেৱল মৰমহে কৰিব, মাকে কেঁচুৱাক মৰম কৰাৰ দৰে কৰিব। খুব যত্ন কৰি ৰাখিব, সি বাগানত এতিয়া কাম কৰিব নালাগে। তায়ে কৰিব।... দচাৰু নহ'লে তাই যে বাচিব নোৱাৰিব।..." (পৃষ্ঠা-১৮৫)

ৰঙামুৰা পেৰিটন চাহাবক বচাবলৈ বাধ্য হৈ 'দেওতা সাপ'-ক মৰাৰ পাছৰে পৰা যেন দচাৰুৰ জীৱনলৈ, দুৰ্গীহঁতৰ সংসাৰখনলৈ অন্ধকাৰ নামিছিল। কালা সাধুৰ আখৰাত টেটুৰ গুৰিলৈকে হাড়িয়া আৰু ভাং খাই চাবুকৰ আঘাতত সেৰা পাতি উঠা ঘাঁৰ বিষত 'শালবন এখনত ঘূৰি ফুৰাৰ ছবিখন বুকুত লৈয়ে সি বাগৰি পৰিল।ভিতৰখন ফোঁপোলা হৈ পৰা উঁই হাফলু এটাৰ দৰে মানুহটো হঠাৎ খহি পৰিল, মাটিত মিলি গ'ল।' মৃত্যুৰো কি এক কাব্যিক বৰ্ণনা!

দচাৰুৰ মৃত্যুৰ লগত 'দেওতা সাপ' ক বিজড়িত কৰা কাৰ্য্যৰ লগতে আন কিছু ঘটনা প্ৰবাহেও চাহ শ্ৰমিকসকল মাজত প্ৰচলিত লোকবিশ্বাস, অন্ধবিশ্বাস আদি দিশবোৰকেই সোঁৰৰাই দিয়ে।

"ৰঙা সূতা, ৰঙা কাপোৰ বন্ধা, গছজোপা কাটিবলৈ লওঁতে বনুৱা লাইনত হাল্লা লাগি গৈছিল। ছয় নম্বৰ লাইনৰ মৰা মানুহৰ জীৱবোৰ এই গছজোপাৰ দেৱতাই ৰখি আছে। এই

দেৱতা নোহোৱা হ'লে জীৱবোৰ ভূত হৈ বাগানত বিয়পি পৰিব।..." (পৃষ্ঠা-৪৮)

গিৰিয়েকৰ মৃত্যুৰ পাছত কেইদিনমান খাৱন - শোৱন নোহোৱা হৈ আধা পাগলী হ'ল দুৰ্গী।কিন্তু তাইও আছিল তেজ - মঙহৰে মানুহ। অকলশৰীয়া সহজ-সৰল দুৰ্গীয়ে এদিন সপোন দেখিছিল ফ্ৰেজাৰ চাহাবৰ পত্নী হোৱাৰ।

"দচাৰু গ'লগৈ, তাইৰ কোলা খালী। কোনো আপোনজন নাই। সঁচাকৈয়ে যদি বৰ চাহাবে তাইক মেম কৰিব খোজে, তাই যাবনে? দেৱতাৰ দৰে মানুহ এই বৰ চাহাব। কোনো মাইকীলৈ আজিলৈকে চকু দিয়া নাই, বাগানৰ কামত কিমান খাটে।..." (পৃষ্ঠা- ১৯৯) স্বামীৰ মৃত্যুৰ পাছত এনে বক্তব্যই সততে আমাক সোঁৱৰাই দিয়ে সৰ্বসাধাৰণ লোকৰ সৰু, স্বাভাৱিক অথচ জটিল মনস্তাত্বিক বৈশিষ্ট্য।

এদিন সঁচাকৈয়ে সুশ্ৰী, উচ্ছল যৌৱনৰ অধিকাৰী দুৰ্গীক ফ্ৰেজাৰ চাহাবে নিজৰ বাংলোলৈ লৈ গৈছিল ৰক্ষিতা হিচাপে। দুৰ্গীৰ শৰীৰ চাহাবৰ কাৰণে 'বসন্তৰ প্ৰথম বৰষুণত আগত সোণালী বিন্দু একোটা লৈ ওলাই অহা গ'ল্ডেন টিপ চাহ'। সুদূৰ বিলাতৰ পৰা অহা বগা ছালৰ চাহাবৰ লগত দুৰ্গীৰ প্ৰেমৰ সম্পৰ্কতকৈ যৌনতাৰ ঘ্ৰাণ আছিল বেছি শক্তিশালী।দৰাচলতে দুৰ্গীয়ে সেই সময়ৰ একাংশ নাৰীক প্ৰতিনিধিত্ব কৰিছে, যিয়ে জীয়াই থকাৰ প্ৰবল হেঁপাহ আৰু বাস্তৱৰ নিষ্ঠুৰ সত্যৰ ওচৰত বশ্যতা স্বীকাৰ কৰি বগা চাহাবৰ শোৱনি কোঠাৰ সংগী হৈছিল।স্বামীহাৰা দুৰ্গীয়ে ফ্ৰেজাৰৰ বুকুত বিচাৰিছিল কিছু নিৰাপত্তা।

দুৰ্গী এদিন 'দুৰ্গী মেম' হ'ল ঠিকেই; কিন্তু চাহাবৰ পত্নী হৈও তাই পত্নী নহ'ল, চাহাবৰ ফালৰ পৰা তিনিটাকৈ সন্তান জন্ম দিয়াৰ পাছতো তাই মাতৃ হ'ব নোৱাৰিলে। সোনকালেই মোহভংগ হৈছিল তাইৰ।দুৰ্গীক প্ৰতাৰণা কৰি ফ্ৰেজাৰে সিহঁতৰ মৰমৰ জীয়েকক নিজৰ লগত লৈ পুনৰ ঘূৰি অহাৰ মিছা প্ৰতিশ্ৰুতি দি স্বদেশলৈ গুচি যায়। "ফাকিয়া বেইমান", "ম'ৰ বেটীঠোকে কাঁহা লেই গেল" বুলি পৰিত্যক্ত মেমবাৰীত ঢপলিয়াই ফুৰে দুৰ্গী।

অৱশ্যে তাই আগতেই চাহাবৰ মুখত "ব্লাডি কানট্ৰি", "আনচিভিলাইজদ কানট্ৰি" শব্দবোৰ শুনি এই দেশখনৰ প্ৰতি, ইয়াৰ মানুহবোৰৰ প্ৰতি চাহাবৰ ঘৃণা উপলব্ধি কৰিছিল। নিজৰ দেশতে ব্ৰিটিছৰ গোলাম হোৱাৰ যন্ত্ৰণা তাই অনুভৱ কৰিছিল তেতিয়াই। কুশৰ মৃত্যুত চাহাবৰ চৰিত্ৰ দুৰ্গীয়ে বাৰুকৈয়ে অনুধাৱন কৰিব পাৰিছিল।

দুৰ্গীৰ মনত জ্বলা ক্ৰোধৰ জুই আৰু প্ৰচণ্ড ঘৃণাই তাইক সাহসী কৰি তুলিছে -

"এইসন মেম বাড়ি বানাইকে তহনি কুলী মাইকীকে বৰবাদ কৰে নি পাৰব। ইটো হামানিকেৰ দেশ। হামনিকেৰ দেশ ছইড়কে তহনি জাইকে পড়ি"।(পৃষ্ঠা- ৪০১)

নিজৰ পৰিচয় বিচাৰি দুৰ্গী কেতিয়াবা অন্তৰ্দ্বন্দত ভূগে।তাইৰ জীৱনটোৱেই যেন এটা উত্তৰবিহীন সাঁথৰ। সেই সময়তে 'মালতী মেম'- ৰ জীৱন আৰু মৃত্যুৰ কাহিনীয়ে প্ৰভাৱিত কৰে দুৰ্গীক। মালতীৰ কাহিনীৰ লগত দুৰ্গীৰ কাহিনীবোৰৰো ক'ৰবাত সাদৃশ্য আছিল।সাত সাগৰ তেৰ নদীৰ সিপাৰৰ ব্ৰিটিছ চাহাবৰ দ্বাৰা প্ৰতাৰিত হৈ সহজ-সৰল আদিবাসী নাৰী 'মালতী মেম' কেনেকৈ ব্ৰিটিছ বিদ্বেষী হোৱাৰ লগতে ব্ৰিটিছ বিৰোধী আন্দোলনত শ্বহীদো হৈছিল সেই কাহিনীয়ে বাৰুকৈয়ে অনুপ্ৰাণিত কৰিছিল দুৰ্গীক। মালতীৰ ভূতজনী দুৰ্গীৰ তেজত গলি গলি মিহলি হৈ কলিজাৰ ভিতৰ পাইছিলগৈ। দুৰ্গীৰ তেজত উমি উমি জ্বলি থকা জুইকুৰাত তপত ঘিঁউ ঢালিছিল কন্যা বেবীৰ প্ৰতি শ্বেতাংগ মেমনীৰ নৃশংস বৰ্ণবাদী অপমানে।

স্বাধীনতা ৰণৰ এগৰাকী সেনানী হিচাপে জী উঠিছিল মৃতপ্ৰায় দুৰ্গী। স্বাধীনতা আন্দোলনত অংশ লোৱা দুৰ্গী প্ৰমুখ্যে আন আদিবাসী লোকসকলেও দেশে স্বাধীনতা লাভ কৰিবলৈ অধীৰ আগ্ৰহেৰে বাট চাইছিল। এই সংগ্ৰামৰ বাবেই চোৰাংচোৱাগিৰী কৰাৰ অপৰাধত লাকড়া চাহাবে কু-কৌশলেৰে হত্যা কৰে দুৰ্গীক।

"প্ৰমাণ নাথাকিলেও সকলোৱে বুজি পাইছিল লাকড়া চাহাবেই দুৰ্গীক গুলীয়াইছিল। ...তাই দোষ লগাইছিল। বগা চাহাব খেদা যুঁজখনত তাই উঠি পৰি লাগিছিল।..." (পৃষ্ঠা-৪১৯)

দুৰ্গীৰ ছহিদী মৃত্যুৰ পাছতো লেখিকাৰ অনুসন্ধিৎসু মনটোৱে বিচাৰি ফুৰে পৰৱৰ্তী অধ্যায়বোৰ। লেখিকাই শেষ কৰিও শেষ নকৰা, নতুন শৈলীৰে অন্বেষণ কৰিছে দুৰ্গীৰ বঙহক। সন্ধান কৰিছে জোনাকী পৰুৱাৰ পোহৰ।ইয়েই বহন কৰিছে উপন্যাসখনৰ নামাকৰণৰ তাৎপৰ্য আৰু সাৰ্থকতাৰ।



দুৰ্গীক নিজ দেহত ধাৰণ কৰি দুৰ্গীৰ উত্তৰ প্ৰজন্মৰ পম খেদি তেওঁ লগ পাইছে নুৰ মাষ্টৰ, মাইনাও দৈমাৰী, ড° গোস্বামী আৰু পাইীক। ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণপাৰে সন্ধান কৰিছে জছনাৰ ঝিটাছৰ। সেই সত্যসন্ধানী যাত্ৰাৰ পৰিণতিতে তেওঁ লগ পাইছে শালমৰা বাগিচাত চুলাই কাণ্ডত অন্যায়ৰ বলি হোৱা শিশুবোৰক।চাহাবৰ চাবুকৰ কোবত ৰক্তাক্ত হোৱা, বুট জোতাৰ গোৰত ককাল ভগা শ্ৰমিকে স্বাধীনতাৰ বহু পাছতো তাৰ ফল পোৱা নাই। দুৰ্গীৰ পঞ্চম পীৰিৰ নাতিনী জুলিক বিচাৰি লেখিকাই দেখা পালে এতিয়াও সাম্ৰাজ্যবাদী শোষণৰ পৰা মুক্ত নহয় এই অৱহেলিত জনগোষ্ঠীটো। উপন্যাসখনত বৰ্ণিত স্বৰাজপূৰ্ব আৰু স্বৰাজোত্তৰ কালৰ পৰিস্থিতিবোৰ বিবেচনা কৰিলে স্পষ্ট হৈ পৰে যে মৌলিক আৰু গুণগতভাৱে চাহ জনজাতীয় লোকসকলৰ বৰ্তমানেও বিশেষ উৎকৰ্ষ সাধন হোৱা নাই।

"এতিয়াও হাইজাত মানুহ মৰে পোক-পৰুৱাৰ দৰে।"

ব্ৰিটিছৰ দিনৰ চাহ বাগিচাসমূহত চাহ জনজাতীয় লোকসকলৰ জীৱন যাত্ৰা, স্বাস্থ্য, শিক্ষা, মদৰ অবাধ প্ৰচলন, অন্ধবিশ্বাস ,ৰোগ-ব্যাধিৰ পৰা আৰম্ভ কৰি পাহাৰীয়া অঞ্চলটোৰ প্ৰাকৃতিক সৌন্দৰ্য, গুটি পৰিলেই গজি উঠা গছ,শিয়াল পহু গিলি পেলাব পৰা অজগৰ,চাহ জনগোষ্ঠীয় সংস্কৃতি,মাদলৰ চেও,ঝুমুৰ আদি প্ৰকৃতি আৰু মানৱ জীৱনৰ অনেক সৰু-বৰ ঘটনাক লেখিকাই অকৃত্ৰিম সততা আৰু আন্তৰিকতাৰে উপস্থাপন কৰিছে।মূল কাহিনীভাগৰ লগতে চাহ বাগানৰ জলন্ত সমস্যাবোৰ - চুলাই মদ, সুদখোৰ কাবুলীৱালা, নিৰক্ষৰতা, ভেজাল খাদ্যবস্তুৰ হাট আদিৰ ওপৰতো লেখিকাই আলোকপাত কৰিছে। সমান্তৰালভাৱে লেখিকাই উদঙাই দিছে ব্ৰিটিছৰ সেউজ চাহ বাগিচাসমূহত চলা অমানৱীয় জীৱন আৰু অমানুষিক মৃত্যুৰ ঠিকনা "ডিপো", য'ত হাইজাত আক্ৰান্ত লোকক নিলগাই ৰখা হয় মৰিবলৈ। ডিপোৰ কাহিনী অলপ দকৈ অনুধাৱন কৰিলেই বুজা যায় যায় কিদৰে জীয়াই থকা দিনকেইটাত চৰম অপমান,জাতীয় নিপীড়ন, সামাজিক ঘৃণা-বিদ্বেষৰ চিকাৰ হোৱা লোকসকলে মৃত্যুৰ প্ৰাক - মুহূৰ্ততো ভুগিব লগা হয় অসহ্য যন্ত্ৰণা।

ব্ৰিটিছৰ শাসনকালত অসমত হোৱা অৰ্থনৈতিক আৰু সামাজিক সংস্কাৰসমূহৰো সুন্দৰ বিৱৰণ পোৱা যায়। অসমৰ চাহপাত বিদেশত বিক্ৰী কৰা,বিদেশৰ বিভিন্ন সামগ্ৰী জাহাজত অসমলৈ অনাৰ মনোগ্ৰাহী বৰ্ণনাই গুৰুত্বপূৰ্ণ অৰ্থনৈতিক বিকাশৰ ইংগিত দিয়ে। ঘন অৰণ্যৰে পৰিপূৰ্ণ, ৰসাল ভূমিৰ অসমখনক ব্ৰিটিছে নিজৰ স্বাৰ্থত এখন স্বৰ্ণখনিলৈ ৰূপান্তৰ কৰাৰ বৰ্ণনাও মনোগ্ৰাহীকৈ প্ৰকাশ পাইছে "জছনাৰ ঝিটাছ"-ত।তাৰ পাৰ্শ্বপৰিণতি হিচাপে ব্ৰিটিছৰ তত্ত্বাৱধানত চাহবাগিচাৰ বনুৱাসকলৰ বাবে স্বাস্থ্যকেন্দ্ৰ, বিদ্যালয় আদি নিৰ্মাণ কৰাৰ সাক্ষ্যও উপন্যাসখনে ধৰি ৰাখিছে।

ড° আৰ্নল্ড কোটেলে উপন্যাসৰ এটি তথ্যপূৰ্ণ আৰু চিন্তাশীল সংজ্ঞা দিছিল; তেওঁৰ মতে 'উপন্যাস হৈছে আৱশ্যকীয় দৈৰ্ঘ্যৰ স্বয়ংসম্পূৰ্ণ বাস্তৱধৰ্মী গদ্য কাহিনী'।

উপন্যাসৰ কেইটামান নিৰ্দিষ্ট উপাদান আছে। সেইকেইটা হ'ল - কাহিনী, চৰিত্ৰ, সংলাপ, পৰিৱেশ আৰু ঔপন্যাসিকৰ জীৱন দৰ্শন। এই দিশৰ পৰা "জছনাৰ ঝিটাছ" হৈছে চৰিত্ৰকেন্দ্ৰিক উপন্যাস। দুৰ্গী হৈছে উপন্যাসখনৰ প্ৰধান চৰিত্ৰ। চৰিত্ৰ ৰূপায়নত লেখিকা সফল; কিয়নো মূল চৰিত্ৰৰ সকলোবোৰ দোষ পাঠকৰ সন্মুখত দাঙি ধৰাৰ পাছতো কোনেও চৰিত্ৰটোক বেয়া বুলি এবাৰো দোষিব নোৱাৰাৰ কাৰিকৰিক চাতুৰ্য্য ''জছনাৰ ঝিটাছ"-ত প্ৰস্ফুটিত হৈছে। ঝুমুৰীয়া আগদহনীৰ কণ্ঠ, সুশ্ৰী মুখ, শিলত কটা ভাস্কৰ্যৰ দৰে দেহ, কঁকালৰ তললৈকে পৰা চুলিৰে দুৰ্গী চৰিত্ৰটি আমাৰ চকুত জীৱন্ত হৈ পৰিছে।

উপন্যাসখনত আশাবাদ আৰু প্ৰতাৰণা- এই দুই বিপৰীতমুখী দিশক লেখিকাই একাধিক কাহিনীৰ আলমেৰে অত্যন্ত সংবেদনশীলতাৰে উপস্থাপন কৰিছে। ইয়াত চৰিত্ৰ বিশেষৰ কাৰ্য, ভূমিকা, প্ৰতিবাদ, জীৱন-মৰণৰ সংগ্ৰাম, হা-হুতাশ, প্ৰান্তীয় চেতনাৰ নাৰী মনস্তত্ব আদিৰ যি চিত্ৰণ কৰা হৈছে তাৰ আবেদনে পাঠকৰ হৃদয়ক গভীৰভাৱে স্পৰ্শ কৰে। আন এটি মন কৰিবলগীয়া দিশ হৈছে যে উপন্যাসখনৰ প্ৰথম অধ্যায়ত চাহ শ্ৰমিকসকলৰ ক্ষেত্ৰত 'কুলী' শব্দটো ব্যৱহাৰ কৰা হৈছে, কিন্তু পাছৰ অধ্যায়ত ইয়াৰ ব্যৱহাৰ হোৱা নাই। এই বিষয়ে লেখিকাই উপন্যাসখনৰ আগকথাতে স্পষ্ট কৰি দিছে যে বগা চাহাবৰ শাসনকালৰ কথা কওঁতে এই শব্দটো ব্যৱহাৰ কৰাটো প্ৰাসংগিক আছিল।

"জছনাৰ ঝিটাছ"-ত উপমাৰ ব্যৱহাৰ যথাৰ্থ।চৰিত্ৰসমূহৰ মুখত চাহ জনগোষ্ঠীৰ কথিত ভাষাৰ ব্যৱহাৰে উপন্যাসখনক অধিক বাস্তৱধৰ্মী আৰু জীৱন্ত কৰি তুলিছে।প্ৰথমছোৱাত কাব্যিক বৰ্ণনা কিছু দীঘলীয়া যেন লাগিলেও ফ্ৰেজাৰৰ আগমনৰ পাছতে কাহিনীয়ে গতি লৈছে।

এই গৱেষণাধৰ্মী, মহাকাব্যিক উপন্যাসখনত থকা মোৰ দুটা ভাল লগা শাৰী হ'ল -

• "অনাখৰী এই তিৰোতা কিজনীয়ে বগা চাহাব খেদাৰ মন্ত্ৰ অন্তৰত ধাৰণ কৰিছে। বৰ আন্তৰিকতাৰে সিহঁতে সূতা কাটে। যেন সূতা কটা নাই পূজা-অৰ্চনাহে কৰিছে।"

• "কেউপিনে ভাৰত মাতাৰ জয়জয়কাৰ হৈছিল। দুৰ্গী জুইকুৰাৰ একেবাৰে কাষ চাপি গৈছিল। জাপি দিছিল বান্ধি অনা কাপোৰবোৰ।...ধকধককৈ জ্বলি থকা তাইৰ বুকুৰ জুইকুৰা যেন স্বাধীনতাৰ জয় জয়কাৰৰ মাজত কমলা ৰং ধৰি জ্বলি উঠা জুইকুৰাত চামিল হৈ গ'ল।"

উপন্যাসখনৰ মুদ্ৰণ, অলংকৰণ আদি শলাগিবলগীয়া। শিৱপ্ৰসাদ মাৰাৰৰ Give me sunshine শীৰ্ষক ভাস্কৰ্যৰ ছবি সম্বলিত অৰ্থবহ প্ৰচ্ছদটো উপন্যাসখনৰ মূল চৰিত্ৰ দুৰ্গীৰ লগত ৰজিতা খাই পৰিছে।কোৱা বাহুল্য, মুদ্ৰণৰ দোষত হোৱা সাধাৰণ দুই-এটা গাঁথনিগত ভুলৰ বাহিৰে অন্যান্য সকলো দোষ-ত্ৰুটিৰ পৰা মুক্ত "জছনাৰ ঝিটাছ" এখন সৰ্বাংগ সুন্দৰ উপন্যাস। এই উপন্যাসত যি নাই সেয়া বাগানতে নাই।

পত্নী আৰু মাতৃ হোৱাৰ উপৰি নিজৰ অধিকাৰ আৰু সমতা বিচাৰিব পৰাকৈ সাহসী নাৰী দুৰ্গীৰ জীৱন সংগ্ৰামৰ কাহিনী অসমৰ অভিজাত চাহ বাগিচাৰ অংশ হিচাপে নৈঃশব্দৰ পৰা তুলি অনাৰ সুবাদতে অৰূপা পটঙ্গীয়া কলিতা ধন্যবাদৰ পাত্ৰ। মূলসুঁতিৰ সমাজখনৰ পৰা আঁৰত থকা চাহ বাগানৰ নিৰ্যাতিত নিম্নবৰ্গৰ লোকসকলৰ তেজলগা ইতিহাসৰ জীয়া ছবিবোৰক লেখিকাই দুৰ্গীৰ কাহিনীৰ জৰিয়তে শব্দৰ মিতব্যয়ী ব্যৱহাৰ, অথচ সাৱলীল বৰ্ণনাৰে অতি মৰ্মস্পৰ্শীভাৱে অনুভূতিশীল পাঠকৰ মন-মগজুত মৃদু টোকৰ দি তেওঁলোকৰ চেতনাৰ এক অংশ হ'ব পৰাকৈ তুলি ধৰিছে।চাহ বাগিচাৰ মাজে মাজে চম্পা, চামেলিহঁতে নাচি-বাগি পাত তোলা, চাহপাত চিঙাৰ চলেৰে ডেকা-গাভৰুৰ গোপন প্ৰেম, ঝুমুৰৰ ছন্দ আদি ৰোমান্টিক ধ্যান-ধাৰণাৰ প্ৰচলিত বৃত্তটোৰ সীমা অতিক্ৰম কৰি ঔপনিবেশিক শাসনে পিহি পিষ্ট কৰা চাহ শ্ৰমিকসকলৰ জীৱন সংগ্ৰামৰ প্ৰকৃত ছবিখন নিৰ্মম, নিৰ্মেদ আৰু শক্তিশালীভাৱে কোনো আঁৰ-বেৰ নৰখাকৈ চিত্ৰায়ন কৰিব পৰাতেই নিহিত হৈ আছে "জছনাৰ ঝিটাছ"- ত ঔপন্যাসিকাৰ সাফল্য।

"Echoes of the Tangkhul Soul: Unveiling Birendra Kumar Bhattacharya's 'Yaruingam'

Porishmita Phukan

Birendra Kumar Bhattacharya was a luminary figure in Assamese literature, leaving an indelible mark on the literary landscape. He was a versatile writer who contributed significantly to various genres, including novels, short stories, and poetry. Bhattacharya's writing was characterized by its depth, simplicity, and elegance, making him one of the most celebrated writers of his time.

One of his most notable achievements was receiving the Jnanpith Award in 1979 for his novel "Mrityunjay", making him the first Assamese writer to receive this prestigious honor. He was also the recipient of the Sahitya Akademi Award in 1961 for his novel "Iyaruingam", a testament to his literary

prowess. Bhattacharya's notable works include "Iyaruingam", "Mrityunjay", and "Aai",
showcasing his mastery over storytelling and his ability to weave complex themes into compelling narratives. His writing often explored the human condition, delving into themes such as identity, culture, and social change.

As a pioneer of modern Assamese literature, Bhattacharya played a significant role in shaping the literary landscape of his time. He was also an influential figure, inspiring generations of writers and readers alike through his work and his editorial contributions, including his work on Ramdhenu. His legacy continues to be celebrated, and his writing remains a testament to his enduring impact on Assamese literature.

Birendra Kumar Bhattacharya's novel, "Yaruingam", is a powerful exploration of the lives of the Tangkhul Nagas in Nagaland, India. The story revolves around Rishang, a Tangkhul youth who seeks to bring peace and guidance to his community through non-violent means, inspired by the teachings of Mahatma Gandhi and Jesus. Set against the backdrop of World War II and the Japanese occupation of Nagaland, the novel vividly portrays the socio-economic struggles of the Naga people and the importance of preserving their indigenous culture. Through Rishang's journey, Bhattacharya highlights the impact of external influences on Naga society and the potential of non-violent resistance in bringing about positive change. The novel is a testament to Bhattacharya's immersive storytelling and his authentic portrayal of Tangkhul Naga life and culture. The author's own experiences as a teacher in the Tangkhul Naga community in Ukhrul, Nagaland, lend a sense of authenticity to the narrative, making it a compelling read.

Bhattacharya's writing is marked by its simplicity, elegance, and depth, drawing the reader into the world of the Tangkhul Nagas. The novel's exploration of themes such as cultural preservation, socio-economic struggles, and non-violent resistance continues to resonate with readers today, making it a timeless classic of Indian literature. "Yaruingam" is a landmark novel in Assamese literature, earning Bhattacharya the prestigious Sahitya Akademi Award, and cementing his place as one of the greatest Assamese writers of all time.

The novel's impact extends beyond its literary merit, offering a glimpse into the complexities of Naga society and the struggles of its people. Through "Yaruingam", Bhattacharya has created a work of lasting significance, one that continues to inspire and educate readers about the rich cultural heritage of Nagaland and the power of non-violent resistance.

In conclusion, Birendra Kumar Bhattacharya's

"Yaruingam" is a masterpiece of Indian literature, showcasing his literary genius and his deep understanding of the human condition. The novel's themes, characters, and narrative continue to captivate readers, making it a timeless classic that will endure for generations to come. ■

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

হঠাতে হেৰাল এটি সুৰ

মৌচুমী সোনোৱাল
স্নাতক তৃতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

হঠাতে হেৰাল এটি সুৰ,
হেৰাল ছন্দ কবিতাৰ!
ফৰকাল ৰ'দজাকতো
এন্ধাৰ নমা নাছিল কাহানিও,
কিন্তু, তেওঁ নথকাৰ বতৰাই
স্তব্ধতা নমাইছিল।
মুক অৱশ প্ৰাণে নিষ্ফল আশ্বাস
খেপিয়াই ফুৰিছিল!
সাগৰ,
কত শুদা বুকুৱে একেলগে জুৰিছে
কৰুণ ক্ৰন্দন,
শুনিছনে?
কাতৰ , ক্ষোভিত জাতিয়ে তুলিছে প্ৰশ্ন,
কিয়? কিয় কাঢ়ি নিলি
আমাৰ হেঁপাহ, গৌৰৱ, স্বাভিমান?
তই দেখুৱাই দিলি
তোৰ গভীৰতাৰ অহংকাৰ!
তোলৈকে বৈ যোৱা নৈখনিক
শুৱাই থলি চিৰদিন চিৰকাললৈ!
কিন্তু, জানিবি
আমাৰ হৃদয়েৰে বৈ থকা
তেওঁ এখন চিৰপ্ৰবহমান নৈ,
যাৰ প্ৰতিটো লহৰত নাচে
সুৰৰ মূৰ্ছনা!

তেওঁ আমাৰ পৱিত্ৰ প্ৰাৰ্থনা।
"মোৰ কোনো জাতি নাই,
মোৰ কোনো ধৰ্ম নাই,
মই মুক্ত।"
মুক্ত স্বাধীন মনা নৈ,
গঢ়িছিল পাৰে পাৰে
উৰ্বৰ সভ্যতা।
দেখুৱাইছিল অনিৰ্বাচ্য বদান্যতা!
সম্প্ৰীতিৰ কত উপনৈ সাৱটি,
অৱৰোধ, স্বাৰ্থপৰতা, মলিনতাক
হুংকাৰ কৰি
বৈ গৈছিল অহৰহ,
আৰু বৈ থাকিব
চিৰ তৰুণ নদী হৈ
বুকুৰ মাজেৰে
আমাৰ জুবিন দা হৈ!

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

ফুলেশ্বৰৰ দিনবোৰ

সুদীপ্ত চেতিয়া

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক,ইংৰাজী বিভাগ
শিৱসাগৰ বিশ্ববিদ্যালয়

ফুলেশ্বৰৰ দিনবোৰ আৰম্ভ হয়
দিখৌৰ পাৰৰ কুলধৰৰ ঘৰত।
যাৰ চতুৰ্থ সন্তান, সৰু মাজু
আদৰো কম, তথাপি
একো নাই, চলি যায়।

দিখৌ মুখৰ ফুলেশ্বৰ হঠাতে
এদিন ঘৰ এৰি নগা পাহাৰ পালেগৈ,
নাগিনীৰ মোহত নহয় দেই
কিবা হেনো সূৰ্যোদয় হোৱা স্বাধীনতা
বিচাৰি।

যৌৱনে তগবগোৱা শৰীৰটোৰে সি
আন সমনীয়াৰ স'তে স্বাধীনতাক খেদি
ফুৰে
আৰু এদিন সেই সমনীয়াৰে পৰা
সি পাই বাহুত এটা ৰাইফলৰ গুলীৰ

সৈতে এসাগৰ বিশ্বাসঘাতকতা।
ফুলেশ্বৰে এদিন ঘূৰি আহি কয়
একো নাই, চলি যায়।

এইবাৰ ফুলেশ্বৰ ওলাই যায়
ৰাইজৰ আমন্ত্ৰণত, নেতা হ'বলৈ।
কিন্তু পুনৰ সেই বিশ্বাসঘাতকবোৰে
প্ৰস্তাৱ দিয়ে,
এইবাৰ নালাগে অহাবাৰ।
ফুলেশ্বৰে মানি লয় আৰু কয়
একো নাই, চলি যায়।

তেনেকৈয়ে এদিন বিশ্বাসঘাতকৰ গুলী
বুকুত পাতি হাঁহি মাৰি
শেষবাৰৰ বাবে পুনৰ কয়
একো নাই, চলি যায়।

(বিঃদ্ৰঃ- এই কবিতাটো ভুৱা স্বাধীনতাৰ সপোন দেখুওৱা বিশ্বাসঘাতকৰ হাতত প্ৰাণ হেৰুওৱা প্ৰতিজন ফুলেশ্বৰৰ হাতত অৰ্পণ কৰিলোঁ।)

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

মহানায়কৰ সাংগীতিক ধৰ্মপিতৃ

সায়ন্তন শইকীয়া
যুৱ লেখক,ডিগবৈ

ষ্টিং। আচল নাম গৰ্ডন মেথিউ টমাছ চামনাৰ। বিশ্ববিখ্যাত সুৰকাৰ আৰু গায়ক। Rock, Jazz, Reggae, Classical আদি বিভিন্ন ধাৰাৰ সাংগীতিক অন্বেষণৰ জৰিয়তে ষ্টিঙে যোৱা শতিকাৰ আশী আৰু নব্বৈৰ দশকত সংগীতৰ পৃথিৱীত নতুনৰ এক জোৱাৰ আনি দিছিল। 'Beatlemania'ৰ ঠিক পাছত যোৱা শতিকাৰ সত্তৰ আৰু আশীৰ দশকত লেড জেপেলিন, পিংক ফ্লয়ড্, এচি/ডিচি আদি ৰক বেণ্ডৰ দাৰ্শনিক দাৰ্শনিক, বিদ্ৰোহাত্মক, আত্মচিন্তনকাৰী গীবোৰে দেশে দেশে জনতাৰ হৃদয় জয় কৰি'Every Breath You Take', 'Shape of My Heart', 'Desert Rose', 'Fields of Gold', 'Englishman in New York' আদি ষ্টিঙৰ জনসমাদৃত কিছু গীত। ষ্টিঙৰ এই সাংগীতিক জোৱাৰত উটি গৈছিল তেতিয়াৰ অসমৰ ডেকা ল'ৰা এজনো। নাম তেওঁৰ জুবিন গাৰ্গ। জুবিন গাৰ্গে সময়ে সময়ে ষ্টিঙক নিজৰ 'Musical Godfather' বুলিও কৈ আহিছে। কোনো এটা বছৰত আমেৰিকা ভ্ৰমণ কৰোঁতে জুবিন গাৰ্গে ষ্টিঙৰ নামত থকা 'Hollywood Walk of Fame'ৰ তৰাটোৰ সৈতে ফটো উঠি আহিছিল। জুবিন গাৰ্গক 'Follow' কৰি থকা মানুহখিনিয়ে জানিব যে তেখেতে এৰিক ক্লেপটন আৰু ষ্টিঙৰ সৈতে এখন এলবাম কৰাৰ ইচ্ছা সময়ে সময়ে প্ৰকাশ কৰি আহিছিল। জুবিন গাৰ্গ অকালতে হেৰাই নোযোৱা হ'লে সেই এলবামৰ মুখ হয়তো দেখিবলৈ পালোঁ হয়।

জুবিন গাৰ্গে নিজৰ জনপ্ৰিয় কেবাটাও গীত ষ্টিঙৰ গানৰ পৰা প্ৰেৰণা লৈ সৃষ্টি কৰিছে। যেনে :

১/ 'মায়াবিনি ৰাতিৰ বুকুত' নুশুনা মানুহ অসমত অন্ততঃ কোনো নোলাব এতিয়া। 'মায়াবিনি'ৰ সুৰৰ প্ৰেৰণা ক'ৰ পৰা লৈছিল জুবিন গাৰ্গে? ষ্টিঙৰ 'Fragile' নামৰ গীত এটা আছে। গানটোৰ Preludeত বজা গীটাৰৰ ধ্বনিখিনিৰ পৰা।

২/ 'এতিয়া কাষত হেঁপাহৰ ফুলনি' জুবিন গাৰ্গৰ 'ৰং' এলবামৰ এটি জনপ্ৰিয় গীত। ষ্টিঙৰ 'They Dance Alone' নামৰ গান এটাৰ সুৰৰ আলমত এই গীতৰ সুৰ কৰা হৈছিল।

৩/ 'আশা' এলবামৰ এটা চিনাকি গীত 'এতিয়া এন্ধাৰে কথা ক'লে নিজানে'। ষ্টিঙৰ 'All This Time' নামৰ জনপ্ৰিয় গীত এটাৰ পৰা কিঞ্চিৎ প্ৰেৰণা লোৱা হৈছিল।

ষ্টিঙৰ বৰ্তমান বয়স ৭৩। এতিয়াও ধুমুহাৰ দৰে গীত গাই ফুৰে বিশ্বৰ মঞ্চই মঞ্চই। 'Post Malone' যদি অসমলৈ আহিব পাৰে, চৰকাৰে জুবিন গাৰ্গৰ প্ৰিয়তম শিল্পী ষ্টিঙকো এবাৰ অসমলৈ মতাৰ কথা চিন্তা কৰিব পাৰে। ■

ফটো আৰু কলাৰ সমাহাৰ

ৰিতু শৰ্মা

ধ্ৰুৱজ্যোতি দত্ত

সমীৰণ বৰা

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

সীমা

লিখক- ঝুম্পা লাহিৰি

পুৰবী হাজৰিকা
ইংৰাজী বিভাগ

প্ৰতি শনিবাৰে ইয়াত একোটা নতুন পৰিয়াল থাকিবলৈ আহে। কিছুমানে বন্ধৰ দিন উদযাপন কৰিবলৈ পুৱা সোনকালে বহুত দুৰৰ পৰা আহি উপস্থিত হয়হি। আন কিছুমান সূৰ্যাস্তৰ লৈকে ঘৰমুৱা নহয়, হয়তো তেওঁলোকৰ মনবোৰ ফৰকাল নহয়, সম্ভৱতঃ তেওঁলোকে উভটনিৰ বাট হেৰুৱাই পেলাইছে। এই পাহাৰবোৰত হেৰাই যোৱাটো সহজ য'ত পথবোৰ অতি দুৰ্বলভাবে চিনাক্ত কৰি থোৱা হৈছে।

আজি তেওঁলোকে নিজৰ পৰিচয় দিয়াৰ পিছত, মই চৌপাশৰ পৰিবেশটোৰ লগত তেওঁলোকক চিনাকি কৰা দিলো। সাধাৰণতে মোৰ মায়ে অতিথি সম্ভাষণ কৰিছিল। কিন্তু গ্ৰীষ্মৰ সময়ছোৱাত তেওঁ ওচৰৰ চহৰখনৰে এজন সম্ভ্ৰান্ত বয়োজেষ্ঠক চোৱা - চিতা কৰিছিল, সেয়ে এই কামৰ দায়িত্ব ভাৰ মোৰ ওপৰতে পৰিছিল।

সদায় অহাৰ দৰেই তেওঁলোকৰো এটা চাৰিজনীয়া পৰিয়াল: মাক, দেউতাক, দুগৰাকী কন্যা। তেওঁলোকে মোক অনুসৰণ কৰি চৌপাশটোত বহলভাৱে চকু ফুৰালে আৰু ভৰি কেইখন সম্প্ৰসাৰিত কৰি সৌন্দৰ্য্য উপভোগ কৰিলে।

আমি এক মুহূৰ্তৰ বাবে মুকলি ছাঁদৰ তলৰ মসৃণ ঘাঁহনিৰ উপৰেৰে বাহিৰলৈ চাব পৰা, ছাঁৰে আবৃত আঙ্গণত বৈছিলো য'ত খেৰৰ ছালেৰে ৰ'দৰ পোহৰ নিগৰাই আনে। তাত দুখন বাহুকাৰি চকী আৰু এখন চুফা বগা কাপোৰেৰে আবৃত আছিল, ৰৌদ্ৰ স্নানৰ বাবে এখন আৰামী চকী আৰু দহজনীয়া সদস্যৰ বাবে উপযোগী হোৱাকৈ এখন ডাঙৰ কাঠৰ টেবুল আছিল।

মই কাঁচৰ দৰ্জাবোৰ খুলি দি তেওঁলোকক ভিতৰৰ পৰিবেশৰ আভাস দিলো: জুহালৰ সন্মুখত দুখন চুফাৰ সৈতে এটা আৰামদায়ক আৰাসিক কোঠা, সকলোবোৰ মজুত থকা এটা পাকঘৰ আৰু দুটা শুৱনি কোঠা আছিল।

যেতিয়া দেউতাকে গাড়ীখন নিগাজীকৈ আস্থানত থৈ তেওঁৰ সাত আৰু ন বছৰীয়া ছোৱালী দুজনীক লৈ কোঠালৈ

প্ৰৱেশ কৰিছিল আৰু দুৱাৰখন বন্ধ কৰি দিছিল, তেতিয়া মই তেওঁৰ পত্নীক ৰাতি ঠাণ্ডাৰ পৰা পৰিত্ৰাণ পাবলৈ অতিৰিক্ত সামগ্ৰী যেনে- গামোচা, কম্বল আদি ক'ত আছে দেখুৱাই দিছিলো।

 লগতে মই লুকুৱাই ৰখা নিগনি মৰা দৰৱৰ বটলটো তেওঁলোকক দেখুৱাই দিলো। বিচনালৈ যোৱাৰ আগেয়ে সেইসমূহ নিঃশেষ কৰি ল'বলৈ কৈছিলো অন্যথা এইবোৰে দোকামোকালিতে চিঞৰবাখৰআৰম্ভ কৰি তেওঁলোকৰ শান্তি ভংগ কৰিব। মই তেওঁলোকক বুজাই দিলো গেলামালৰ দোকানলৈ কোনফালে যাব লাগে, ঘৰৰ পিছফালে থকা কাপোৰ ধোৱা যন্ত্ৰটো কেনেদৰে ব্যৱহাৰ কৰিব লাগে আৰু ধোৱা কাপোৰ সমূহ মোৰ দেউতাৰ বাগিচা খনৰ কোনফালে মেলিব লাগে।

ইয়াৰোপৰি মই কৈছিলো, অতিথি সকলক বিলাহী আৰু লেটোচ বুটলিবৰ বাবে অনুমতি দিয়া হৈছে। কাৰণ জুলাই মাহৰ বৰষুণজাকে এইবছৰত উৎপাদিত সৰহ সংখ্যক বিলাহী নষ্ট কৰিলে।

ঘৰৰ কাম কৰা, বাগিচাত পানী দিয়াৰ চলেৰে মই তেওঁলোকক নোচোৱাৰ ভাও ধৰিছিলো যদিও তেওঁলোক ইয়ালৈ আহি কিমান সুখী আৰু উত্তেজিত মই তাৰ লক্ষ্য ৰাখিব পৰা নাছিলো। ছোৱালী দুজনী ঘাঁহনি দৰাৰ কাষেৰে দৌৰি পাৰ হৈ যাওঁতে সিহঁতৰ মাতকেইটা শুনিবলৈ পাইছিলো আৰু নাম কেইটা জানিছিলো। যিহেতু অতিথি সকলে কাঁচৰ খিৰিকী সমূহ পাতলকৈ খোলা ৰাখে, সেয়ে মই শুনিবলৈ পাইছিলো মাক দেউতাকে তেওঁলোকৰ চুতকেচ সমূহ খুলি লৈ কোঠাটো চিজিল কৰাৰ সময়ত এজনে আনজনক কি কৈছে, দুপৰীয়া আহাৰৰ বাবে কি থিৰাং কৰিছে।

আমি থকা জুপুৰিটো ইয়াৰ পৰা মাত্ৰ কেইগজ মান আঁতৰত, এজোপা ওখ জোপোহা গছৰ পিছফালে আছিল আৰু এই গছজোপাই আমাৰ ঘৰটো ঢাকি ৰখাত এখন বেৰৰ দৰে কাম কৰিছিল। বহু বছৰলৈকে আমাৰ ঘৰত মাত্ৰ এটাই কোঠা আছিল য'ত আমাৰ তিনিজন সদস্যৰ বাবে পাকঘৰ আৰু শুৱনি কোঠাও সংলগ্ন আছিল। দুবছৰৰ আগত, মই যেতিয়া তেৰ বছৰ বয়সত ভৰি দিছিলো, মায়ে চহৰৰ সেই সম্ভ্ৰান্ত বয়োজেষ্ঠজনৰ ঘৰত কাম কৰিবলৈ আৰম্ভ কৰিছিল আৰু কেইটকামান সঞ্চয় কৰাৰ পিছত ব্যক্তি গৰাকীক মোৰ বাবে এটা সৰু কোঠা যোগাৰ কৰি দিবলৈ কৈছিল।

মোৰ দেউতাও এজন আনক চোৱা-চিতা কৰা ব্যক্তি আছিল। তেওঁ ডাঙৰ ডাঙৰ ঘৰবোৰৰ যত্ন লয়, কাঠ কাটে, পথাৰ আৰু আঙুৰতলীত খেতি কৰে। তেওঁ ঘোঁৰা সমূহৰো যত্ন লয় যিবোৰক মালিকে নিজ সন্তানৰ দৰে মৰম কৰে।

মালিক জন বিদেশত থাকে, কিন্তু তেওঁ আমাৰ দৰে বিদেশী নহয়। মাজে মাজে তেওঁ ইয়ালৈ নিজাববীয়াকৈ আহে। জনামতে তেওঁৰ পৰিয়াল নাই। দিনৰ সময়ছোৱাত তেওঁ ঘোঁৰাৰ পিঠিত উঠি ফুৰিবলৈ যায়; সন্ধিয়া আহি জুইশালত বহি কিতাপ পঢ়ে। কিছু সময় ইয়াত কটাই পুনৰ বিদেশলৈ ঘূৰি যায়।

গ্ৰীষ্মৰ দিনকেইটাৰ বাহিৰে তেওঁৰ ঘৰটো বহুতে ভাড়াত নলয়। ইয়াৰ শীতকাল বৰ আমনিদায়ক হয় আৰু বসন্ত কালত যথেষ্ট বৰষূণ হয়। ছেপ্টেম্বৰৰ পৰা জুনলৈকে, ৰাতিপুৱা দেউতাই মোক গাড়ীৰে স্কুললৈ অনা-নিয়া কৰে কিন্তু তাতো মই নিজকে বহিৰাগত যেন অনুভৱ কৰোঁ। সহপাঠী সকলৰ লগত সহজে খাপ খাব নোৱাৰোঁ। অন্যহাতে, মই দেখিবলৈও সিহঁতৰ দৰে নহয়।

এই পৰিয়ালটোৰ দুয়োজনী ছোৱালীৰে মুখৰ অৱয়বৰ মিল আছে। সিহঁতক দেখিলে সকলোৱে বায়েক ভনীয়েক বুলিয়েই ক'ব। দুয়োজনীয়ে সমুদ্ৰ তীৰলৈ যাবলৈ একেধৰণৰ পোছাক পিন্ধিছে। তীৰলৈ ইয়াৰ পৰা দূৰত্ব প্ৰায় পোন্ধৰ মাইল। মাকজনীও দেখিবলৈ এজনী কম বয়সীয়া যুৱতীৰ দৰেই। দেখাত সৰু আৰু ক্ষীণ, তেওঁৰ দীঘল চুলিখিনি মেলি লৈছে। বাহু দুটাও অতি সুন্দৰ আৰু সূক্ষ্ম। খালি ভৰিৰে ঘাঁহনিৰ উপৰত খোজ কাঢ়ি ফুৰা বাবে তেওঁক দেউতাকে সকিয়নি দিছে যে সমুদ্ৰ তীৰত লেতেৰা মল, বিষাক্ত পোক পতংগ, বৰল, সাপ আদি থাকিব পাৰে, কিন্তু সকলোবোৰ আওকাণ কৰি তেওঁ নিজতেই মগন হৈ পৰিছিল।

মাত্ৰ কেইঘণ্টামানৰ পিছত এনেকুৱা লাগিছিল যেন তেওঁলোক ইয়াত আগৰ পৰাই বাস কৰিছিল। তেওঁলোকে মাত্ৰ এসপ্তাহৰ বাবে এই দেশলৈ অনা বস্তুবোৰ সিঁচৰতি হৈ আছিল:

কিতাপ, আলোচনী, এটা লেপটপ কম্পিউটাৰ, পুতলা, চুৰেটাৰ, ৰঙীন পেঞ্চিল, কাগজৰ পেদ, ছেন্দেল, ছানস্ক্ৰীন ইত্যাদি। দুপৰীয়াৰ আহাৰ গ্ৰহণৰ সময়ত তেওঁলোকে প্লেটৰ ওপৰত কৰা কাঁটা চামুচৰ শব্দবোৰ মই শুনিছিলো। প্ৰতিবাৰেই লক্ষ্য কৰিছিলোঁ যে তেওঁলোকৰ এজনে টেবুলত গিলাচ এটা থৈ দিয়ে। মই তেওঁলোকৰ মাজত হোৱা শান্ত কথোপকথনৰ আঁত বিচাৰি পাইছিলো, লগতে কফিকাপৰ শব্দ আৰু গোন্ধ বিচাৰি পাইছিলো, তেওঁলোকে সেৱন কৰা চিগাৰেটৰ ধোঁৱাবোৰোমইচিনিব পাৰিছিলো।

দুপৰীয়াৰ আহাৰ গ্ৰহণৰ পিছত দেউতাকে জীয়েকক তেওঁৰ গিলাচটো আনি দিবলৈ কয় । দীৰ্ঘদিন ধৰি তেওঁ এটা পথৰ মানচিত্ৰ অধ্যয়ন কৰি আছিল। ওচৰৰ সৰুসৰু চহৰ, পুৰাতাত্বিক স্থান, ধ্বংসাৱশেষ ভ্ৰমণ কৰাৰ তালিকা প্ৰস্তুত কৰিছিল। অৱশ্যে মাক এইক্ষেত্ৰত আগ্ৰহী নহয়। তেওঁৰ মতে নিযুক্তি আৰু দায়বদ্ধতা অবিহনে এইটোৱেই বছৰটোৰ একমাত্ৰ সপ্তাহ।

কিছুসময়ৰ পিছত দেউতাকে দুয়োজনী জীয়েকক লগত লৈ সমুদ্ৰ তীৰলৈ ৰাওনা হৈছিল। তেওঁ মোক সুধিছিল সমুদ্ৰ তীৰলৈ যাবলৈ কিমান সময় লাগে, কোনটো সমুদ্ৰ তীৰ আটাইতকৈ ভাল। তেওঁ মোক এই সপ্তাহৰ বতৰৰ পূৰ্বানুমানৰ বিষয়েও সুধিছিল আৰু উত্তৰত মই কৈছিলো যে অতি কম দিনৰ ভিতৰত তাপ প্ৰবাহ হব পাৰে।

মাকজনী ঘৰতেই থাকিল। তেওঁ পুনৰ ৰৌদ্ৰ তাপৰ বাবে পোছাকযোৰ পিন্ধি লৈছিল। তেওঁ নিজকে প্ৰসাৰিত কৰি আৰামী চকী খনত শুই পৰিছিল। মই ভাবিছিলো তেওঁ টোপনি যাব, কিন্তু যেতিয়া মই কাপোৰ মেলিবলৈ বাগিচা খনৰ দিশে আগবাঢ়িছিলো, তেতিয়া দেখিবলৈ পাইছিলো, তেওঁ উৰুৰ উপৰত এখন সৰু টোকাবহী লৈ নিজে কিবা লিখি আছিল।

মাজে সময়ে তেওঁ মোৰ তুলি চৌপাশৰ মনোযোগেৰেদৃশ্যপটতো চায়।একেঠিৰে তেওঁ দূৰৰ পাহাৰ, গছ আৰু বিভিন্ন ধৰণৰ সেউজীয়া ঘাঁহনিবোৰ আৰু আকাশৰ উজ্জ্বল নীলাবোৰ চাই ৰৈছিল। বগা ৰঙৰ বেৰ আৰু সৰুসৰু শিলৰ দেৱালবোৰে সম্পত্তিৰ ৰেখা চিহ্নিত কৰিছিল। মই প্ৰতিদিনে দেখি থকা বস্তুবোৰ তেওঁ অধ্যয়ন কৰিছিল। কিন্তু মই আচৰিত হৈছিলো আচলতে তেওঁ এইবোৰৰ মাজত কি বিচাৰি পাইছিল।

সূৰ্যাস্তৰ সময়ত ম'হৰ পৰা ৰক্ষা পাবলৈ তেওঁ চুৰেটাৰ পিন্ধি লৈছিল। ইফালে সেমেকা চুলিৰে দেউতাকৰ লগত ছোৱালী দুজনী আহি উপস্থিত হৈছিলহি।

সিহঁতে আহি মাকক সিহঁতৰ যাত্ৰাৰ- উত্তপ্ত বালি, পাতল বোকাময় পানী, সাগৰৰ মৃদু আৰু অশান্ত ঢৌৰ কথা কৈছিল। গোটেই পৰিয়ালটো সন্ধ্যা ভ্ৰমণৰ বাবে ওলাই যায়। তেওঁলোকে ঘোঁৰা, গাধ আৰু ঘোঁৰাশালৰ পিছফালে গড়ালত বান্ধি ৰখা বনৰীয়া গাহৰি চাবলৈও যায়। তেওঁলোকে ভেড়াৰ জাকটো চাবলৈও যায় যিবোৰ সদায় এই সময়তেই ঘৰৰ সমুখেদি পাৰ হৈ যায়, কেইমিনিট মানৰ বাবে ধূলিময় ৰাস্তাটোত যান বাহনৰ যট লাগে।

দেউতাকে ফোনত ফটো উঠোৱাত ব্যস্ত হৈ থাকে। তেওঁ ছোৱালী দুজনীক সৰু সৰু পাম গছ, বৰগছ আৰু জলফাই গছবোৰৰ লগত চিনাকি কৰাই দিয়ে। তেওঁ কয় যে ফলগছৰ পৰা পোনপটীয়াকৈ ফল চিঙি খোৱাৰ সোৱাদ সুকীয়া কিয়নো ই সূৰ্যৰ ৰশ্মি পোনপটীয়াকৈ পায়।

তেওঁলোকে চোতালৰ প্ৰাংগনত সুৰাৰবটল উলিয়াই লৈছিল। লগতে পনীৰ আৰু স্থানীয় মৌ মজুত কৰি ৰাখিছিল। একেসময়তে তেওঁলোকে চৌপাশৰ দৃশ্যপট, বিস্ময়কৰ, বিশাল মেঘবোৰৰ লগতে অক্টোবৰ মাহৰ ৰং চঙীয়া মধুৰিআম বোৰৰো প্ৰশংসা কৰিছিল।

আবেলি পাৰ হোৱাৰ পিছত তেওঁলোকে ভেকুলীৰ টোৰটোৰণি, উঁইচিৰিঙা আৰু বতাহৰ শব্দ শুনিবলৈ পাইছিল যেন বতাহেও মাৰ-পিট কৰিবলৈ আৰম্ভ কৰিছে। বতাহ বলি থকা সত্ত্বেও তেওঁলোকে বাহিৰতেই আহাৰ গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছিল যাতে বাহিৰৰ দীঘলীয়া পোহৰৰ সুবিধা পুনৰ লব পাৰে।

দেউতা আৰু মই ভিতৰতেই আহাৰ গ্ৰহণ কৰিলোঁ। তেওঁ খোৱাৰ সময়ত মূৰ তুলি চোৱাৰ অভ্যাস নাই। মা ঘৰৰ পৰা আঁতৰি থকাৰ বাবে আমাৰ ঘৰত খোৱাৰ সময়ত কোনো

ধৰণৰ কথা বতৰা নহয়। তেৱেঁই একমাত্ৰ, যিয়ে খোৱাৰ সময়ত কথা পাতে।

মায়ে এই ঠাইখন সহ্য কৰিব নোৱাৰে। দেউতাৰ দৰে, তেওঁ ইয়াত বন্ধৰ দিন উদযাপন কৰা লোকসকলতকৈও বহুত দুৰৰ পৰা আহিছিল। তেওঁ ইয়াত অস্তিত্ববিহীনভাৱে বাস কৰিবলৈ সংকোচ কৰে। তেওঁ কয় ইয়াৰ মানুহবোৰ ভাল নহয়, য'ত তেওঁলোক আবদ্ধ হৈ পৰিছে।

মই তেওঁৰ অভিযোগবোৰ বেয়া নাপাওঁ। যথাসম্ভৱ যদিও তেওঁ শুদ্ধ, তথাপিও তেওঁৰ কথাবোৰ শুনি মই ভাল নাপাওঁ। যদি কেতিয়াবা তেওঁৰ অভিযোগবোৰ বেছি হয়, দেউতাই বিছনাত শুৱাৰ পৰিৱৰ্তে গাড়ীৰ ভিতৰতেই শুই পৰে।

ৰাতিৰ আহাৰ গ্ৰহণ কৰাৰ পিছত ছোৱালী দুজনীয়ে জুইৰ ফিৰিঙতি বোৰৰ পিছে পিছে ঘাঁহনিডৰাৰ ওপৰত দৌৰি ফুৰিছিল। সিহঁতে নিজৰ টৰ্চ লাইট বোৰৰ সৈতে খেলি থাকে। মাক দেউতাকেও ঘন আন্ধাৰত চোতালত বহি তৰাৰে ভৰা আকাশখনৰ কথা আলোচনা কৰি থাকে।

মাকে নেমুৰ ৰসেৰে গৰম পানী খায় আৰু দেউতাকে গ্ৰাপ্পাৰ সোৱাদ লয়। তেওঁলোকে পাতে, সকলোৰে পৰা আঁতৰি ইয়াত এনেদৰে একেলগে থকাৰ সময়খিনি কিমান মধুৰ।

ৰাতিপুৱাৰ প্ৰধান বিষয়টো হৈছে, মই মূৰ্গীৰ গড়ালৰ পৰা কণী সংগ্ৰহ কৰিবলৈ যাওঁ। কণীবোৰ গৰম, শেঁতা আৰু লেতেৰা হৈ থাকে। এটা বাতিত কণীবোৰ পৰিষ্কাৰ কৰি লৈ পোৱাৰ আহাৰৰ বাবে অতিথিসকলৰ ওচৰলৈ লৈ আঁহো। সাধাৰণতে সেই সময়খিনিত চোতালখন খালী হৈ থাকে যদিও কণীবোৰ টেবুলৰ ওপৰতে থৈ দিওঁ। কিন্তু কাঁচৰ দুৱাৰ খনৰ ফাঁকেৰে দেখিছিলো যে ইতিমধ্যে ছোৱালী দুজনীয়ে শোৱা পাটি এৰিলে। লগতে তেওঁলোকৰ চোফাত মই কুকিজৰ মোনা, টুকুৰা আৰু কফি টেবুলত ওলোতাকৈ থোৱা শাক পাচলিৰ মোনা এটা দেখিছিলো।

ছোৱালী দুজনীয়ে ৰাতিপুৱাই গুণগুণাই থকা মাখিবোৰ মাৰিবলৈ চেষ্টা কৰি আছিল। ডাঙৰজনীয়ে হাতত ৰেকেটখন ধৰি আছিল। সৰু ভনীয়েকে হতাশ হৈ অভিযোগ কৰিছিল যে তাই এতিয়াও তাইৰ পালৰ বাবে অপেক্ষা কৰি আছে। তাই কৈছে যে তাইয়ো বায়েকৰ দৰেই ৰেকেত খনৰ সহায়ত মাখিবোৰ মাৰিব বিচাৰে। কণীবোৰ টেবুলত থৈ মই আমাৰ ঘৰলৈ আহিলো। তাৰ পিছত তেওঁলোকৰ দুৱাৰত টোকৰ মাৰি ছোৱালী জনীক আমাৰ ৰেকেট খন দি আহিছিলো।সেইখন পাই সিহঁত নথৈ আনন্দিত হৈছিল। কিন্তু মই আকৌ এই বিষয়তো পুনৰাবৃত্তি কৰিব নিবিচাৰিলো যে বিচনালৈ যোৱাৰ আগতে এইবোৰৰ নিঃশেষ কৰাটো ভাল। কিন্তু বিৰক্তিকৰ মাখিৰ গুনগুণনি আৰু ৰেকেটৰ শব্দ শুনাৰ পিছতো সিহঁতৰ মাক দেউতাক ঘোৰ টোপনিত আছিল।

দুদিনমানৰ পিছত ভৱামতেই কাৰ্যসূচী বোৰ আৰম্ভ হৈছিল। দেউতাকে ৰাতিপুৱা সোনকালে গাখীৰ আৰু কাগজ কিনিবলৈ চহৰলৈ ওলাই যায় আৰু তেওঁ তাতেই ৰাতিপুৱাৰ দ্বিতীয়কাপ কফিৰ সোৱাদ লয়। প্ৰয়োজন হলে তেওঁ গেলামালৰ দোকানলৈও যায়। যেতিয়া তেওঁ ঘূৰি আহে, পাহাৰৰ আৰ্দ্ৰতা নেওচি পুনৰ দৌৰিবলৈ ওলাই যায়। এবাৰ তেওঁ ঘৰলৈ আহি থাকোঁতে লেতেৰা কুকুৰ এটাৰ সৈতে পথ অতিক্ৰম কৰাৰ সময়ত পিচল খাই পৰিছিল, যাৰ বাবে তেওঁৰ পথ অৱৰোধ হৈছিল যদিও শেষত একো হোৱা নাছিল।

মই দৈনন্দিন যিখিনি কাম কৰিছিলোঁ, সিহঁতৰ মাকেও একেখিনিয়ে কৰিছিল। অতি কমেও এদিন হলেও তেওঁ তিতা কাপোৰ ৰ'দত শুকুৱাবলৈ নিছিল। আমাৰ কাপোৰবোৰ বাগিচা খনৰ সৰহ ৰছী থকাৰ ফালে আছিল আৰু ইতিমধ্যে সেইখিনি

শুকাই গৈছিল। তেঁও তেওঁৰ স্বামীক তিতা কাপোৰৰ খৰাহিটো বাহুত তুলি দিবলৈ কৈছিল, অৱশ্যে এই দৃশ্যটোৱে তেখেতক যথেষ্ট সুখী কৰিছিল। তেওঁলোকে চহৰত বাস কৰাৰ পৰা এনেদৰে মুকলি ঠাইত কেতিয়াও কাপোৰ শুকুৱাই পোৱা নাছিল, এজাক মানুহ থকা এটা অট্টালিকাৰ সৰু এটি মহলাতে কাপোৰ শুকুৱাবলগীয়া হৈছিল।

দুপৰীয়া আহাৰৰ পিছত দেউতাকে ছোৱালী দুজনীক পুনৰ সমুদ্ৰ তীৰলৈ লৈ যায় আৰু মাক ঘৰতেই থাকে। তেওঁ আৰামী চকী খনত বহি এটা চিগাৰেট খালে আৰু পুনৰ তেওঁৰ টোকাবহী খনত লিখিবলৈ আৰম্ভ কৰিলে।

এদিন তেওঁলোক সমুদ্ৰ তীৰৰ পৰা উভতি অহাৰ পিছত, ছোৱালী দুজনীয়ে উঁইচিৰিঙাবোৰ ধৰিবলৈ বহু সময় ধৰি ঘাঁহনিৰ উপৰত দৌৰি আছিল। অৱশেষত কেইটামান উঁইচিৰিঙা ধৰি ভিতৰলৈ লৈ গ'ল। উঁইচিৰিঙাবোৰ সিহঁতে মাক দেউতাকৰ চালাদৰ পৰা চুৰি কৰা কেইটুকুৰামান বিলাহীৰ সৈতে এটা টেকেলিত ৰাখি নামাকৰণ কৰিছিল। সিহঁতে উঁইচিৰিঙাবোৰক পোহনীয়া জন্তুলৈ ৰূপান্তৰ কৰিছিল। কিন্তু পিছদিনা যেতিয়া শ্বাসৰুদ্ধ হৈ উঁইচিৰিঙাবোৰ মৰি গৈছিল তেতিয়া সিহঁতে কান্দিবলৈআৰম্ভ কৰিছিল। পাম গছৰ তলত উঁইচিৰিঙাবোৰ পুতি পেলাইছিল আৰু তাৰ ওপৰতকেইপাহমান বনৰীয়া ফুল ছটিয়াই দিছিল।

অন্য এদিন দেউতাকে অনুমান কৰিলে যে বাহিৰত থৈ দিয়া তেখেতৰ জোতা এযোৰ হেৰাইছে। মই তেওঁক কৈছিলো যে সম্ভৱ শিয়ালে সেইযোৰ নিব পাৰে; কাৰণ সচৰাচৰ ঘৰটোৰ চৌপাশে শিয়াল ঘূৰি ফুৰে। কথাটো মই মোৰ দেউতাক কলো, দেউতাই ইয়াৰ চাৰিওফালে ঘূৰি ফুৰা জন্তুবোৰৰ অভ্যাস আৰু সিহঁতৰ ঘাঁটি বোৰৰ কথা ভালদৰে জানে, সেয়ে তেওঁ পূৰ্বে অহা পৰিয়াল এটিয়ে এৰি থৈ যোৱা বল আৰু মোনা এটাৰ সহায়ত তেখেতৰ জোতা যোৰ বিচাৰি উলিয়ালে।

মই উপলব্ধি কৰিছিলোঁ, অতিথিসকলে এই গ্ৰাম্য, অপৰিৱৰ্তনশীল, ভূচিত্ৰ খনক কিমান ভাল পায়, তেওঁলোকে প্ৰতিটো আৱৰণক কিমান প্ৰশংসা কৰে আৰু এই বস্তুবোৰেতেওঁলোকক কেনেদৰে জিৰণি লোৱাত, চিন্তা কৰাত আৰু সপোন দেখাত সহায় কৰে। যেতিয়া ছোৱালী দুজনীয়ে ক'লা জামু বিচাৰি সিহঁতৰ ধুনীয়া পোছাক যোৰত চেকা লগাই আনিছিল, তেতিয়া মাকে সিহঁতক গালি দিয়াৰ পৰিৱৰ্তে দেউতাকক কৈছিল সিহঁতৰ এই মধুৰ সময়খিনি কেমেৰাৰ পৰ্দাত সাঁচি ৰাখিবলৈ। কাপোৰ খিনি মাত্ৰ ধুবলৈ গোটাইথৈছিল।

একেসময়তে মই ভাবি আচৰিত হওঁ যে তেওঁলোকে ইয়াৰ নিৰ্জনতাৰ মূহুৰ্তবোৰৰ বিষয়ে কি জানে? সদায় একেদৰে থকা আমাৰ জৰাজীৰ্ণ জুপুৰিটোৰ দিনবোৰৰ কথা কি জানে? তীব্ৰ বতাহত ধৰণি কপি উঠা ৰাতিবোৰৰ কথা কি জানে বা বৃষ্টিৰ প্ৰৱল শব্দ সঞ্চাৰে মোক কেনেদৰে নিশা জগাই ৰাখে, এইবোৰৰ কথা তেওঁলোকে কি জানে? গোটেই মাহটো এই সেমেকা পৰ্বত, চৰাই- চিৰিকতি, ঘোঁৰা, গাধ, পোক- পতংগৰ মাজত কেনেদৰে থাকো এইবোৰৰ বিষয়ে তেওঁলোকে কি ভাবে? কঠোৰতা আৰু নিস্তব্ধতাই ৰাজত্ব কৰা এই শীতকালতো তেওঁলোকে নিজৰ বাবে বিচাৰিবনে?

যোৱা ৰাতি বহুতো গাড়ীৰ আগমন ঘটিছিল। তেওঁলোকে তেওঁলোকৰ বন্ধুবৰ্গক ইয়ালৈ নিমন্ত্ৰণ জনাইছিল আৰু তেওঁলোকৰ ল'ৰা ছোৱালীবোৰো ঘাঁহনিডৰাৰ ওপৰত দৌৰি ফুৰিছিল। দুজন মান মানুহে চহৰৰ পৰা আহি থাকোঁতে ৰাস্তাত পোৱা যান-বাহনৰ ভিৰৰ কথা উল্লেখ কৰে। প্ৰাপ্তবয়স্কসকলে ঘৰৰ চাৰিফালে চকু ফুৰালে আৰু সূৰ্যাস্তলৈকে বাগিচা খনত ইফাল সিফাল কৰি খোজ কাঢ়ি থাকিল। অৱশ্যে চোতালত টেবুল খন মজুত ৰখা হৈছিল যদিও সেইখন খালী হৈয়ে থাকিল।

তেওঁলোকে কি খাইছিল এই সকলোবোৰৰ উমান মই পাইছিলোঁ। আজি ৰাতি তেওঁলোকৰ কথা বতৰা আৰু হাঁহি-খিকিন্দালি বোৰৰ শব্দ শুনিবলৈ পাইছিলো। তেওঁলোকে ইয়াত আহি মুখামুখি হোৱা সকলো ঘটনাৰ বিষয়ে কৈছিল যেনে- বিলাহীৰ চালাদৰ সৈতে উঁইচিৰিঙাবোৰ টেকেলীত থোৱা, পাম গছৰ তলত অন্ত্যেষ্টিক্ৰীয়া কৰা, লেতেৰা কুকুৰে বাট ভেঁটাৰ কথা আৰু শিয়ালে কেনেকৈ তেওঁৰ জোতাযোৰ নিছিল ইত্যাদি। মাকে কৈছিল যে এনেধৰনে প্ৰকৃতিৰ সৈতে সম্পৰ্ক থকাটো তেওঁলোকৰ ছোৱালী দুজনীৰ বাবেই ভাল।

এটা নিৰ্দিষ্ট সময়ৰ পিছত মমবাতিৰ সৈতে এটা কেক্ বাহিৰলৈ উলিয়াই আনিছিল আৰু তেতিয়া মই গম পাইছিলো যে সেইদিনা দেউতাকৰ জন্মদিন। তেওঁ এইবাৰ পঞ্চলিশ বছৰত ভৰি দিলে। সকলোৱে গান গাই ফুৰ্তি কৰি কেকসমূহ সৰু সৰু টুকুৰাত ভগাই খালে।

দেউতা আৰু মই অলপ বেছিকৈ পকী যোৱা আঙুৰবোৰ খাইছিলো। দুৱাৰত টোকৰৰ শব্দ শুনি মই টেবুলৰ পৰা আঁতৰি আহিলোঁ। ছোৱালী দুজনীক মই দুৱাৰদলিত সংকোচেৰে ঘন ঘনকৈ উশাহ লৈ ৰৈ থকা দেখিছিলো। সিহঁতে মোৰ হাতত দুটুকুৰা কেকৰ সৈতে প্লেট খন তুলি দিছিল। এটুকুৰা মোৰ বাবে আৰু আনটুকুৰা দেউতাৰ বাবে। ধন্যবাদ জনোৱাৰ আগতেই সিহঁত মোৰ সন্মুখৰ পৰা লৰ মাৰিছিল।`

অতিথিসকলে চহৰৰ জীৱন, ৰাজনীতি আৰু ভ্ৰমণৰ বিষয়ে কথা পাতি থাকোতে আমি কেক দুটুকুৰা খাইছিলো।অতিথি এজনে মাকক কেকটো ক'ৰ পৰা আনিছে সুধিছিল। উত্তৰত তেওঁ চুবুৰীয়া দোকান এখনৰ পৰা সংগ্ৰহ কৰাৰ কথা কয় আৰু সেই দোকান খন যে তেওঁলোকৰ দৰেই এজন অতিথিয়ে আৰম্ভ কৰিছে সেইটোও উল্লেখ কৰিছিল। তেওঁ দোকানখনৰ নামটো ক'লে আৰু চাৰিআলিৰ কোন ঠাইত দোকান খন আছে সেই বিষয়েও কৈছিল।

দেউতাই কাঁটা চামুচখন থৈ তেওঁৰ মূৰটো তললৈ হাউলিয়াই দিছিল। অবশ্যে তেওঁ যেতিয়া মোলৈ চাই তেতিয়া তেওঁৰ চকুযোৰ উত্তেজিত হৈ পৰে। অলক্ষিতভাবে তেওঁ হঠাৎ বহাৰ পৰা উঠি চিগাৰেট খাবলৈ বুলি খোজ দিছিল।

আগতে আমিও চহৰত বাস কৰিছিলোঁ। দেউতাই সেই চাৰিআলিতেই ফুল বিক্ৰী কৰিছিল আৰু মায়ে তেওঁক সহায় কৰি দিছিল।

তেওঁলোকে এখন সৰু ঠাইত ইজনে আনজনৰ লগত দিনবোৰ সুখেৰে অতিবাহিত কৰিছিল, তেওঁলোকে ফুলৰ থোপা বনাইছিল যিবোৰ সম্ভ্ৰান্ত মানুহে ঘৰৰ ভিতৰৰ টেবুল সজাবলৈ ক্ৰয় কৰিছিল। ইয়ালৈ নতুনকৈ অহাৰ পিছত তেওঁলোকে ফুলৰ নামবোৰ শিকিবলৈ আৰম্ভ কৰিলে, যেনে – গুলাপ ফুল, বেলিফুল, দেইজী ইত্যাদি। তেওঁলোকে ফুলৰ কাণ্ড বোৰ বাল্টিত ডুবাই লৈ শাৰী শাৰীকৈ ৰাখিছিল।

এদিন ৰাতি তিনিজন মানুহে ফুলবোৰৰ দৰ দম সুধিছিল। তেতিয়া দেউতা অকলে আছিল। কাৰণ মা সেইসময়ত গৰ্ভৱতী আছিল, তেওঁ ঘৰতেই আছিল কিয়নো দেউতাই তেওঁক ৰাতি কামলৈ লৈ যাব নোৱাৰে। সেইদিনা বহুত দেৰি হৈ গৈছিল। চাৰিআলিৰ ওচৰৰ দোকানপোহাৰ সকলো বন্ধ হৈ পৰিছিল। দেউতাইও প্ৰায় দোকান বন্ধ কৰিবলৈ লৈছিল।

এজন লোকে দেউতাক অলপ সময়ৰ বাবে দোকানখন খুলি দিবলৈ কৈছিল, তেওঁ তেওঁৰ প্ৰেয়সীক সাক্ষাৎ কৰিবলৈ উলাইছিল। তেওঁ দেউতাক এটা ধুনীয়া ফুলৰ থোপা দেখুৱাবলৈ ক'লে । যদিও মানুহজন সুৰাপান কৰি খিং খিঙীয়া স্বভাৱৰ হৈ পৰিছিল, দেউতাই তেওঁৰ বাবে নতুনকৈ এটা ফুলৰ থোপা বনাই দিবলৈ মান্তি হৈছিল।



ফুলৰ থোপাটো সম্পূৰ্ণ কৰি দেউতাই যেতিয়া মানুহজনৰ হাতত তুলি দিছিল , তেওঁ তাতকৈ ডাঙৰ এটা প্ৰস্তুত কৰি দিবলৈ কৈছিল। তেখেতৰ কথা মতেই তাত বেছিকৈ ফুল সংযোগ

কৰি তেওঁ সন্তুষ্ট হোৱালৈকে প্ৰস্তুত কৰি থাকিল। শেষত কাগজেৰে ফুলৰ থোপাটো মেৰিয়াই, ৰঙীন সূতাৰে বান্ধি ধেনুভিৰীয়াকৈ প্ৰস্তুত কৰি দি ব্যক্তিজনক দামটো কলে।

ব্যক্তিজনে তেওঁৰ পইছাৰ বেগৰ পৰা কেইটকামান উলিয়াই ল'লে। তেওঁ দেউতাক সেইখিনি আগবঢ়াই সেয়াই পৰ্যাপ্ত হ'বনে সুধিলে। তেওঁ দিয়া পৰিমাণ কম হোৱাত দেউতাই যেতিয়া ফুলৰ থোপাটো হস্তান্তৰ কৰিবলৈ সংকোচ কৰিছিল তেতিয়া ব্যক্তিজনে দেউতাক অকথ্য কথাৰে গালি গালাজ পাৰিলে আৰু ক'লে যে এগৰাকী সুন্দৰী যুৱতীক দিব পৰাকৈ তেওঁ এতিয়াও উপযুক্ত ফুলৰ থোপা প্ৰস্তুত কৰি দিব পৰা নাই। তাৰ পিছত বাকী মানুহবোৰৰ লগত সন্মিলিতভাৱে তেওঁ দেউতাক মাৰ-পিটকৰিবলৈ আৰম্ভ কৰিছিল আৰু ইমান বেছিকৈ মাৰ-পিট কৰিছিল যে দেউতাৰ মুখ ফাটি তেজ বৈ আহিছিল আৰু আগফালৰ দাঁত সৰি পৰিছিল।

দেউতাই তেতিয়া চিঞৰি উঠিছিল কিন্তু সেই মূহুৰ্তত দেউতাৰ কথা কোনেও শুনা নাছিল। তেওঁলোকে কৈছিল, য'ৰ পৰা আহিছিলি তালৈ উভতি যা। তেওঁলোকে ফুলৰ থোপা বোৰ লৈ দেউতাক তেনেদৰেই মাটিত পৰি থকা অৱস্থাত এৰি থৈ গৈছিল।

জৰুৰীকালীন কক্ষত দেউতাক ভৰ্তি কৰোৱা হল। তেওঁ এবছৰৰ বাবে কোনো ধৰণৰ টান বস্তু খাব নোৱাৰা হৈ পৰিল। যেতিয়া মই জন্ম হৈছিলো আৰু তেওঁ মোক প্ৰথমবাৰৰ বাবে দেখা পাইছিল তেতিয়া তেওঁ একো নোকোৱাকৈ ৰৈ গৈছিল।

তেতিয়াৰ পৰাই তেওঁ কথা ক'বলৈ সংগ্ৰাম কৰি আহিছে। বৃদ্ধ মানুহৰ দৰেই তেওঁৰ কথাবোৰ বিকৃত হৈ পৰিল। সমূহৰ খহি যোৱা দাঁত কেইটাৰ বাবে তেওঁ হাঁহিবলৈ লাজ কৰিছিল। মা আৰু মই তেওঁক বুজিব পাৰোঁ কিন্তু বেলেগে নোৱাৰে। মানুহবোৰে ভাবিছিল বিদেশী হোৱা কাৰণেই দেউতাই ইয়াৰ ভাষা ভালদৰে ক'ব নোৱাৰে। কেতিয়াবা মানুহে দেউতাই কথা ক'ব নোৱাৰে বুলিয়ে ভাবি লৈছিল।

যেতিয়া নাচপতি আৰু আপেল বোৰ পকী উজ্জ্বল হৈ পৰিছিল, মা আৰু মই সেইবোৰ চিঙি আনি সৰু সৰু টুকুৰাত ভগাই পেলাইছিলো প্ৰায় ইপিঠি সিপিঠি দেখা পোৱাৰ দৰেই, সেয়ে দেওতাই খাব পৰিছিল।

দেউতাক এজন স্বদেশী বন্ধুৱে এই নিৰ্জন ঠাইৰ চাকৰিটোৰ বিষয়ে কৈছিল। কিন্তু তেওঁ গ্ৰামাঞ্চলৰ সৈতে পৰিচিত নাছিল; তেওঁ সদায় চহৰত বাস কৰিছিল।

তেওঁ ইয়াত কোনো ধৰণৰ কথা নোকোৱাকৈ কাম কৰিব পাৰিছিল। কাৰোবাৰ আক্ৰমণৰ বলি হোৱাৰো অৱকাশ নাছিল। দেউতাই খেতি বাতি কৰি হলেও এই জন্তু বোৰৰ মাজত থাকিবলৈ পছন্দ কৰিছিল। এই নিয়ন্ত্ৰণহীন ঠাইখনত তেওঁ অভ্যস্ত হৈ পৰিছিল যিয়ে তেওঁক সুৰক্ষা দিছে। যেতিয়া দেউতাই মোক ৰাতিপুৱা স্কুলত থ'বলৈ গৈছিল তেওঁ সদায় এটা কথাকেই কৈছিল যে তেওঁ জীৱনত একো কৰিব নোৱাৰিলে। সেয়ে তেওঁ মোক কেৱল পঢ়ি শুনি, স্কুলীয়া জীৱন শেষ কৰি কলেজীয়া জীৱন আৰম্ভ কৰিবলৈ কয় আৰু ইয়াৰ পৰা আঁতৰি যাবলৈ কয়।

পিছদিনা ৰাতিপুৱা পলমকৈ দেউতাকজনে বস্তু বাহানি বোৰ গাড়ীত তুলিবলৈ আৰম্ভ কৰিছিল। মই দেখিছিলো চাৰিজন মানুহ গাড়ীৰ ভিতৰত কোঁচ খাই বহি আছিল।হয়তো তেওঁলোকে উভতিব বিচৰা নাছিল। ৰাতিপুৱা আহাৰ গ্ৰহণৰ সময়ত কৈছিল যে তেওঁলোক অহা বছৰ আকৌ ইয়ালৈ আহিব। প্ৰতিজন অতিথিয়ে যোৱাৰ সময়ত একেটা কথাই কৈছিল। কিন্তু খুব কম সংখ্যক পৰিয়ালহে বিশ্বস্ততাৰে ঘূৰি আহে, বেছি ভাগৰ বাবে এবাৰেই যথেষ্ট।

যোৱাৰ আগতে মাকে মোক ফ্ৰিজত ৰখা সামগ্ৰীবোৰ দেখুৱাই দিছিল যিবোৰ তেওঁলোকে পুনৰ চহৰলৈ উভতাই নিব বিচৰা নাছিল। তেওঁ মোক কৈছিল যে এই ঘৰটো তেখেতৰ বাবে বহুত প্ৰিয় হৈ পৰিছিল কিন্তু তেওঁ এৰি যাবলৈ বাধ্য আছিল। সম্ভৱ যেতিয়া তেওঁ কামৰ জোৰ বেছিকৈ পাব বা তেওঁৰ মন চিন্তাৰে ভৰি পৰিব তেতিয়াই তেওঁ এই ঠাইখিনি, ইয়াৰ বিশুদ্ধ বতাহ, পাহাৰ, সূৰ্যাস্তৰ ৰঙচোৱা ডাৱৰবোৰলৈ মনত পেলাব।

পৰিয়ালটোক সুৰক্ষিত যাত্ৰাৰ কামনা কৰি মই বিদায় দিলো। গাড়ীখন চকুৰে নেদেখা হোৱালৈকে মই তাতেই ৰৈ থাকিলো। তাৰ পিছত মই আকৌ এটা নতুন পৰিয়ালক

আদৰিবলৈ ঘৰটো ছফা কৰাত ব্যস্ত হৈ পৰিলোঁ, হয়তো কাইলৈ তেওঁলোক আহি পাবহি। বিছনাবোৰ পৰিষ্কাৰ কৰিলোঁ। ছোৱালী দুজনীয়ে ইকাতি সিকাতিকৈ থোৱা কোঠাৰ বস্তুবোৰ পৰিপাটি কৰি তুলিলো। লগতে সিহঁতে মাৰি থোৱা মাখিবোৰ সাৰি বাহিৰলৈ পেলালো।

তেওঁলোকে পাহৰণিত এৰি থৈ যোৱা বস্তুবোৰ, অথবা প্ৰয়োজন নথকা বস্তুবোৰ মই হাতত তুলি লৈছিলোঁ। ছোৱালী দুজনীয়ে আঁকি থোৱা ছবিবোৰ, সমুদ্ৰ তীৰৰ পৰা বুটলি অনা খোলাবোৰ আৰু কেইটোপালমান সুগন্ধি আতৰ থকা বাকচ বোৰ তুলি লৈছিলোঁ। পৰি ৰোৱা বজাৰৰ তালিকা, মাকৰ টোকাবহী, আনহাতে কিছুমান সৰু সৰু কাগজৰ টুকুৰা য'ত আমাৰ বিষয়ে লিখা আছিল, এই সকলো বোৰ মই আলফুলে হাতত তুলি লৈছিলোঁ।■

জেং বিহুৰ নাচনী

উপম বৈশ্য
গণিত বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

কাঁইটীয়া গছৰ তলত
জেং বিহুৰ নাচ নচা-
ৰূপহী গাভৰু!
তোমাৰ লাৱনী দেহৰ
ভাঁজে ভাঁজে শোভা
ওঁঠত জেতুকী আভা
দৃষ্টিত প্ৰেম তৃষা |
নাচত বিভোৰ হৈ
নিজকে নিজৰ কৰি
থাকিবা দিবস কতনা ?
পলে পলে সমাগত
সময়ৰ আদৰন-
মিংখাপী ওৰনিৰে
মোলায়ম বদনী আৱৰা।

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

প্ৰেমৰ দিন

দিম্পীমণি দত্ত
সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰ, স্নাতকোত্তৰ প্ৰথম ষান্মাসিক

(১)

প্ৰত্যেক শিশুৰ জন্মদিনক ঘোষণা কৰা হওক প্ৰেমৰ দিন
বসন্তৰ আটাইবোৰ দিনক ঘোষণা কৰা হওক প্ৰেমৰ দিন
তুমি মোক স্পৰ্শ কৰা প্ৰত্যেকটো দিনক ঘোষণা কৰা হওক প্ৰেমৰ দিন
যুদ্ধ শাম কটা দিনবোৰক ঘোষণা কৰা হওক প্ৰেমৰ দিন
প্ৰত্যেকজন মানুহৰ জীৱনকালক ঘোষণা কৰা হওক প্ৰেমৰ দিন
প্ৰত্যেক ৰাষ্ট্ৰৰ স্বাধীনতা দিৱসক ঘোষণা কৰা হওক প্ৰেমৰ দিন

(২)

ঘেঁহুৰ পথাৰত কৃষকে হাঁহিলেই উদযাপিত হওক প্ৰেমৰ দিন
পৰ্বতৰ শিলত শেলুৱৈ ধৰিলেই উদযাপিত হওক প্ৰেমৰ দিন
প্ৰত্যেকটো কবিতা লিখাৰ অন্তত উদযাপিত হওক প্ৰেমৰ দিন
বৰষুণৰ টোপাল পৃথিৱীত পৰিলেই উদযাপিত হওক প্ৰেমৰ দিন
পৰিভ্ৰমী চৰাই ঘূৰি আহি দেশত উপস্থিত হ'লেই উদযাপিত হওক প্ৰেমৰ দিন

(৩)

প্ৰেমৰ দিনত বন্ধ থাকক আটাইবোৰ কাৰখানা
প্ৰেমৰ দিনত বন্ধ থাকক আটাইবোৰ ৰাজনৈতিক কাৰবাৰ
প্ৰেমৰ দিনত বন্ধ থাকক যান-জঁট
মানুহবোৰে খোজ কাঢ়ক, কেৱল খোজ কাঢ়ক
ইজনৰ পৰা সিজনলৈ
নিজৰ মাজলৈ



কাল স্তম্ভ

নীলাঞ্জনা ভট্টাচাৰ্য্য
প্ৰথম ষান্মাষিক অসমীয়া বিভাগ ডিব্ৰুগড় বিশ্ববিদ্যালয়

জাহ যা তেজীমলাৰ সাধু
কালৰ বুকুত হেৰাই যা অ' তুলাৰ মাক
ঐ টেঙাৰ বুকুত সোমোৱাই নথবি আৰু
তোৰ আদৰৰ ভ্ৰুণ কলিটিক।
পিতাইদেউ কাবৌ কৰিছোঁ
নিষ্পেষিত ভুৱা লালসাৰ বলি হৈ
মোৰ বাবে ঘন অৰণ্যত সন্ধান নকৰিব ,
দেৱ দুলৰ্ভ স্বৰ্ণ জিহ্বাৰ নায়ক
শাপভ্ৰষ্ট নাগেশ্বৰৰ....!
মই যে নহয় এলাগী চম্পাৱতী,
আইৰ গৰ্ভৰ বিষ মাৰ নৌ যাওঁতেই
মই অজগৰৰ পেটৰ পৰা ওলাব নিবিচাৰোঁ
হৃদস্পন্দনহীন অপ্সৰা হৈ....!
জীৱনৰ মৰুদ্যানত ঢাক - ঢোল বজাই
আজি নাচি উঠিছে,
ৰম্য সুখত মত্ত সদাগৰৰ
হৃদয়ৰ আলহী চ'ৰাৰ মৰম বানৰ এখনি
 টুলুঙা নাও তেজীমলাই।
অট্টহাস্যত ধৰণী কঁপাইছে
এলাগীৰ শিকলি চিঙি
অযুত নিযুত তেজা, কানায়ে।
আত্মাৰূপী বৰ কাছই
বৰপুখুৰীৰ পাৰত পঢ়াব নোৱাৰে আৰু
নৈতিকতাৰ পাঠ,
বিশ্বাসঘাটকতাৰ শালেৰে শালিত হৈ
আজিও পৰি আছে
শ্মশানৰ সৰ্বজন নিষিদ্ধ ঘাটত।
ঐ কুঁৱৰীয়ে আজি আদায় কৰিব নোৱাৰে
মাতৃ হৃদয়ৰ অকৃত্ৰিম মমতা,
পৰিচয়হীনতাৰ অৱনত শিৰে
ঐ খোলাৰ ভিতৰত আজিও
মাৰি মাৰি জীয়াই ৰাখিছে
ঐ কুঁৱৰীৰ আমৃত্যু সংজ্ঞা।
বিশ্বই লুটিয়াই শতিকাৰ পাত।
আধুনিকতাৰ ৰিহাৰে বুকু ঢকা
সভ্যতাৰ স্বৰ্ণ শিখৰত
আজিও অজগৰৰ নিৰ্ভীক পদধ্বনি।
দেৱ দুৰ্লভ নাগেশ্বৰৰ আবতমানত
কালজিহ্বাৰ অজগৰৰ দংশনত
নিত্য মৃত্যুয়ে আলিঙ্গন কৰে
হাজাৰজনী ৰত্নাৱতীক।
সময়.... পৰিৱৰ্তনশীল !
সমাজ..... মৌন!
আধুনিকতাৰ বহুবৰ্ণী সাজত
আজিও নগ্ন তথাকথিত
উচ্চ মানসিকতাৰ সত্ত্বা।
ধৰ্মান্ধৰ মৌন আচৰণত
বিনাদ্বিধাই জী আছে
একো একোডাল বিষাক্ত অজগৰ।
অস্তগামিত সূৰুযে উচ্চাৰণ নকৰে আজি
নৱ প্ৰভাতৰ মাঙ্গলিক আৰতি মন্ত্ৰ,
সূৰ্যোদয়ৰ নাই কোনো বোধন তন্ত্ৰ,
আতনাদত মাথোঁ ইপাৰ সিপাৰ হৈছে
সময়ৰ বালি।
শতিকাৰ নতুন বসন্তই
জন্ম দিব পৰা
শ্ৰেষ্ঠ মানসিকতাৰ,
জন্ম দিব পৰা নাই
উৎকৃষ্ট সামাজিকতাৰ।
শতিকাৰ বিৰহ কাতৰ চকুলোত
সাৰে থাকে মানৱতাক
গৰ্ভপাত কৰাৰ
শোকবিহ্বল অভিজ্ঞতা।
সাৰে থাকে ৰক্তেৰে ৰঞ্জিত সমাজক
ৰংৰ পাৰ্থক্যহীনতাক বুজাব নোৱাৰাৰ
উপশমহীন যান্ত্ৰণা।
সভ্যতাৰ খৰমান তাল বাজি উঠিৱলে কিমান পৰ?

নাহৰ মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

“মন যায়” বোলছবিৰ পটভূমিত অসম: এক অৱলোকন!

সাগৰিকা বুঢ়াগোহাঁই
এম.এড, প্ৰথম ষান্মাসিক (শিক্ষাতত্ব বিভাগ)

"কেতিয়াবা মইও গুচি যাম বহুত দূৰলৈ, এটা বেলেগ জেগাত য'ত মোক কোনো চিনি নাপাব.... জীৱনত যি ঘটি গ'ল, যিমানবিলাক ভুল কৰিলোঁ সব মচি পেলাম। আকৌ আৰম্ভ কৰিম এটা সুন্দৰ, নিখুঁত জীৱন।"

অসমীয়া সমাজৰ ক্লান্তিময় জনসাধাৰণক ব্যস্ততাৰ মাজত মনোৰঞ্জন আগবঢ়োৱা এক আধাৰ স্বৰূপ হৈছে বোলছবি। গতিশীল সমাজৰ বাস্তৱতাক ই চিত্ৰ আৰু শব্দৰ সহায়ত উপস্থাপন কৰে। ২০০৮ চনৰ ১২ ছেপ্টেম্বৰত মুক্তি লাভ কৰা "মন যায়" (I Feel Like) হৈছে এখন মনোমোহা ৰোমাণ্টিক অসমীয়া বোলছবি। মানুহৰ মনটোক এক ডেঞ্জাৰ বস্তু হিচাপে কেন্দ্ৰ কৰি একোটাকৈ জীৱনক দৰ্শকৰ আগত প্ৰদৰ্শন কৰা মন যায় এক জীয়া কাহিনী যি '৫৬-তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা'ৰ 'শ্ৰেষ্ঠ অসমীয়া ছবি'ৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। মৈৰঙঠম মুভিজ'ৰ বেনাৰত নিৰ্মিত আৰু এম মণিৰাম পৰিচালিত এই ছবিখনৰ মুখ্য ভূমিকাত অভিনয় কৰা শিল্পীসকল হৈছে জুবিন গাৰ্গ (মানৱ), পৱিত্ৰ মাৰ্ঘেৰিটা (নয়ন), জ্ঞানেন্দ্ৰ পল্লৱ (তপন), নৱদ্বীপ বুঢ়াগোহাঁই (অকন), নিশিতা গোস্বামী (মেঘালী), ৰিম্পী দাস (মানৱৰ ভগ্নী, মনি)। চাৰিজন শিক্ষিত নিবনুৱা যুৱকৰ জীৱন কাহিনীৰে আৰম্ভ হয় মন যায়।

মন যায় কথাছবিৰ জৰিয়তে অসম আন্দোলনৰ পাছৰ সময়ছোৱা ২০০৮ চনৰ ঠান - বান অসমৰ পৰিস্থিতি বিৱৰা হৈছে। সামগ্ৰিকভাৱে বন্ধ, হৰতাল, ধৰ্মঘট, বোমা বিস্ফোৰণ, অসহযোগ এনে কাৰ্য অনবৰতে অব্যাহত আছিল। অবৈধ বিদেশীবিলাকে অসমৰ মাটি দখল কৰি, জালিয়াতি কৰি মাটিৰ মালিক হৈ, ভোটাৰ লিষ্টত নাম ভৰ্তি কৰি, দেশৰ নাগৰিকৰ সকলো সা - সুবিধা ভোগ কৰি খিলঞ্জীয়া মানুহক সংখ্যালঘু কৰি পেলালে। ঠায়ে ঠায়ে অনবৰতে বোমা বিস্ফোৰণ ঘটা, হঠাৎ নিৰ্দোষী জনতাৰ বুকুৰ আমঠু কাঢ়ি নি কন্দুওৱা আৰু সেইবোৰৰ নামত সাধাৰণ জনতাক সন্ত্ৰাসবাদী সজোৱা লগতে কলমৰ জোৰেৰে ভুৱা অপবাদেৰে নিজৰ স্বাৰ্থ পূৰণ কৰা এচাম সাংবাদিক। হয়, অসমীয়াই তেতিয়া এক কৰুণ ত্ৰাসত জীৱন জীয়াইছিল। এইবোৰৰ মাজেদি চাৰিজন ডেকাৰ জীৱন কাহিনীৰে জীৱনৰ এনে কিছুমান সত্যক উপস্থাপন কৰা হৈছিল যে মন যায়ৰ অস্তিত্ব আজিও বহুত। মন যায় কেৱল এখন বোলছবিয়ে নহয়, ই প্ৰতিজন অসমীয়াৰ জীৱন্ত ছবি।

"মাত্ৰ চাৰিলাখ পয়সত্তৰ টকা, মই চাকৰিটো হেৰুৱালো, বাকী পঁচিশ হাজাৰ টকা মোৰ ওচৰত আছিল"। এই উক্তিৰে আৰম্ভ হয় এজন ডেকাৰ বহুত সপোন দেখা মনটোৰ আঁৰৰ জীৱন। উপঢৌকন দিব নোৱাৰাৰ বাবে যোগ্যতা থকা স্বত্তেও মানৱে পুলিচৰ চাকৰিটো হেৰুৱাব লগা

হৈছিল। দেউতাকৰ সামৰ্থ্য নথকাৰ বাবে এম্ বি এ কৰিব নোৱাৰাৰ লগতে ব্যৱসায় কৰিবলৈও ধনৰ অভাৱ। চাকৰিৰ ক্ষেত্ৰত থকা ভেজাল পৃথিৱীৰ দোহা দি বুজোৱা হৈছিল যে টকা – পইচাই যেন জীৱনৰ মূল সম্বল।

চাৰিওজনৰ প্ৰত্যেকজনৰ ব্যক্তিগত সপোন আৰু আকাংক্ষা কাহিনীটোৰ মূল কেন্দ্ৰবিন্দু। পৰম্পৰাগত মূল্যবোধ আৰু পাৰিবাৰিক প্ৰত্যাশাই প্ৰয়ে অসমৰ সমাজত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকৰ আকাংক্ষা আৰু পৰিয়ালৰ প্ৰত্যাশাৰ পৰা জীৱনৰ সঠিক অনুভৱ কিমান অপ্ৰত্যাশিত সেইয়া সুন্দৰ ৰূপত প্ৰতিফলিত হয়। জীৱনত যিকোনো উপায়েৰে পৰিয়ালক সুখী কৰিবলৈ সংঘৰ্ষ কৰি থকা মধ্যবৃত্ত পৰিয়ালৰ প্ৰত্যেকজন যুৱকে এই চলচ্চিত্ৰত নিজকে বিচাৰি পায়।

"মেঘালী মোৰ প্ৰেম, তাইক মই বহুত ভাল পাওঁ"। মন যায় এক প্ৰেমকাহিনী যত সম্ভৱতঃ প্ৰেমৰ বাবে আৱেগ, প্ৰত্যাহ্বান আৰু ত্যাগৰ গভীৰতা অন্বেষণ হৈছে। সমাজ আৰু পৰিস্থিতিৰ গহ্বৰত অপেক্ষা আৰু মৌনতাৰে নিজৰ মনটোক ভাল লগাবলৈ হেঁপাহ মেলা এজন ডেকা, মানৱৰ বুকুৰ বেজাৰ দৃশ্যপট হয়। প্ৰতি বুধবাৰে মেঘালীলৈ অপেক্ষা কৰা আৰু তাইৰ পাছে পাছে যোৱা লগতে মেঘালীক দেখিলেই বেকগ্ৰাউণ্ডত বাজি উঠা যি প্ৰেৰণাদায়ক মিউজিক, ই অনুভৱ কৰিবলৈ বাধ্য কৰায় যে ভালপোৱা প্ৰকৃতেতে কি। চলচ্চিত্ৰখন উপভোগ কৰা প্ৰতিজনৰে অনুভৱ হব যেন সকলো থাকিও বুকুৰ কোনোবা এটা কোণ উদং, নিজৰ দ্বাৰা জীৱনত হোৱা ত্যাগবোৰ মুখত ভাঁহি আহিব অথচ চলচ্চিত্ৰৰ নায়ক নায়িকাক লৈহে বিলাপ কৰিব যে মানৱে মেঘালীক কিয় নিজৰ কৰিব নোৱাৰিলে। জীৱনত ঠাৰ্ড এলিমেণ্ট অৰ্থাৎ নিজস্ব পৰিচয় নথকাৰ বাবে জীৱন্ত ৰূপত স্মশানত নিজক আৰু নিজৰ ভালপোৱাক দহিব দিয়া, মানৱৰ মেঘালীক মৌনতাৰে যাবলৈ দিয়া দৃশ্যই কোনোবাখিনিত কৃষ্ণৰ ৰাধাৰ প্ৰতি থকা ত্যাগলৈ মনত পেলায়। সেইখিনিতে অনুভৱ কৰা হয় যে মন মগজুত থকা ভালপোৱা জীৱনত নাথাকিবও পাৰে।

চলচ্চিত্ৰখনত কলিমুদ্দিন নামৰ এটা চৰিত্ৰ প্ৰকাশ পায়, যাৰ এখন সৰুকৈ চাহ - মিঠাইৰ হোটেল আছে, শুদ্ধকৈ অসমীয়া কব নাজানে অথচ নিজকে অসমীয়া বুলি বিশ্বাস দিব বিচাৰে। এটা দৃশ্যত তপন, অকন আৰু কলিৰ মাজত হোৱা কথোপকথনত উপস্থাপন হয়, কিদৰে বাংলাদেশৰ পৰা প্ৰব্ৰজনকাৰীসকলে অসমীয়াৰ পৰিচয়ত সংকটৰ সৃষ্টি কৰিছে, অসমীয়াৰ স্থান দখল কৰিছে আৰু চৰকাৰৰ ভোট বেংক হিচাপে অসমখনক নিজৰ হাতত ৰাখিছে। ইয়াত সমাজত এতিয়াও কাৰ্যকৰী হৈ থকা প্ৰকৃত ঘটনাৰ বাস্তৱ ছবি অংকন হোৱা দেখা যায়।

"মই পৰিস্থিতিয়ে উলিয়াই দিয়া সুবিধা ল'ব বিচাৰিছোঁ, আফটাৰ অ'ল সৱ সুবিধাবাদী"। বিশৃংখলতাৰ পৰিসমাপ্তি নাই। হয়, অভাৱত মানুহে স্বভাৱ হেৰুৱায় পেলায়। পৰিস্থিতিয়ে উলিয়াই দিয়া সুবিধাৰ নামত মানৱ, অকন আৰু তপন তিনিওজনে হত্যা, লুণ্ঠন, ধনদাবীৰ পদক্ষেপ হাতত লয়। একমাত্ৰ সহজ উপায়েৰে ধনী হোৱাৰ সপোনে তেওঁলোকক উপলব্ধি কৰাই দিয়ে যে ধন টকাই সকলো নহয়, আত্মসন্মনতকৈ ওপৰত একো নাই, সেইয়া লাগিলে সৰু বা ডাঙৰ যিকোনো কৰ্মৰ দ্বাৰা আৰ্জি লোৱা নহওঁক কিয়। বেয়া কৰ্মৰ অনুশোচনা এদিন হ'বই যি কেতিয়াও লগ নেৰে আৰু ই ইমান ভয়ংকৰ হয় যে নিজক জীয়াই ৰাখিবলৈ কষ্ট হ'ব। ভুল পথেৰে অৰ্জা ধনেৰে মানুহ কেতিয়াও সুখ শান্তিৰ ভঁৰাল হব নোৱাৰে সেই সত্য বোলছবিখনত নিখুঁতভাৱে চিত্ৰিত হয়।

"সপোনবোৰ হাতৰ মুঠিত পাবলৈ গৈ মই এটাৰ পিছত এটা ভুল কৰি গ'লো, পাহৰি পেলালো মনযোৱা প্ৰত্যেকটো বস্তু কেতিয়াও পাব নোৱাৰি, তাক পাবলৈ চেষ্টা কৰাটোও ভুল। দেউতা! তুমি ঠিকেই কোৱা মানুহে কেতিয়াও সীমা চেৰাই যাব নালাগে, কিন্তু মই সেই সীমা চেৰাই গ'লো"। ভুলৰ পাছত হোৱা

আত্মোপলব্ধি, নিজকে মাষ্টৰৰ পুতেক, মোৰ আত্মসন্মান আছে বুলি কৈ ফুৰা মানৱে পুনৰ সৎ হৈ জীৱন জীয়াবলৈ ঘৰৰ টেবুলত এৰি অহা চিঠিখন, শেষবাৰৰ বাবে ঘৰৰ সকলো সদস্যক মনে মনে চাই অহা, শেষবাৰৰ বাবে মেঘালীৰ পাছে পাছে গৈ হাতৰ মুঠিৰ পৰা নিজৰ ভালপোৱাক মুকলি কৰি দিয়া আৰু বেকগ্ৰাউণ্ডত "বেদনা-বেদনা মোৰ ভালপোৱা, তোমাক হেৰুৱাই পাথৰ হিয়া" বুলি বাজি থকা হৃদয়স্পৰ্শী শব্দ আৰু মিউজিকেৰে আজিও প্ৰত্যেক অসমীয়াৰ মন প্ৰাণ কাঢ়ি কন্দুৱাই যায়। অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ পৰিপ্ৰেক্ষিতত সাংস্কৃতিক বৈচিত্ৰ, ব্যক্তিগত আকাংক্ষা, পাৰিবাৰিক গতিশীলতা, বন্ধুত্ব, সময় ইত্যাদিৰ দৃশ্যপটৰ সুন্দৰ চিত্ৰায়নৰ লগতে যি স্পৰ্শকাতৰ মনোমোহা প্ৰেমকাহিনী উপস্থাপন কৰিছে, সেইখিনিতে মন যায়ৰ গুৰুত্ব অসীম।

চিঞৰি চিঞৰি ক'ব মন যায়... মন যায়, মোৰো মন যায় ।।। ■

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

চলচ্চিত্ৰ সমীক্ষা –

“অপৰূপা” (১৯৮২)

বিমান দত্ত
এম. এড. তৃতীয় ষান্মাসিক
শিক্ষা বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

১৯৮২ চনত মুক্তিপ্ৰাপ্ত “অপৰূপা” অসমীয়া চলচ্চিত্ৰ জগতৰ এক স্মৰণীয় মাইলৰ খুঁটি। পৰিচালক জাহ্নু বৰুৱাৰ প্ৰথম পূৰ্ণদৈৰ্ঘ্য চলচ্চিত্ৰ হিচাপে এই ছবিখনে অসমীয়া সমাজৰ জটিলতা, নাৰী জীৱনৰ সংগ্ৰাম আৰু ধনাঢ্য জগতৰ আড়ম্বৰৰ আঁৰৰ একাকীত্বক অতি সূক্ষ্মভাৱে উপস্থাপন কৰিছে। এখন শিল্পধৰ্মী চলচ্চিত্ৰ হিচাপে “অপৰূপা” জীৱনৰ গভীৰ দৰ্শন আৰু সামাজিক বাৰ্তাৰ এক অনুপম সংমিশ্ৰণ।

চলচ্চিত্ৰৰ কেন্দ্ৰীয় চৰিত্ৰ অপৰূপা, এগৰাকী শিক্ষিত আৰু সপোনময়ী যুৱতী। তেওঁৰ জীৱনৰ আৰম্ভণি এটা সাধাৰণ পৰিয়ালত, কিন্তু পৰিয়ালৰ আৰ্থিক দুৰ্দশাৰ বাবে তেওঁক এজন ধনী চাহ-বাগানৰ মালিকলৈ বিয়া দিয়া হয়। এই বিবাহ প্ৰেমৰ ওপৰত নিৰ্ভৰশীল নাছিল, বৰঞ্চ অৰ্থনৈতিক লেনদেন আৰু পাৰিবাৰিক দায়িত্বৰ ফচল এয়া।

ধন-সম্পত্তিৰে ভৰা চাহ-বাগানৰ ঐশ্বৰ্যময় জীৱনত প্ৰৱেশ কৰাৰ পাছত অপৰূপা শীঘ্ৰেই উপলব্ধি কৰে যে তেওঁৰ জীৱন এটা সোণালী কাৰাগাৰত পৰিণত হৈছে। তেওঁৰ হৃদয়ত জমা হয় একাকীত্বৰ মেঘ, আৰু তেওঁৰ মনত জাগে স্বাধীনতা আৰু স্বপ্নৰ প্ৰতি তীব্ৰ আকাঙ্ক্ষা। এই সময়তে তেওঁৰ জীৱনত পুনৰ প্ৰৱেশ কৰে ৰাণা, তেওঁৰ পূৰ্বৰ কলেজ বন্ধু আৰু প্ৰেমিকসুলভ ব্যক্তি। ৰাণাৰ সান্নিধ্যই অপৰূপাৰ অতীতৰ মধুৰ স্মৃতি পলকতে জগাই তোলে আৰু তেওঁৰ মনত নতুন জীৱনৰ সম্ভাৱনাৰ উকমুকনিৰ সৃষ্টি কৰে। কিন্তু সমাজৰ কঠোৰ নীতি, বিবাহৰ বান্ধোন আৰু সামাজিক মৰ্যাদাৰ বাধাই তেওঁৰ পথত প্ৰতিবন্ধক হৈ থিয় দিয়ে। শেষত, অপৰূপা জীৱনৰ কঠিন বাস্তৱৰ সৈতে মুখামুখি হয় আৰু নিজৰ মুক্তিৰ অৰ্থ বিচাৰি পায়।

"অপৰূপা" অসমৰ চাহ-বাগানৰ উচ্চবিত্ত পৰিৱেশত নিৰ্মিত এখন ছবি। এই পৰিৱেশৰ চকচকীয়া জীৱনৰ আঁৰত লুকাই আছে নীৰৱ বেদনা আৰু একাকীত্বৰ কাহিনী। পৰিয়ালৰ ঋণ, সামাজিক মান-মৰ্যাদা আৰু ব্যক্তিগত স্বাধীনতাৰ সংঘাত ছবিখনৰ মূল বিষয়। জাহ্নু বৰুৱাই এই ছবিৰ জৰিয়তে নাৰী জীৱনৰ গভীৰ মনস্তত্ত্ব আৰু সামাজিক বন্ধনৰ জটিলতাক অতি সাৰ্থকভাৱে উত্থাপন কৰিছে।

চাহ-বাগানৰ পৰিৱেশ ছবিখনৰ এক অপৰিহাৰ্য অংশ। সেউজীয়া বাগান, বৰষুণৰ ধুমুহা, আৰু প্ৰকৃতিৰ নিস্তব্ধতা অপৰূপাৰ মনৰ একাকীত্বৰ প্ৰতীক হৈ উঠিছে। এই পৰিৱেশৰ মাজেৰেই তেওঁৰ মুখৰ পৰা উচ্চাৰিত হয় জীৱনৰ এক দাৰ্শনিক উক্তি – "এই জীৱনটো আচলতে মায়া।"

জাহ্নু বৰুৱাৰ পৰিচালনাত "অপৰূপা"ই এক শৈল্পিক উদাহৰণ হিচাপে নিজৰ চিনাকি দিছে। ছবিখনৰ ধীৰ গতিৰ প্ৰতিটো দৃশ্যই গভীৰ অনুভৱেৰে ছবিখনক পৰিপূৰ্ণ কৰিছে। চিত্ৰগ্ৰহণৰ কাৰিকৰী নৈপুণ্য অতুলনীয় –ছাঁ -পোহৰ, বৰষুণৰ শব্দ আৰু চাহ-বাগানৰ সেউজীয়া প্ৰাকৃতিক দৃশ্যই ছবিখনক এক কাব্যিক ৰূপ প্ৰদান কৰিছে।

ভূপেন হাজৰিকাৰ সংগীত ছবিখনৰ প্ৰাণ। তেওঁৰ সুৰবোৰে অপৰূপাৰ বেদনা, একাকীত্ব আৰু জীৱনৰ মায়ামমতাক ধ্বনিত কৰিছে। সংগীতৰ মাধ্যমেৰেই নীৰৱতাৰো কথা কোৱাৰ এক অনুপম নিদৰ্শন এই ছবিখনত পোৱা যায়।

"অপৰূপা" অসমীয়া চলচ্চিত্ৰৰ ইতিহাসত এক যুগান্তকাৰী সৃষ্টি। এই ছবিয়ে নাৰী জীৱনৰ গভীৰ মনস্তত্ত্ব, সমাজৰ উচ্চবিত্ত শ্ৰেণীৰ মুখাৰ আঁৰৰ শূন্যতা, আৰু স্বাধীনতাৰ আকাঙ্ক্ষাক অতি সাৰ্থকভাৱে প্ৰকাশ কৰিছে। ছবিখনে এই বাৰ্তা দিয়ে যে ধন-সম্পত্তি বা সামাজিক মৰ্যাদা সুখৰ নিশ্চয়তা নহয়; সুখ নিহিত আছে আত্মসত্তা আৰু স্বাধীনতাৰ অনুভৱত।

আজিৰ সমাজতো "অপৰূপা"ৰ প্ৰাসংগিকতা অক্ষুণ্ণ। নাৰী স্বাধীনতা, ব্যক্তিগত স্বপ্ন আৰু সামাজিক বন্ধনৰ দ্বন্দ্ব আজিও সমানভাৱে জীয়াই আছে। এই ছবিয়ে সেই সত্যক কাব্যিক তথা বাস্তৱধৰ্মী ৰূপত প্ৰকাশ কৰিছে। "অপৰূপা" কেৱল এখন চলচ্চিত্ৰ নহয়, ই জীৱনৰ এক নিঃশব্দ কাব্য। এই ছবিয়ে দৰ্শকক জীৱন, সমাজ আৰু মানৱীয় সম্পৰ্কৰ গভীৰতাত বিচৰণ কৰায়। অপৰূপাৰ চকুৰ মায়াময় দৃষ্টি আৰু জীৱনৰ সত্যৰ প্ৰতি তেওঁৰ অন্বেষণ দৰ্শকক চিন্তাত মগ্ন কৰে।

অসমীয়া চলচ্চিত্ৰৰ ইতিহাসত "অপৰূপা" এটা উজ্জ্বল নক্ষত্ৰ। ই প্ৰমাণ কৰে যে চলচ্চিত্ৰ কেৱল বিনোদন নহয়, ই এটা শক্তিশালী শিল্পমাধ্যম যিয়ে জীৱনৰ গভীৰ সত্য উন্মোচন কৰে। "এই জীৱনটো মায়া" – অপৰূপাৰ এই উক্তিৰ মাজেৰেই ছবিখনে আমাক জীৱনৰ ক্ষণস্থায়ী তথা গভীৰ সত্যৰ সন্মুখীন কৰায়।

সেয়ে শেষান্তত কৈ ভাল পাম- আমাৰ দৃষ্টিৰে "অপৰূপা" জীৱন যৌৱনক সন্মোহিত কৰি ৰাখিব পৰা চিনেমা । চিৰকাললৈ। ■

This October

Deepanwita Borpatragohain
3rd Sem, English Department

The cold, gentle, yet bizarre air,
Smelling like an unknown fragrance.
Unleashing every corner of the deciduous
Like a mapled turned city map.
It was never the air, but it's essence
That got carried through.
The twelve monthed epoch slowly coming to
a new halt for the eleventh,
While they were heavy about dreams being
built,
October was heavier on my forbearance.
It caught my breath in a bang-in way,
Took me away from wishes,
Took some of my hours
Only to refill it with a new ink of blue.
Always been the bemused yearner of riddles,
The sailor of the rollercoasted ships.
While ships sink, I hold on,
Catching my breath as if fading away always
been the fear.

Yet, October felt like a yearnful turbulence,
Of despised love,
Of despised self,
As if the sailor would never reach her shore,
And the writer would never write her
closure;
Yet she will do. I gravely believed.
She never left the flame,
It did became a dim light
But brightened with more love,
By hands closer holding the flame,
They never failed her.
"October, you were like a shipwreck,
Dreadful, eerie, stormy.
You did break me,
I would be a liar if I said you did n't.
You did made me fall out of love,
But you did made me full of love again."

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

Anti-Multiculturalism: Ethics of Non-Interest in a Fragmented World

Monoj Kumar Boruah

Introduction: The Moral Collapse of the Modern World

The twentieth century witnessed not only the devastation of two world wars but also the exhaustion of the moral ideals that had guided modernity. The foundation of the Enlightenment i.e. the faith in reason and universal human values collapsed under the weight of violence and imperialism. Out of this crisis emerged postmodernism, a mode of thought that rejected all grand narratives and absolute truths. Yet the same intellectual movement that liberated humanity from dogma also left it morally adrift. By dismantling every universal framework, postmodernism generated a world of mental duality and detachment from originality, a world where people recognize multiple perspectives but commit to none.

In this context of moral exhaustion, postmodernism also worked as a path towards multiculturalism that arose as both a political and ethical response to it. It sought to affirm difference, celebrate plurality and construct coexistence in a fragmented world. Yet as this essay argues, multiculturalism ultimately failed to restore peace or moral integrity because it remained grounded in vested interests such as the politics of recognition, inclusion and tolerance that often serve power rather than truth.

To overcome this limitation, this essay proposes a new theoretical framework: anti-multiculturalism. This theory does not reject diversity but instead demands an 'acceptance without interest', a disinterested ethics rooted in what may be called the psychology of non-interest. Only by transcending interested tolerance can humanity approach genuine universal peace.

The Ethical Dilemmas of Postmodernism:

Postmodernism emerged from a deep suspicion toward universal reason. Thinkers such as Jean-François Lyotard, Michel Foucault and Jacques Derrida argued that the Enlightenment ideal of universal truth often disguised domination of Europe over its colonies, of men over women and of reason over emotion. By deconstructing these meta-narratives, postmodernism opened up space for multiple voices and interpretations. But this liberation carried a cost: the disappearance of moral certainty. When all truths become relative, the very idea of moral responsibility becomes fragile. Zygmunt Bauman described this as the "postmodern condition" where ethics survives only in fragments often paralyzed by over-awareness of plurality. The individual surrounded by competing truths becomes divided being, a state can be termed as mental duality. Detached from any common moral foundation, humanity loses the capacity for shared commitment. What remains is an anxious pluralism: a coexistence of difference without moral connection.

This ethical vacuum allowed political liberalism to reinterpret postmodern pluralism in practical terms. The result was multiculturalism, a system designed to manage diversity without resolving its moral tensions.

Multiculturalism as the Political Face of Postmodern Ethics:

Multiculturalism, in its modern form, emerged in the late twentieth century as liberal democracies grappled with immigration, minority rights, decolonization etc. Philosophers such as Charles Taylor, Will Kymlicka and Iris Marion Young framed it as an ethics of recognition and inclusion. In theory, multiculturalism offered an answer to postmodern fragmentation: if universal truth could not be recovered, then peaceful coexistence among different truths could be institutionalized through equality and respect for identity. However Bhikhu Parekh writes, multiculturalism translated postmodern plurality into a politics of identity, a framework administered by the state, managed by institutions and often guided by economic or geopolitical interests. Diversity became something to be governed, not understood. According to Žižek, it celebrated coexistence, but only within the boundaries of market liberalism and national security. The result was a paradox: societies praised for tolerance continued to reproduce inequalities and cultural hierarchies. Acceptance became strategic tolerance which became a gesture of inclusion that preserved the structures of domination.

Multiculturalism, therefore, functioned less as an ethical revolution and more as a political compromise. It responded to the postmodern crisis not with a moral vision but with managerial pluralism. The world, though more colourful in rhetoric, remained violent in substance.

The Crisis of Multiculturalism:

The twenty-first century has exposed the internal contradictions of multiculturalism. Phenomenon like globalization and migration have multiplied cultural interactions, but they have not diminished conflict. Instead, cultural difference has often been weaponized and mobilized by nationalism, populism and market capitalism alike. The wars in the Middle East, the resurgence of xenophobia in Europe and identity-based violence across continents reveal that the acceptance of difference does not guarantee peace.

At its core, multiculturalism suffers from an ethical deficit. It accepts all diversities but rarely questions the motives behind that acceptance. Governments celebrate multicultural festivals while tightening borders; corporations preach inclusivity while exploiting cultural symbolism for profit. Even academic discourses on diversity sometimes operate within systems of recognition that reward strategic representation rather than genuine understanding. In short, multiculturalism includes with interest of stability or gain without embracing the moral truth.

This instrumental acceptance perpetuates the very violence it claims to overcome. When coexistence becomes conditional on benefit, peace becomes a transaction. To transcend this moral failure, a new ethical orientation is required, one that accepts diversity without interest, one that restores sincerity to the act of recognition. This orientation can be called anti-multiculturalism. Anti-Multiculturalism: Toward an Ethics of Non-Interest:

Anti-multiculturalism is not a rejection of diversity; it is a critique of interested coexistence. It recognizes that the political project of multiculturalism has been shaped by the same self-interested logic that governs markets and states. Anti-multiculturalism therefore proposes a transformation from political tolerance to moral disinterest, from the inclusion of difference for advantage to the acceptance of difference as an ethical necessity. It is a moral and political framework that accepts diversity while rejecting all forms of interested acceptance, that is, coexistence motivated by strategic, economic or ideological gain. It grounds coexistence in the psychology of non-interest, cultivating a selfless disposition as

the foundation for universal peace. Core principles of Anti-multiculturalism include:

1. Disinterested Coexistence

Genuine peace requires inner detachment from the desire to control or profit from others. This recalls Gandhi's virtue of Aparigraha (non-possession) and Kant's notion of disinterested moral duty.

2. Acceptance Without Interest

Acceptance should not depend on the expectation of harmony, capital, or benefit. It must emerge from a sincere recognition of the other as an end in themselves.

3. Ethics Beyond Identity

While multiculturalism politicizes identities, anti-multiculturalism seeks to depoliticize them for authentic dialogue. Identity should be an expression of being, not an instrument of negotiation.

4. Universalism Reimagined

Anti-multiculturalism reclaims universality, but not in the imperial sense. It envisions a universalism of non-interest, a shared moral ground where individuals relate without instrumental motive including domination and motivation.

Philosophical Foundations

Anti-multiculturalism draws from multiple ethical traditions. From Immanuel Kant, it borrows the idea that morality has worth only when disinterested. From Emmanuel Levinas, it inherits the notion of responsibility to the 'Other' that precedes self-interest. From Mahatma Gandhi, it absorbs the spirit of detachment as a precondition for truth and non-violence. From Bauman, it resonates with the fragile, self-questioning ethics of postmodernity. Yet it differs from all of them by translating these moral insights into the political realm, where coexistence must be purified of strategic motive.

The Psychology of Non-Interest:

Central to anti-multiculturalism is the psychology of non-interest. Peace cannot be produced by laws or institutions alone; it must arise from a psychological transformation within individuals and societies. Modern politics is dominated by the psychology of interest including desire for recognition and gain. Even humanitarian discourses are often disguised competitions for moral capital. Anti-multiculturalism calls for a counter-psychology: a mindset where the absence of self-interest becomes the ground of ethical behaviour.

Such disinterestedness is not indifference. It is an active form of openness, a willingness to coexist without manipulation or profit. It redefines freedom as freedom from interest, enabling genuine empathy and universal solidarity. In this sense, anti-multiculturalism represents not a political strategy but a spiritual politics: a reconciliation of ethics and being.

Conclusion: Toward Universal Peace Beyond Interest

Postmodernism shattered the moral certainties of modernity but failed to replace them with a stable ethical horizon. Multiculturalism attempted to fill that void by institutionalizing tolerance, yet its politics of recognition remained bound by interest and calculation. The persistence of global violence and inequality reveals that diversity alone cannot ensure peace.

Anti-multiculturalism emerges, therefore, as a necessary correction or a new moral philosophy

for a world fatigued by relativism and hypocrisy. It does not oppose diversity; it opposes interested acceptance. It proposes an ethics of non-interest, where coexistence is grounded in sincerity, detachment, and shared humanity. Only when the structures of interest are dissolved can humanity rediscover universal peace, not the universalism of domination, but that of disinterested compassion. In a world that accepts everything yet believes in nothing, anti-multiculturalism calls for a return to the moral center: the capacity to accept without motive, to coexist without possession, and to love without gain. That alone can heal the fractured consciousness of our postmodern age. ■



নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

ड॰ जुबिन गार्गनि सुंद' जिउखौरां

(A Short Biography of Dr. Zubeen Garg)

Bilipang Daimary
Research Scholar, DU

'Ya Ali' मुंनि मुंदांखा हिन्दि रावनि मेथाइ खनगिरि आसामनि गोजों अलंबार ड॰ जुबिन गार्गा इं 1972 मयथाइनि नभेम्बर दाननि 18 अक्ट'आव मेघालय हादाबसानि सिङाव थानाय तुरा नोगोराव जोनोम मोनदोंमोन। बिथांनि बिफानि मुङा महिनी महन बरठाकुर आरो बिमानि मुङा इलि बरठाकुर।

ड॰ जुबिन गार्गा 3 बोसोर बैसोनिफ्रायनो मेथाइ खननो सोलोंजेन्दोंमोन। आथिखालनि चिरां जिल्लानि सिङाव थानाय बिजनी गुरु र'मनी राया बिथां जुबिन गार्गखौ अस'मिया सुबुं मेथाइजों मेथाइ मुलुगाव आगान होजेन्दोंमोन। बिथाङा 'अनामिका' मुंनि अस'मिया एलबामजों देंखो मुलुगनि लामायाव आगान होजेनदोंमोन। बिथाङा गाव थैनानै थांनाय समसिमाव गासै 40 सो रावाव 38 रोजानिबो बांसिन मेथाइ खनलांदों। लोगोसे बर' रावजोंबो 100 नि बारा मेथाइ खनलांदों। बेफोरनि गेजेराव दोंनैसो मुंदांखा बर' मेथाइफोरा जादों-



1. दैमा सेराव
2. नों सोरजिनाय
3. साना हाबबाय रजे
4. जारौ फुंनि समाव
5. थैलांगोन थैलांगोन
6. बे माया संसाराव
7. लाजिस्लु मिनिस्लु
8. मा सिमां
9. रेल दाबाखौ सोलायनाय बादि
10. नोंनि मोखां गन्थं बायदि बायदि।

बिथाङा फारियै देंखो आरिमुगिरि, मेथाइ लिरगिरि, देंखो बिथोनगिरि, फावखुंगुर, सावथुन बिथोनगिरि बायदि बायदि गोबां गुननि बिगोमामोन। बिथांनि दैदेननायाव मोन 28 सो सावथुनफोर दिहुनजादोंमोन। बिथांनि गिबि सावथुन 'तुमि मर माथु मर' (Tumi Mur Matho Mur) आ 2000 मायथाइयाव दिहुनजादोंमोन आरो जोबथा सावथुन हिसाबै 'रय रय बिनाले' (Roi Roi Binale) आ 2025 मायथाइनि 31 अक्ट'बराव दिहुनजायो।

आसामनि सुबुं सम्पद ड० जुबिन गार्ग बिथाङा 2025 मायथाइनि 19 सेप्तेम्बराव सिंगापुर (SINGAPORE) नि 'Saint John' मुंनि मोनसे दिपनि लैथोआव सानस्रिबाय थानाय समाव जाब्र'बथायाव गोग्लैनानै जोबोद दुखुनांथावै अब'थिरा जिउ खोमाना लानो गोनां जायो। बिथांनि होलांनाय भान्दारिखौ जों अराय बाख्रायनांगोन आरो इयुनसिम अनसायलांनो नांगोन।

जय जुबिन दा।
जै जुबिन दा ।।
Joi Zubeen Da
Jwi Zubeen Da ■

নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

দেউতা

মাচুমী শইকীয়া
ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়

ধূসৰ সময়ত হেৰুৱাই বাট
আঙুলি এটিক ধৰি পাওঁ আঁত,
খোজে প্ৰতি কত ঘাত প্ৰতিঘাত
খহটা দুহাতেৰে সামৰে দুহাত।
অভিযোগ দিবলৈ সময়েবা ক'ত,
বিচাৰি পালে যি, তাতে হাঁহি অযুত।
কঠিন কলিজাতো মমতাৰ প্ৰপাত
এন্ধাৰৰ মালিতাত সাজে পোহৰৰ বাট।

খোলা খিৰিকীৰ সুৰুঙাৰে আহে
তেজাল দুপৰীয়া,
ঘামৰ টোপালেৰে চোলা ভিজে,
নহয় ভাগৰুৱা।
বুকুৰ মৰমবোৰ বিলাই যায়
হৈ মৰুৰ জিৰণীয়া ছাঁ,
সন্ধ্যাতৰা যেন অক্লান্ত হয়,
ধুমুহাতো ৰ'দৰ কবিতা।
ধূসৰ সময়ত হেৰুৱাই বাট
আঙুলি এটি ধৰি পাওঁ আঁত,
খোজে প্ৰতি কত ঘাত প্ৰতিঘাত
খহটা দুহাতেৰে সামৰে দুহাত।

আনৰ হাঁহিতেই সুখবোৰ ঢুকি পায়,
নিজৰ বাবে ভাবিবলৈ আহৰি নাই,
চেনেহৰ মেটমৰা ভাৰ বুকুত কঢ়িয়ায়,
মেলি দিব ক'ত বুজিকে নাপায়।
কিমান কাহিনী তেওঁ বুকুত বান্ধি থয়
কোনেও দেখোন নলয় তাৰ উমান,
দুখৰ নদীত অকলেই নাওঁ মেলি যায়
নীৰৱে মচি যায় কপালৰ ঘাম।

ধূসৰ সময়ত হেৰুৱাই বাট
আঙুলি এটি ধৰি পাওঁ আঁত,
খোজে প্ৰতি কত ঘাত প্ৰতিঘাত
খহটা দুহাতেৰে সামৰে দুহাত।

নাৱৰীয়া

মাচুমী শইকীয়া
ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়

অ' নাৱৰীয়া তই
নেমেলিবি নাও সিপাৰলৈ।
ৰৈ দে কিছুবেলি,
ভোটাতৰা হ'ব বাহ্নে।
ভাটিয়ালী কাহিনীৰ চৈ,
আছে এই পাৰতে ৰৈ,
খীণ পোহৰ নিগৰা
চাকি এগছি সাৰটি লৈ।

আকাশে মেৰিয়াই
ৰাঙলী চাদৰ,
এইপাৰে জলমলাই
বালিচন্দাৰ বাখৰ,
তই নাযাবি এতিয়াই
এৰি থৈ সাঁথৰ,
তই থাক' মানে নাই
বেলিৰ ভাগৰ।
অ' নাৱৰীয়া তই
নেমেলিবি নাও সিপাৰলৈ।
ৰৈ দে কিছুবেলি,
ভোটাতৰা হ'ব বাহ্নে।

সিপাৰৰ সাধুকথা এইপৰলৈ থাকিবলৈ দে,
এইপাৰৰ নিচুকণি সুৰ হৈ ব'বলৈ দে।
সামৰি লৈ যাবি তোৰ ভাগৰুৱা বুকুতে,
কাহিনী ক'লা পৰা শুকুলা মেঘৰে।
তোৰ বঠাৰ লহৰত নদীৰ কোবাল সোঁতত
উটি যাব চকুলো এৰাপলীয়া ঘাটত।
শুনচোন ভালকৈ ভাঁহি আহে দূৰণিত
উচুপনি ৰিণি ৰিণি বলীয়া মেঘৰ কাহিনীত।

নদীৰ কোবাল বুকুত
জোনে ঘৰ সাজিব ৰৈ,
মেলি দিবি তয়ো
শুকুলা তোৰ পানচৈ।
অ' নাৱৰীয়া তই
নেমেলিবি নাও সিপাৰলৈ।
ৰৈ দে কিছুবেলি,
ভোটাতৰা হ'ব বাহ্নে।
জাক জাক জোনাকী
যাব সিপাৰলৈ,
দেখুৱাব তোক বাট
এখনি পানীচাকি হৈ।



নাহৰ
মাহেকীয়া ই-আলোচনী
দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

সি আৰু তাই

মাচুমী শইকীয়া
ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়

সি আৰু তাই
ৰ'দৰ নাও বাই
পোহৰৰ গীত গাই,
আগুৱাই যায়।
বেলিফুল তাই,
সি খৰিকাজাই
হাঁহিফুল পিন্ধি দুয়ো
বৰষাক ৰ'দেৰে সজায়।

তাই যেন এখনি
গভীৰ নদী,
বৰণীয়া শিল হৈ
আবিৰ সিচে সি।
অভিমানে উন্দুলাই
তাইৰ মুখনি,
সি আহে অভিমানী
ডাৱৰ ঠেলি।
সি আৰু তাই
ৰ'দৰ নাও বাই
পোহৰৰ গীত গাই
আগুৱাই যায়।

সোণাৰুৰ হালধীয়া তাই হাঁহিত বান্ধে,
ৰ'দজাক হালি পৰে তাইৰ দুচকুতে।
বনফুল এপাহ সি বুকুত সামৰি ৰাখে,
গীটাৰৰ সুৰত সি তাইক আৱৰে।
খিলখিল হাঁহিত নামে জোনাকৰ প্লাৱন,
কথাৰ চিপ চিপ বৰষুণত তিতে জীৱন।
দুগাললৈ নামি আহে গুলপীয়া অকণ,
চঞ্চল বতাহত ভাহে ভালপোৱাৰ অনুৰণন।

তাইৰ দুচকুত
সাধুকথাৰ জিৰণি,
তাৰ সুৰত বয়
এখনি কথানদী।
সি আৰু তাই
ৰ'দৰ নাও বাই
পোহৰৰ গীত গাই
আগুৱাই যায়।
সি আৰু তাই
কবিতা হৈ
এআকাশ মৰমেৰে
জীৱনী ভৰায়।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদ, ছাত্ৰ একতা সভা, কৃতিত্ব আৰু বিভাগীয় প্ৰতিনিধি/সম্পাদক

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদ

জ্যোতি বাটচ’ৰা

কাৰিকৰী আৰু অভিযান্ত্রিক শিক্ষা প্ৰতিষ্ঠান, ডিব্ৰুগড় বিশ্ববিদ্যালয়

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদ

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা
(২০২৫-২৬ বৰ্ষ)

সভাপতি
আশিষ ভূষণ গগৈ

উপ-সভাপতি
মাধুৰ্য্য চেতিয়া

সাধাৰণ সম্পাদক
মাধুৰ্য্য বৰা

সহঃ সাধাৰণ সম্পাদক
কিংকৰ দাস

আলোচনী সম্পাদক
সমীৰ ৰিমাল

সংগীত সম্পাদক
মৃদুল বুঢ়াগোহাঁই

সাংস্কৃতিক সম্পাদক
চানদ্বীপ বুঢ়াগোহাঁই

তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদক
বিজয় বৰা

সুকুমাৰ কলা আৰু সাহিত্য সম্পাদিকা
সৃষ্টি গগৈ

সাধাৰণ ক্ৰীড়া সম্পাদক
প্ৰিয়ানুজ কলিতা

ক্ৰিকেট সম্পাদক
কাশ্যপ জ্যোতি কলিতা

আন্ত ক্ৰীড়া সম্পাদিকা
কংকণা পেগু

ফুটবল সম্পাদিকা
ৰিয়া দাস

ভলীবল সম্পাদক
পৰশমণি সোণোৱাল

ছাত্ৰ জিৰণী কোঠা সম্পাদক
তাৰিক নৱাজ

ছাত্ৰী জিৰণী কোঠা সম্পাদিকা
উৰ্বশী গগৈ

সমাজ সেৱা সম্পাদিকা
লীজা কাশ্যপ

শৰীৰচৰ্চা সম্পাদক
ব্ৰুকলিন গগৈ

বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজৰ কৃতিত্ব

ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল হিচাপে খিতাপ অৰ্জন- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দল

দলৰ সদ্যস ক্ৰমে-

১. আয়ন গগৈ

২. তুহিন কোঁৱৰ

৩. অমৰ জ্যোতি কোঁৱৰ

৪. অনুপ দৈমাৰী

৫. অৰিত্ৰ প্ৰাচুৰ্য ফাটৱালী

তাপছ নন্দন শইকীয়া

ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

উত্তৰ পূৰ্বাঞ্চল ভিত্তিক আন্তঃ বিশ্ববিদ্যালয় ফুটবল প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰি শ্ৰেষ্ঠ খেলুৱৈ বঁটা।

২৯/০৮/২০২৫/ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা অধ্যাপক নিৰু হাজৰিকা সোঁৱৰণী ৰাষ্ট্ৰীয় তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল।

দলৰ সদস্য-

১. উৎপল জ্যোতি বৰা

২. মৃণ্ময় বৰা

ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

২০২৪-২৫ বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰি আন্তঃ বিশ্ববিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ উত্তৰ-পূব মণ্ডল ভিত্তিত প্ৰথমবাৰৰ বাবে তৃতীয় স্থান দখল কৰি সৰ্বভাৰতীয় ভিত্তিত অংশগ্ৰহণৰ বাট মুকলি হৈছিল

বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজৰ কৃতিত্ব

গড়গাঁও মহাবিদ্যালয়ে আয়োজন কৰা সদৌ অসম ভিত্তিক তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ দলৰ সন্মান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দললৈ।

দলৰ সদস্য-

১.উৎপল জ্যোতি বৰা

২. অন্বেষা চৌধুৰী

ছাত্ৰ/ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়

ডিবগৈ মহাবিদ্যালয়ে আয়োজন কৰা ৰাজ্যিক ভিত্তিক তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ দলৰ সন্মান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দললৈ।

দলৰ সদস্য-

১.উৎপল জ্যোতি বৰা

২. সমীৰ ৰিমাল

ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

প্ৰিয়ানুজ হাজৰিকা

প্ৰাক্তন ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

ৰাষ্ট্ৰীয় বঁটা, ৰাষ্ট্ৰীয় সেৰা আঁচনি ২০২২-২৩

বঁটা গ্ৰহণঃ- অক্টোবৰ ২০২৫

ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত আয়োজিত কুইজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ দলৰ সন্মান।

সদস্য-

১. আকাশ কলিতা

২. বিভূতি মোহন

ছাত্ৰদ্বয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিভাগীয় প্ৰতিনিধি/সম্পাদক সকল

১) গণিত বিভাগ
বিভাগীয় প্ৰতিনিধি : জিণ্টু দিহিঙ্গীয়া
সম্পাদক : কৌশিক কাশ্যপ কলিতা

২) জীৱবিজ্ঞান বিভাগ
বিভাগীয় প্ৰতিনিধি : জিতু গোহাঁই
সম্পাদক : স্নিগ্ধা শৰ্মা

৩) ৰসায়ন বিজ্ঞান বিভাগ
বিভাগীয় প্ৰতিনিধি: অৰ্ণব গগৈ
সম্পাদক : ময়ূৰ ভূষণ গগৈ

৪) ৰাজনীতি বিজ্ঞান বিভাগ
বিভাগীয় প্ৰতিনিধি : প্ৰদ্যুম্ন মহন্ত
সম্পাদক : প্ৰজ্ঞা গগৈ

৫) ডিব্ৰুগড় বিশ্ববিদ্যালয় অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, DUIET
বিভাগীয় প্ৰতিনিধি : কপিল ফুকন
সম্পাদক : শুভাংগ বৰঠাকুৰ

৬) পদাৰ্থ বিজ্ঞান বিভাগ
বিভাগীয় প্ৰতিনিধি : সিদ্ধাৰ্থ নেওগ
সম্পাদক : নয়ন দাস

৭) পৰিসংখ্যা বিজ্ঞান বিভাগ
বিভাগীয় প্ৰতিনিধি : কৃষ্ণ দলে
সম্পাদক : প্ৰকাশ গগৈ

৮) প্ৰায়োগিক ভূ-তত্ব বিভাগ
বিভাগীয় প্ৰতিনিধি : নীহাৰিকা বৰুৱা
সম্পাদক : বিভাস ৰঞ্জন শইকীয়া

৯)দূৰত্ব আৰু অনলাইন শিক্ষাৰ কেন্দ্ৰ (CDOE)
প্ৰতিনিধি : অন্বেষা চুতীয়া
সম্পাদক : দিগন্ত কোঁৱৰ

১০)অৰ্থনীতি বিভাগ
বিভাগীয় প্ৰতিনিধি : প্ৰাঞ্জল প্ৰতীম হাজৰিকা

১১) ন্যায়িক অধ্যয়ন কেন্দ্ৰ
কেন্দ্ৰ প্ৰতিনিধি : হেমন্ত ঘাটোৱাৰ
সম্পাদক : বিন্দু নিৰৌলা

১২) নৃতত্ব বিভাগ
বিভাগীয় প্ৰতিনিধি : লক্ষ্যজিত দাস
সম্পাদক : ছুহানা বেগম

১৩) সাংবাদিকতা আৰু গণ-সংযোগ অধ্যয়ন কেন্দ্ৰ
বিভাগীয় প্ৰতিনিধি : বেদব্ৰত গগৈ
সম্পাদক : তুষাৰ দে

১৪) ভূগোল অধ্যয়ন কেন্দ্ৰ
বিভাগীয় প্ৰতিনিধি : প্ৰতুৰ্য্য কোঁৱৰ
সম্পাদক : কৌস্তভ ওৰাং

১৫) শিক্ষাতত্ব বিভাগ
বিভাগীয় প্ৰতিনিধি : যুগান্তৰ কাকতি
সম্পাদক : অজিত শৰ্মা

১৬) পেট্ৰলিয়াম প্ৰযুক্তি বিভাগ
বিভাগীয় প্ৰতিনিধি : অনিল খাপৰা
সম্পাদক : ভাস্বতী বৰা

১৭) শাৰীৰিক শিক্ষা আৰু ক্ৰীড়া অধ্যয়ন কেন্দ্ৰ
বিভাগীয় প্ৰতিনিধি : গোপাল কলিতা
সম্পাদক : কুণাল ব্ৰহ্মা

১৮) পৰিকলন বিজ্ঞান আৰু প্ৰয়োগ কেন্দ্ৰ (CCSA)
বিভাগীয় প্ৰতিনিধি : য়াচিন মুছফিক হুছেইন
সম্পাদক : প্ৰিয়ানুজ কলিতা

১৯) ইংৰাজী বিভাগ
বিভাগীয় প্ৰতিনিধি : তুৰঞ্জিত বৰুৱা
সম্পাদক : হৰ্ষৰাজ সন্দিকৈ

২০) ঔষধ বিজ্ঞান বিভাগ
বিভাগীয় প্ৰতিনিধি : চিন্ময় দাস
সম্পাদক : দীপাংকৰ মৰাণ

২১) চাহ আৰু কৃষি অধ্যয়নৰ কেন্দ্ৰ
কেন্দ্ৰ প্ৰতিনিধি : কিৰণদ্বীপ চেতিয়া
সম্পাদক : আদিত্য মিশ্ৰ

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিভাগীয় প্ৰতিনিধি/সম্পাদক সকল

২২) গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞান অধ্যয়ন কেন্দ্ৰ
কেন্দ্ৰ প্ৰতিনিধি : সমীৰণ বৰা
সম্পাদক : আৰছাদ আৰমান আহমেদ

২৩) ভাষা অধ্যয়ন কেন্দ্ৰ
কেন্দ্ৰ প্ৰতিনিধি : অমৰেন্দ্ৰ দেৱৰ্ষী আৰণধৰা

২৪) ব্যৱস্থাপনা অধ্যয়ন কেন্দ্ৰ
বিভাগীয় প্ৰতিনিধি : অনশুমী মহন্ত
সম্পাদক : গৌৰাংগ কোঁৱৰ

২৫) বুৰঞ্জী বিভাগ
বিভাগীয় প্ৰতিনিধি : আকাশ কলিতা
সম্পাদক : লোহিত পামে

২৬) দৰ্শন অধ্যয়ন কেন্দ্ৰ
বিভাগীয় প্ৰতিনিধি : নৱজ্যোতি লুখুৰাখন
সম্পাদক : স্নিগ্ধা ৰাণী কাশ্যপ

২৭) প্ৰায়োগিক মনোবিজ্ঞান অধ্যয়ন কেন্দ্ৰ
বিভাগীয় প্ৰতিনিধি : কৰিশ্মা ৰেগন
সম্পাদক : সুচিস্মিতা সৰকাৰ

২৮) জৈৱ প্ৰযুক্তি আৰু জৈৱ তথ্যবিজ্ঞান কেন্দ্ৰ
বিভাগীয় প্ৰতিনিধি : বিকাশ কলিতা
সম্পাদক : নিখিল গগৈ

২৯) সমাজতত্ব বিভাগ
প্ৰতিনিধি : কৌস্তুৱ কিশোৰ গাৰ্গ
সম্পাদক : দুবৰি গগৈ

৩০) অসমীয়া বিভাগ
বিভাগীয় প্ৰতিনিধি : দীপান্বিতা শৰ্মা
সম্পাদক : নৱদ্বীপ দলে

৩১) বাণিজ্য বিভাগ
বিভাগীয় প্ৰতিনিধি : বিক্ৰমাদিত্য বৰা
সম্পাদক : বিজয় বৰা

৩২) সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰ
বিভাগীয় প্ৰতিনিধি : অঞ্জাল দলে
সম্পাদক : শুভম প্ৰসাদ ৰজক

৩৩) নাৰী অধ্যয়ন কেন্দ্ৰ
কেন্দ্ৰৰ প্ৰতিনিধি : জেচমিন গগৈ
সম্পাদক : বাৰ্বী দাস

৩৪) ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰ
কেন্দ্ৰৰ প্ৰতিনিধি : পাৰ্থপ্ৰতীম বড়া
সম্পাদক : শুভ্ৰ চেত্ৰী

শেষত আকৌ তোমাকেই সুঁৱৰি....

আমাৰ সকলোৰে হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক মৃত্যু বাতৰিত গভীৰভাৱে মৰ্মাহত আৰু স্তম্ভিত। মাত্র ৫২ বছৰ বয়সত তেওঁৰ এই আকস্মিক প্ৰয়াণে আমাক কেৱল এজন অতুলনীয় সাংগীতিক প্ৰতিভাৰ পৰাই নহয়, অসমৰ আত্মা আৰু চেতনাক বিশ্বৰ দৰবাৰলৈ নিয়া এজন অদম্য সাংস্কৃতিক যোদ্ধাৰ পৰাও বঞ্চিত কৰিলে। তেখেতৰ বাবে প্ৰাৰ্থনা আৰু মৌনতাৰে জুবিন দাক স্মৰণ কৰি তেওৰ আত্মাৰ সদগতি কামনা কৰো।

জুবিন দা কেবল এজন গায়ক নাছিল; তেওঁ আছিল এক জীৱন্ত অনুভূতি। তেওঁৰ কণ্ঠস্বৰে আমাৰ কেবাটাও প্ৰজন্মৰ আনন্দ, বেদনা, সংগ্ৰাম আৰু সপোনক সুৰৰ আৱৰণেৰে বান্ধি ৰাখিছিল। তেওৰ গীতসমূহ আমাৰ বাবে অমৰ সৃষ্টি। অসমীয়া, হিন্দী, বাংলাকে আদি কৰি ৪০ হাজাৰৰো অধিক গীতৰ জৰিয়তে তেওঁ আমাৰ সংস্কৃতিৰ সমৃদ্ধিশালী ঐতিহ্যক অমীয়া সুৰেৰে সজাইছিল। তেও উত্তৰ-পূৰ্বাঞ্চলৰ গৌৰৱ আৰু সাংস্কৃতিক ঐতিহ্যৰ ধ্বজাবাহক আছিল। তেখেতৰ গান আৰু সুৰে সমগ্ৰ ভাৰত তথা বিশ্বৰ মানুহৰ হৃদয়ক উদ্বেলিত কৰি ৰাখিছিল। তেওঁৰ সংগীত আছিল এক সেতু-যিয়ে ভাষা আৰু সংস্কৃতিৰ সকলো সীমা অতিক্ৰমি মানৱতাৰ জয়গান গাইছিল। তেওঁৰ সংক্ৰামক উদ্দীপনা আৰু নিজৰ মাটি, নিজৰ শিপাৰ প্ৰতি অটল থকা মৰমে তেওঁক আমাৰ সকলোৰে বাবে এক প্ৰেৰণাদায়ী ব্যক্তিত্বৰ ৰূপ দিছিল।

জুবিন দাই জগতলৈ দি যোৱা অপৰিমেয় স্নেহ, তেওঁৰ উজ্জ্বল হাঁহি আৰু তেওঁৰ সেই অমৰ সংগীতৰ পৰম্পৰা - যিয়ে আগন্তুক প্ৰজন্মকো প্ৰেৰণা দি থাকিব। তেওঁৰ গীতসমূহ আমাৰ হৃদয়ত আৰু আমাৰ উৎসৱসমূহত সদায়েই বাজি থাকিব, প্ৰতিটো সুৰেই তেওঁৰ আত্মাক সজীৱ কৰি ৰাখিব।

জুবিনদাৰ আত্মাৰ চিৰশান্তি কামনাৰে,

জয় জুবিন দা

-সমীৰ ৰিমাল

নাহৰ

মাহেকীয়া ই-আলোচনী

দ্বিতীয় বছৰ। প্ৰথম সংখ্যা। ২০২৫

Nayak
Nayak Creation

DTP & DESIGN
TRIDIP CHOUDHURY